# ৱিকিমিডিয়ানৰ মনৰ কথা

ৱিকিপিডিয়া
মুক্ত বিশ্বকোষ

ৱিকিউৎস

অসমীয়া ৱিকিমিডিয়া সমাজ

**ৱিকিমিডিয়ানৰ মনৰ কথা (Wikimedians Speak)** : অসমীয়া ৱিকিমিডিয়া প্ৰকল্পসমূহৰ নিয়মীয়া প্ৰচাৰপত্ৰ ৱিকিপত্ৰিকাত প্ৰকাশিত ৱিকিমিডিয়ানসকলৰ লেখাৰ প্ৰথম সংকলন (Collection of writings by Assamese Wikimedians published in monthly Wikipatrika.)

Version 1.0.1 (13 April 2020)
©Copyright: Assamese Wikimedia Community

## Terms and Licenses

This booklet is licensed under **Creative Commons Attribution ShareAlike 4.0 CC BY-SA license**. You are allowed to use this book (with front cover and back cover) as long as you agree to the license. You can add or improve information in this booklet as per the license terms. You are also allowed to distribute the booklet with or without changes as per the same terms. You have to attribute the Assamese Wikimedia Community whenever you distribute this booklet. Online version of the license can be seen at http://creativecommons.org/licenses/by-sa/4.0.

Wikipedia and wikisource logo is copyrighted by the Wikimedia Foundation. It includes the official logo or design used by the Wikimedia Foundation or by one of its projects. Use of the Wikimedia logos and trademarks is subject to the Wikimedia trademark policy and visual identity guidelines, and may require permission. Use of logo in this handbook is by the permission from Wikimedia Foundation. All photographs used are taken from Wikimedia commons.

## Disclaimer

We believe that this booklet will be useful to you; however, please be advised that the people who helped create this booklet cannot guarantee, in any way whatsoever, the validity of the information found here. The views and opinions expressed in this booklet are those of the authors and do not necessarily reflect the collective or official policy of Assamese Wikimedia Community or Wikimedia foundation. The creators, editors, publishers, Assamese Wikipedia Community, Wikimedia Foundation or anyone who are in any way connected with this booklet will not be responsible for the errors or collateral damage caused by this booklet.

### Background

Compilation: Bhaskarjyoti Bhuyan
(https://as.wikipedia.org/wiki/User:Bhaskarjyoti_Bhuyan)
Typesetting: Gitartha Bordoloi (http://as.wikipedia.org/wiki/user:gitartha.bordoloi)
Authors: Various
Software LibreOffice Writer 6.4.2, Unicode (Assamese Font: Asomiya Rohini)

# ৱিকিমিডিয়ানৰ মনৰ কথা

## প্ৰথম ভাগ (২০১৫-১৬)

### জলি ৰুমী বৰা

### জানুৱাৰী, ২০১৫



২০০২ চনত জন্ম হোৱা অসমীয়া ৱিকিপিডিয়াই বৰ্তমান ত্ৰয়োদশ বৰ্ষত খোজ পেলাইছে। আৰম্ভণিতে অসমীয়া টাইপিং সঁজুলিৰ অসুবিধাবশতঃ এই প্ৰকল্পৰ গতি কিছু মন্থৰ আছিল যদিও ২০১১ চনৰ পৰা অসমীয়া ৱিকিপিডিয়াত সক্ৰিয়তা বৃদ্ধি পায়। আৰম্ভণিৰ পৰা ২০১৪ ৰ আগষ্ট মাহলৈকে অসমীয়া ৱিকিৰ সক্ৰিয় সম্পাদক আৰু প্ৰবন্ধ সংখ্যাৰ বঢ়া-টুটা লক্ষ্য কৰিলে দেখা যায়, যোৱা তিনিবছৰত অসমীয়া ৱিকিপিডিয়াৰ সক্ৰিয় সদস্য তথা প্ৰবন্ধ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। ৱিকিৰ মুঠ প্ৰবন্ধ সংখ্যাই ২০১২ চনৰ ৭ জানুৱাৰীত ১০০০ অতিক্ৰম কৰিবলৈ সক্ষম হয়। তাৰে ঠিক দুবছৰ পিছতে ২০১৩ চনৰ ১৩ জানুৱাৰীত এই সংখ্যা ২০০০ আৰু বৰ্তমান ৩০০৬ হৈছেগৈ। এইক্ষেত্ৰত ২০১২-১৩ সময়ছোৱা বিশেষভাৱে উল্লেখযোগ্য, যি সময়ত মাহৰ অন্তত সংযোজিত নতুন প্ৰবন্ধৰ সংখ্যা সৰ্বাধিক ২৫০ টা পৰ্যন্ত হৈছিল। এই সময়তে সক্ৰিয় সম্পাদকৰ সংখ্যাও সৰ্বাধিক (৩০ জনতকৈ অধিক) আছিল। ২০১২ চনৰ পৰা বৰ্তমানলৈকে ৱিকিপিডিয়াৰ পৃষ্ঠা দৰ্শনৰ সংখ্যাও দিনক-দিনে বৃদ্ধি পাইছে, যি সকলোৰে বাবে নিশ্চয় আশাব্যঞ্জক।

অসমীয়া ৱিকিপিডিয়া সম্পৰ্কে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাৰ অৰ্থে ইতিমধ্যে অসমৰ গুৱাহাটী, তেজপুৰ, শিলচৰ, যোৰহাটকে ধৰি

বেংগালুৰুতো ৱিকি কৰ্মশালা তথা ৱিকিমেল অনুষ্ঠিত হৈছে। তাৰোপৰি ২০১৪ চনৰ অক্টোবৰত বেংগালুৰুত অনুষ্ঠিত ৱিকিমিডিয়াৰ ভৱিষ্যত কৰ্মপন্থা নিৰ্ণায়ক সভাত সক্ৰিয় সম্পাদক বিষ্ণু শইকীয়াই অসমীয়া ৱিকিপিডিয়াক প্ৰতিনিধিত্ব কৰিছে। নতুন বছৰটোত অসমীয়া ৱিকিৰ খৰতকীয়া উৎকৰ্ষ সাধনৰ বাবে ন-পুৰণি সকলো সদস্যই সক্ৰিয়ভাৱে অৱদান আগবঢ়াব বুলি আশা ৰাখিলোঁ। সকলো ৱিকিপিডিয়ানলৈ নৱবৰ্ষৰ আন্তৰিক শুভকামনা জনাইছোঁ।

## মঞ্জিল কোঁৱৰ

## ফেব্ৰুৱাৰী, ২০১৫



২০০৪ চনৰ ২৭ জানুৱাৰী তাৰিখে বাংলা ৱিকিপিডিয়াৰ শুভাৰম্ভ হয় আৰু ২০১৪ চনত ই দশম বছৰত ভৰি দিয়ে। এই উপলক্ষ্যে ২০১৫ চনৰ ৯ আৰু ১০ জানুৱাৰী তাৰিখে কলকাতাৰ যাদৱপুৰ বিশ্ববিদ্যালয়ত দশম বৰ্ষপূৰ্তি উদযাপন সমাৰোহ আৰু লগতে এক আন্তৰ্জাতিক অভিৱৰ্তন আয়োজিত হয়। এই অভিৱৰ্তনত ভাৰতৰ বিভিন্ন ভাষাৰ ৱিকিপিডিয়ানৰ লগতে বাংলাদেশ আৰু নেপালৰপৰা অহা ৱিকিপিডিয়ানেও অংশগ্ৰহণ কৰে। অসমীয়া ৱিকিপিডিয়াৰ তৰফৰপৰা ময়ো এই অভিৱৰ্তনত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰোঁ।

৯ জানুৱাৰী তাৰিখে যাদৱপুৰ বিশ্ববিদ্যালয়ৰ গান্ধী ভৱনত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানেৰে এই অভিৱৰ্তনৰ আৰম্ভণি হয়। উদ্বোধনী অনুষ্ঠানত ৱিকিমিডিয়া ফাউণ্ডেশ্যন আৰু ৱিকিমিডিয়া ভাৰত শাখাৰ প্ৰতিনিধিৰ লগতে

যাদৱপুৰ বিশ্ববিদ্যালয়, ৰবীন্দ্র ভাৰতী বিশ্ববিদ্যালয়, কলিকতা বিশ্ববিদ্যালয় আৰু Central Institute of Indian Languagesৰ উচ্চপদস্থ বিষয়ববীয়া উপস্থিত থাকে। সকলোৱে এক নিৰ্ভৰযোগ্য জ্ঞান ভাণ্ডাৰ হিচাপে ভাৰতীয় ভাষাৰ ৱিকিপিডিয়াৰ সম্ভাৱনীয়তা আৰু প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। এনে এক আন্তৰ্জাতিক অভিৱৰ্তনৰ উদ্বোধনী সভাত সকলো আমন্ত্রিত অতিথিয়েই দুই-এটা ইংৰাজী বাক্য মিহলি বাংলা ভাষাত বক্তৃতা প্ৰদান কৰি বাঙালী লোকৰ ভাষাপ্ৰেমৰ উমান দিয়ে। ইয়াৰ পিছতেই সমান্তৰালকৈ তিনিটা ভিন ভিন হলত মূল কাৰ্যসূচী আৰম্ভ হয় য'ত আছিল আমন্ত্রিত বক্তাৰ বক্তৃতা, বাংলা ৱিকিপিডিয়া কৰ্মশালা, পত্ৰ উপস্থাপন, পেনেল আলোচনা, মুকলি আলোচনা ইত্যাদি। পত্ৰ উপস্থাপনৰ বিষয়সমূহ আছিল- Outreach, technology, Community, knowledge আৰু Bangla language।

এই কাৰ্যসূচীৰ দুই-এটা অনুভৱ

* শৈক্ষিক প্ৰতিষ্ঠান আৰু ৱিকিপিডিয়াৰ মাজত সহযোগিতা: বাংলা ভাষাৰ ৱিকিমিডিয়া প্ৰকল্পসমূহৰ বিকাশৰ বাবে শৈক্ষিক প্ৰতিষ্ঠানৰ সহযোগিতা শীৰ্ষক এক পেনেল আলোচনা অনুষ্ঠিত হয় য'ত অন্যান্য শিক্ষানুস্থানৰ লগতে পশ্চিমবংগৰ বহুকেইখন বিশ্ববিদ্যালয়ৰ শিক্ষাবিদ উপস্থিত থাকে। ইয়ালৈ তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰবক্তা সুশান্ত কৰ আমন্ত্রিত হৈছিল যদিও তেওঁ উপস্থিত থাকিব নোৱাৰিলে। আমন্ত্রিত সকলো অংশগ্ৰহণকাৰীয়ে অনলাইন জ্ঞান ভাণ্ডাৰ হিচাপে ৱিকিপিডিয়াৰ গুৰুত্বক স্বীকাৰ কৰে আৰু নিজৰ নিজৰ শৈক্ষিক প্ৰতিষ্ঠানৰপৰা বাংলা ৱিকিমিডিয়া প্ৰকল্পলৈ সহযোগিতাৰ আশ্বাস দিয়ে। আমাৰ অসমীয়া ৱিকিমিডিয়া প্ৰকল্পসমূহৰ বাবেও শৈক্ষিক প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰে এনে এক সমূহীয়া আলোচনা অনুষ্ঠিত কৰিব পাৰিলে আমাৰ বিকাশত সুবিধা হ'ব বুলি ধাৰণা হৈছে। কৰ্মশালা অনুষ্ঠিত কৰিবলৈ ভৱন এটা দিয়াতে ক্ষান্ত নাথাকি এইক্ষেত্ৰত শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ প্ৰত্যক্ষ আৰু সক্ৰিয় সহযোগ থাকিলে ছাত্ৰ-ছাত্ৰীসকল বেছি আগ্ৰহী হ'ব বুলি ধাৰণা হয়। এয়া নিশ্চয় সময়ৰ আহ্বান।

* বিভিন্ন ভাৰতীয় ভাষাৰ ৱিকিপিডিয়ানৰ সহযোগিতা: কিছুমান প্ৰবন্ধৰ বিকাশৰ ক্ষেত্ৰত বেলেগ বেলেগ ভাষিক ৱিকিপিডিয়ানৰ সমন্বয় এক সুব্যৱস্থা হ'ব পাৰে। ইয়াৰ জৰিয়তে বেলেগ বেলেগ ভাষাত থকা জ্ঞানৰ

সমল আমাৰ ৱিকিপিডিয়ালৈ আহিব আৰু ইয়াৰ বিকাশ ঘটিব। অসমীয়া ৱিকিপিডিয়া এতিয়া অতি চালুকীয়া অৱস্থাত আছে যদিও পিছলৈ এনে জ্ঞানৰ আদান-প্ৰদানৰ গুৰুত্ব হয়তো বৃদ্ধি পাব।

* শিক্ষণ সঁজুলি হিচাপে ৱিকিপিডিয়া: অনানুষ্ঠানিক শিক্ষণ-শিকন সঁজুলি হিচাপে হয়তো ইংৰাজী ৱিকিপিডিয়াক বহুতেই ব্যৱহাৰ কৰে আৰু ইয়াৰ তথ্যসমূহ নিৰ্ভৰযোগ্য বুলি বিশ্বাস কৰা হয় কিয়নো ইয়াৰ সকলো তথ্যৰ উৎস লগতে দিয়া থাকে। ভিন্ন বিষয়ৰ তথ্য সন্নিবিষ্ট হৈ ভাৰতীয় ভাষাৰ আন ৱিকিপিডিয়াসমূহৰ লগতে অসমীয়া ৱিকিপিডিয়াৰো বিকাশ ঘটিলে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ কাৰণে নিশ্চয় ই এক উন্নত মানদণ্ডৰ নিৰ্ভৰযোগ্য আৰু সুলভ তথ্যভাণ্ডাৰ হিচাপে জনপ্ৰিয় হ'ব।

* wiki initiative: ৱিকিপিডিয়াৰ নিয়মীয়া কামসমূহৰ উপৰিও ৱিকিপিডিয়া সংঘ গঠন কৰি সদস্যসকলে দুই-এটা সমাজহিতৈষী পদক্ষেপ ল'লে ৱিকিপিডিয়াৰ জনপ্ৰিয়তা বাঢ়িব। এই বিষয়ে চিন্তাৰ থল আছে।

* বাংলা ৱিকি অভিধানত আদিবাসী ভাষা সংযোজন: ভৱিষ্যতলৈ অসমীয়াৰ লগতে অসমৰ সকলো জনজাতীয় ভাষা সম্বলিত এখন অভিধানৰ কথা আমিও চিন্তা কৰিব পাৰোঁ।

* ৱিকিপিডিয়া কৰ্মশালা: ন-শিকাৰুসকলৰ বাবে হোৱা এই কৰ্মশালা দুদিনীয়া আছিল। বাংলা টাইপিং, ৱিকিপিডিয়া সম্পাদনা, নতুন প্ৰবন্ধ সৃষ্টি, উচ্চস্তৰৰ সম্পাদনা, মিডিয়া আপলোড, ৱিকিউৎস আৰু ৱিকি অভিধানলৈ বৰঙণি যোগান আদিৰ বিষয়ে প্ৰথম দিনা ধাৰণা দিয়াৰ পাছত দ্বিতীয় দিনা সমপূৰ্ণ ছয় ঘণ্টা ৱিকি editathon (সম্পাদনা মাৰাথন) চলে। দুই-তিনিঘণ্টীয়া কৰ্মশালাৰ সলনি আমিও এনে দীঘলীয়া প্ৰচেষ্টা হাতত ল'লে নতুন সদস্যসকলে অধিক শিকাৰ সুবিধা পাব বুলি ধাৰণা হয়।

ইয়াৰ উপৰিও ছফটৱেৰসমূহত ভাৰতীয় ভাষাৰ সংযোগ, ৱেবছাইটসমূহত স্থানীয় ভাষাৰ প্ৰয়োগ কৰি ইংৰাজী নজনা ব্যক্তিসকললৈ সুবিধা প্ৰদান, মাইক্ৰ'ছ'ফট আৰু ভাৰতীয় ভাষাৰ সমন্বয় ইত্যাদি সম্পৰ্কত presentation আগবঢ়োৱা হয়। ইয়াৰ উপৰিও প'ষ্টাৰ উপস্থাপন,

আলোকচিত্ৰ প্ৰতিযোগিতাৰ বঁটা প্ৰদান, উল্লেখযোগ্য ৱিকিমিডিয়ানলৈ সন্মান আছিল সমাৰোহৰ উল্লেখনীয় দিশ।

সুপৰিচালনা আৰু সময়ানুৱৰ্তিতা আছিল সমাৰোহৰ উল্লেখনীয় দিশ। এই সমাৰোহত অংশগ্ৰহণৰ সুবিধা লাভ কৰি মই অসমীয়া ৱিকিপিডিয়াৰ ওচৰত কৃতজ্ঞ। ভৱিষ্যতে অনুস্থিত হ'বলগা এনে অনুষ্ঠানত অসমীয়া ৱিকিপিডিয়াৰ অধিক সদস্যই অংশগ্ৰহণ কৰা উচিত বুলি ভাবোঁ। অনুষ্ঠানৰ মূল কাৰ্যসূচীসমূহৰ উপৰিও বিভিন্ন ঠাইৰ বিভিন্ন ভাষাৰ ৱিকিপিডিয়ানৰ লগত আলোচনা আৰু মিলা-মিছাই নিশ্চয় আমাৰ সদস্যসকলক অভিজ্ঞ আৰু উপকৃত কৰিব।

## ফাৰুক আজিজ, তেজপুৰ

## মাৰ্চ, ২০১৫



অসমীয়া ভাষাক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ উদ্দেশ্যে গঢ় লৈ উঠা 'অসমীয়া ৱিকিপিডিয়া'ই শামুকীয় গতিত ইয়াৰ যাত্ৰা আৰম্ভ কৰিছিল যদিও লাহে লাহে ইয়াৰ গতি বৃদ্ধি হোৱাতো পৰিলক্ষিত হৈছে। চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহটো অসমীয়া ৱিকিপিডিয়াৰ বাবে এটা উল্লেখযোগ্য মাহ হিচাপে চিহ্নিত হৈ ৰ'ব। কিয়নো এই মাহতে প্ৰৱন্ধৰ সংখ্যা প্ৰায় ৩১২৫ টালৈ বৃদ্ধিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত ৱিকিপিডিয়াক জনপ্ৰিয় কৰি তোলাৰ উদ্দেশ্যে দুখনকৈ 'ৱিকিপিডিয়া সন্মিলন' সফলতাৰে অনুষ্ঠিত কৰা হ'ল। প্ৰথমখন সন্মিলন অনুষ্ঠিত কৰা হ'ল ৰাষ্টীয় প্ৰযুক্তিবিদ্যা প্ৰতিস্থান, শিলচৰত

(১৩ ফেব্ৰুৱাৰী) আৰু দ্বিতীয়খন গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ মেনেজমেন্ট এণ্ড টেকনল'জী, তেজপুৰত (২৮ ফেব্ৰুৱাৰী)।

২০১৪ চনৰ ফেব্ৰুৱাৰী মাহত ৰাষ্টীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠন, শিলচৰত এখন ৱিকিপিডিয়া সন্মিলনৰ কথা প্ৰভাকৰ শৰ্মা ছাৰৰ লগত আলোচনা কৰিছিলোঁ। চৌহদত অসমীয়া ল'ৰা বহুত আছে বুলি আমাৰ চকুত পৰিছিল, কিন্তু অসমীয়া ৱিকিপিডিয়াত কাম কৰিবলৈ কোনো সহকৰ্মী বিচাৰি পোৱা নাছিলোঁ। আমি জানিছিলোঁ আগ্ৰহী ল'ৰা আছে, কিন্তু ইমান এটা বিশাল চৌহদত কোনজন আগ্ৰহী বিচাৰি পাম কেনেকৈ? গতিকে আমি এটা ফেচবুক গ্ৰুপ খোলাৰ সিদ্ধান্ত লৈছিলোঁ 'অসমীয়া ৱিকিপিডিয়া ক্লাব, শিলচৰ।' বহুতে প্ৰশ্ন কৰিছিল 'অসমীয়া ৱিকিপিডিয়া'ৰ কেইবাটাও ডাঙৰ গ্ৰুপ আছেই ফেচবুকত। তেনে অৱস্থাত আৰু এটা গ্ৰুপটো খোলাৰ প্ৰয়োজন কি? আমি ভাবিছিলোঁ প্ৰয়োজন আছে। পাছত আমি চৌহদৰ প্ৰায় প্ৰতিখন হোষ্টেলৰ এজনকৈ ছাত্ৰক হোষ্টেলত আগ্ৰহী যেন লগা ছাত্ৰ- ছাত্ৰীসকলক গ্ৰুপটোত যোগ কৰিবলৈ দায়িত্ব দিছিলোঁ । এনেদৰেই লগ পাইছিলোঁ তেতিয়া জুনিয়ৰ হোষ্টেলৰ আবাসী ছাইদুল ইছলাম আৰু অন্যান্য হোষ্টেলৰ নিতু দাস, চম্পকজ্যোতি ৰাজবংশী আদিক। আমি আটাইকেইজনে মিলি ৰাতি ৰাতি হোষ্টেলে হোষ্টেলে গৈ মিটিং পাতি হ'বলগীয়া 'ৱিকিপিডিয়া সন্মিলন'ৰ বিষয়ে প্ৰচাৰ কৰি ফুৰিছিলোঁ। ফেচবুকৰ যোগেদি হওঁক বা মুখেৰে আমি আটায়ে প্ৰায় দুশজনক আমি এই সন্মিলনৰ বিষয়ে কৈছিলোঁ আৰু ইয়াৰ ভিতৰত চল্লিছজনমানে আগ্ৰহ দেখুৱাইছিল। এইবোৰ কৰি ফুৰা কাৰণে আমাৰ কেইবাজনো সহযোগীয়ে 'কামোৰ' নাম পাইছিল।

২০১৪ চনৰ ৬ মাৰ্চত আমি সফলতাৰে এন আই টি শিলচৰৰ চৌহদত আমি প্ৰথমখন 'ৱিকি সন্মিলন' পতাত সফল হৈছিলোঁ। সিদিনা প্ৰায় ২৫ জন ছাত্ৰৰ উপস্থিতিত প্ৰভাকৰ ছাৰে ৱিকিৰ বিভিন্ন কাৰিকৰী দিশৰ বিষয়ে আলোচনা কৰিছিল। প্ৰথমখন 'ৱিকি সন্মিলন'ৰ পাছত আমাৰ সৰু ক্লাবটোৰ পৰা কেইবাটাও প্ৰবন্ধ আমি 'অসমীয়া ৱিকিপিডিয়া'লৈ আগবঢ়াবলৈ সমৰ্থ হৈছিলোঁ। প্ৰথমখন 'ৱিকিপিডিয়া সন্মিলন'ৰ আঁৰৰ কথাখিনি মই এইকাৰণে বৰ্ণনা কৰিলোঁ যে ঠিক এনেদৰেই অসমৰ প্ৰতিখন বিদ্যালয় বা প্ৰতিখন মহাবিদ্যালয়ত এনেদৰে কিছুমান সৰু ক্লাব গঢ়ি তুলিব নোৱাৰিনে? প্ৰধান শিক্ষক বা যিকোনো এজন বিষয় শিক্ষকে গোটেই ক্লাবটো

পৰিচালনা কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকল ইয়াৰ সাধাৰণ সদস্য হ'ব। যি 'অসমীয়া ৱিকিপিডিয়া'ক ৰাইজৰ মাজলৈ লৈ যোৱাত সহায় কৰিব আৰু এই সকলৰ মাজতে বহু নতুন সদস্যৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকিব যি পৰৱৰ্তী পৰ্যায়ত 'অসমীয়া ৱিকিপিডিয়া'ক দোপত দোপে আগুৱাই লৈ যোৱাত সহায় কৰিব।

২০১৫ চনৰ ১৩ ফেব্ৰুৱাৰীত যোৱা বছৰ গঢ় লৈ উঠা ৱিকি ক্লাবটোৰ সৌজন্যত দ্বিতীয়খন আৰু এই বছৰৰ প্ৰথমখন 'ৱিকি সন্মিলন' অনুষ্ঠিত হ'ল। প্ৰভাকৰ ছাৰৰ লগতে নেতৃত্বত আছিল ছাইদুল, কন্দৰ্পকে ধৰি কেইবাজনো। পাৰ্থক্য মাথোঁ এটাই মোৰ দৰে যোৱাবছৰৰ কেইবাজনো সদস্য এই সন্মিলনখনত নাই, কাৰণ শিক্ষা সমাপ্ত হোৱাৰ বাবে আমি এন আই টি শিলচৰৰ চৌহদ ত্যাগ কৰিছিলোঁ; কিন্তু বহুতো নতুন সদস্য এই ক্লাবটোত যোগদান কৰিছে যি অনাগত দিনত ক্লাবটোক আৰু এখোজ আগুৱাই লৈ যাব। এইবাৰ বিশিষ্ট ৱিকিপিডিয়ান জলি ৰুমী বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা কৰ্মশালাটোৰ আঁত ধৰে ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান শিলচৰৰ কম্পিউটাৰ বিভাগৰ প্ৰবক্তা প্ৰভাকৰ শৰ্মা নেওগ ছাৰে। নিজৰ বক্তৱ্যত নেওগ ছাৰে ন-শিকাৰু সকলক অসমীয়া ৱিকিপিডিয়াৰ জন্ম আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰে। প্ৰবন্ধৰ সন্ধান, মানসম্পন্ন নতুন প্ৰবন্ধ সৃষ্টি, প্ৰবন্ধ লিখাৰ নিয়ম, তথা ৰ'দালি, জাহ্নৱী, আৰু অভ্ৰ লিখন সঁজুলিৰ সহায়ত কম্পিউটাৰত অসমীয়া লিখাৰ ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰে প্ৰভাকৰ শৰ্মা নেওগ, কন্দৰ্প বৰচেতিয়া আৰু ছাইদুল ইছলামে। প্ৰায় ত্ৰিছ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহন কৰা এই অনুষ্ঠানত মুখ্য অতিথি জলি ৰুমী বৰাই তেখেতৰ অনুপ্ৰেৰণাদ্বায়ক বক্তব্যত কয় যে অসমীয়া ভাষা তথা সংস্কৃতিৰ প্ৰতি সকলোৰে এক দ্বায়িত্ব আৰু কৰ্তব্য আছে আৰু সকলোৱে তাক পালন কৰা উচিত। ব্যস্ততাপূৰ্ণ দৈনন্দিন জীৱনৰ মাজত মাতৃভাষাৰ স্থায়িত্ব তথা উন্নতিৰ বাবে অসমীয়া ৱিকিপিডিয়া এক বৃহৎ সুযোগ বুলি অভিহিত কৰি সকলোকে একগোট হৈ কাম কৰাৰ বাবে শ্ৰীমতী বৰাই আহ্বান জনায়।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সঙ্গতি ৰাখি ২৮ ফেব্ৰুৱাৰী,২০১৫ অসমৰ এখন আগশাৰীৰ কাৰিকৰী শিক্ষা প্ৰতিস্থান গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ মেনেজমেণ্ট এণ্ড টেকনল'জী, তেজপুৰত এখন

ৱিকিসন্মিলনৰ আয়োজন কৰা হৈছিল। এইবাৰো আগৰবাৰৰ দৰেই ফেচবুকৰ সহায়ত প্ৰথমতে আমি প্ৰচাৰ চলাইছিলোঁ, লগতে শ্ৰেণী কোঠালৈ গৈও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা আনিবলৈ চেষ্টা চলাইছিলোঁ। সন্মিলনখনত মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা হৈছিল অভিজ্ঞ ৱিকিপিডিয়ান নিতুল বৰা দাদা আৰু অসমীয়া ৱিকিপিডিয়াৰ প্ৰকাশক বিষ্ণু শইকীয়া দাদাক। সন্মিলনখনত অংশগ্ৰহণকাৰীৰ বিপুল ভিৰ পৰিলক্ষিত হৈছিল। আমি মন কৰিছিলোঁ সন্মিলনখন আৰম্ভ হোৱাৰ লগে লগে বিজ্ঞান দিৱসৰ অন্যান্য অনুষ্ঠানসমূহৰ প্ৰতিযোগী আৰু দৰ্শকসকল ৱিকি সন্মিলন অনুষ্ঠিত হৈ থকা প্ৰেক্ষাগৃহত উপস্থিত হয়হি। ফলশ্ৰুতিত দৰ্শক-প্ৰতিযোগীৰ অভাৱৰ বাবে অন্যান্য অনুষ্ঠানসমূহ আমি কিছু সময়লৈ স্থগিত ৰাখিবলৈ বাধ্য হওঁ। বিগত সপ্তাহত মহাবিদ্যালয় চৌহদত ৱিকি সন্মিলনখনৰ ঘোষণা হোৱাৰ পাছৰে পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ মনত ৱিকি সন্মিলনখনৰ মনত তীব্ৰ উৎকণ্ঠাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছিল আৰু এই উৎসাহে যুৱ প্ৰজন্মৰ মাজত যে অসমীয়া ভাষাৰ বাবে কিবা এটা কৰাৰ আশা যে সুপ্ত হৈ থাকে তাকে সূচাইছে।

সন্মিলনখনৰ আৰম্ভণিতে মই ইউনিকোডত অসমীয়া লিখিবলৈ মনতে পুহি ৰখা ভয় ভাৱ আঁতৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাই অসমীয়া লিখন সঁজুলি 'ৰ'দালি'ৰ সহায়ত কম্পিউটাৰত অসমীয়া লিখাৰ ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰোঁ। বিষ্ণু শইকীয়াই অসমীয়া ৱিকিপিডিয়াৰ ইতিহাস আৰু বৰ্তমানৰ ই-বিশ্বত ভাষা এটাৰ স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব সম্বন্ধে ছাত্ৰ- ছাত্ৰীসকলক অৱগত কৰায়। তেওঁ আকৌ কয় ভাৰতীয় ভাষা সমূহৰ ভিতৰত মালায়ালম ৱিকিপিডিয়াৰ পিছতে ২০০২ চনত মুক্ত-বিশ্বকোষ হিচাপে অসমীয়া ৱিকিপিডিয়া মুকলি কৰা হৈছিল আৰু বৰ্তমান ইয়াত প্ৰায় ৩১২৫ টা প্ৰবন্ধ আছে। প্ৰায় একে সময়তে মুকলি কৰা অন্যান্য ভাৰতীয় ভাষাসমূহ অসমীয়া ভাষাতকৈ বহু যোজন দূৰ আগুৱাই গ'ল বুলি আক্ষেপ কৰে। প্ৰায় আশীজনমান ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থকা সন্মিলনখনৰ আনজন অতিথি নিতুল বৰাই ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া ৱিকিপিডিয়াৰ কাৰিকৰী দিশসমূহৰ বিষয়ে অৱগত কৰায়। তেখেতে ৱিকিপিডিয়াত নতুন পৃষ্ঠাৰ সৃষ্টি, পুৰণি সাহিত্য সংৰক্ষণত ৱিকি উৎসৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ দৃষ্টি আকৰ্ষণ কৰে। লগতে অসমীয়া ৱিকিপিডিয়াৰ মূল সমস্যাসমূহৰ বিষয়েও ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰায়।

মূলত অৱদানকাৰীৰ অভাৱ আৰু সচেতনতাৰ অভাৱেই প্ৰবন্ধৰ সংখ্যা বৃদ্ধিত প্ৰধান অন্তৰায় হৈ দেখা দিয়া বুলি তেখেতে জানিবলৈ দিয়ে। অসমীয়া ভাষাৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি প্ৰত্যেকজন আগ্ৰহী ব্যক্তিক ৱিকিপিডিয়াত যোগদান কৰি অৱদান আগবঢ়াই অসমীয়া ভাষাক জগত সভালৈ লৈ যাবলৈ সকলোকে আহ্বান জনোৱা হয়।

এই সন্মিলন কেইখনৰ দৰে অসমৰ অন্য চহৰতো যদি এনেধৰণৰ সন্মিলন অনুষ্ঠিত কৰিব পৰা যায় তেনেহ'লে 'অসমীয়া ৱিকিপিডিয়া' যি মহৎ উদ্দেশ্য আগত ৰাখি গঢ়ি তোলা হৈছিল সেয়া অন্তত কিছু পৰিমাণে পূৰণ হ'ব বুলি আশা কৰিব পাৰি। অসমৰ বৌদ্ধিক মহল আৰু সংবাদ জগতে এই ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লৈ 'অসমীয়া ৱিকিপিডিয়া'ক ৰাইজৰ মাজলৈ লৈ যোৱাত আমাক সহায় কৰিব বুলি আমি আশাবাদী।

## জলি ৰুমী বৰা

## এপ্ৰিল, ২০১৫

অনলাইন বিশ্বকোষ অসমীয়া ৱিকিপিডিয়াৰ জন্মৰ প্ৰায় দহবছৰলৈকে অন্য বহুতৰে দৰে ময়ো ইয়াৰ অস্তিত্বৰ একো উমঘামেই পোৱা নাছিলোঁ। ইটো সিটো প্ৰয়োজনত ইংৰাজী ৱিকিপিডিয়াত খুঁচৰি চাইছিলোঁ। অসমীয়া ভাষাটো যে এনে এখন ৱিকিপিডিয়া থাকিব পাৰে সেয়া মনলৈকে অহা নাছিল, ইয়াত লিখা বা জড়িত হোৱাৰ ইচ্ছা দূৰৰে কথা। ২০১১ চনৰ শেষৰফালে কোনোবা এটা দিনত বন্ধু এজনৰ মুখত অসমীয়া ৱিকিৰ বিষয়ে শুনিবলৈ পালোঁ। সেইসময়ত ইণ্টাৰনেটত অসমীয়া ভাষাত তথ্য-পাতি প্ৰায় নাছিল বুলিলেই হয়। তেনে পৰিস্থিতিত অসমীয়া ৱিকিৰ ভৱিষ্যত গুৰুত্বৰ বিষয়ে বন্ধুৱে আভাস এটা দিলে। গুগলত কিবা এটা অসমীয়াত বিচাৰিলে অসমীয়াতে সেইবিষয়ে তথ্য পাম, এই ভাৱটোৱে মন ৰোমাঞ্চিত কৰি তুলিলে! সিদিনাই ৱিকিত একাউন্ট এটা খুলিলোঁ। ফে'চবুকৰ

অসমীয়া ৱিকিপিডিয়া সমাজতো সদস্যভুক্ত হ'লোঁ। অসমীয়া টাইপিঙৰ সমস্যাবোৰো কেইবাজনো অভিজ্ঞ ৱিকিপিডিয়ানৰ সহায়ত নোহোৱা হ'ল।

ৱিকিত সোমায়েই মই প্ৰথম কৰা কামটো আছিল, মোৰ জিলা লখিমপুৰৰ বিষয়ে তথ্য যোগ দিয়া। নিজৰ জিলাখনৰ উল্লেখযোগ্য ঠাই, ব্যক্তি, অনুষ্ঠান আদিৰ বিষয়ে যি পাৰো লিখিলোঁ। সেইখিনি কৰি উঠি ৱিকিৰ সম্পাদনা কৰাৰ ক্ষেত্ৰত মনটো অলপ আত্মবিশ্বাসী হ'ল। এইবাৰ নতুন প্ৰবন্ধ সৃষ্টিত লাগিলোঁ। বহুতৰে দৰে মোৰো ভাৱ হৈছিল, নতুনকৈ কিনো লিখিম! কিছু চিন্তা কৰি মোৰ প্ৰিয় বিষয় কিছুমান বাচি ল'লো – মই ইতিমধ্যে জনা বা জানিব খোজা বিষয়বোৰ। ইয়াৰ ভিতৰত অন্যতম আছিল, অসমৰ বন্যপ্ৰাণী আৰু চৰাই-চিৰিকতিৰ বিষয়ে প্ৰবন্ধ সৃষ্টি। এটা নতুন প্ৰবন্ধ লিখি সম্পূৰ্ণ কৰি এক সাংঘাটিক সন্তুষ্টি বা পৰিতৃপ্তি পোৱা হ'লোঁ। ৱিকিত কিবা এটা কৰিলেই ভাব হয়, যেন অন্ততঃ এটা ভাল কাম কৰিলোঁ! লাহে লাহে এনে দিন আহিলগৈ যে দিনটোৰ ভিতৰত ৱিকিত অলপকৈ হ'লেও কিবা এটা নিলিখিলে বা নকৰিলে কিবা এটা আধৰুৱা হৈ ৰৈ যোৱা যেন লগা হ'ল! হয়, মোক বহুতো ৱিকিপিডিয়ানৰ দৰে ৱিকিৰ আসক্তিয়ে পালে আৰু আজিও এই আসক্তি কেতিয়াও এৰাব নোৱাৰাকৈ গভীৰলৈকে শিপাই আছে। পিছে, কেৱল ৱিকিৰ পৰা পোৱা সন্তুষ্টি বা জ্ঞানেই নহয়, ইয়াৰ লগতে অন্য কেইবাটাও কথাই এই আসক্তি গভীৰ কৰাত সাৰ-পানী যোগাই আহিছে।

প্ৰথম অনুঘটকটো হ'ল, অসম আৰু অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি কিবা এটা কৰাৰ হেঁপাহ! এনে এটা হেঁপাহ হয়তো প্ৰতিজন অসমীয়াৰে কম-বেছি পৰিমাণে থাকেই। বাহিৰৰ বহু লোকৰে উত্তৰ-পূৰ্বাঞ্চল সম্পৰ্কীয় জ্ঞান সীমিত বুলি আমি অভিযোগ কৰোঁ, ইয়াৰ নিৰাময়ৰ বাবে কি কৰিব পাৰি সেই সম্পৰ্কে নানা আলোচনা, বিতৰ্কও চলে। তেনেদৰে ইণ্টাৰনেটৰ পৃথিৱীত অসমীয়া ভাষা-সংস্কৃতিৰ চালুকীয়া অৱস্থা আদিৰ বিষয়েও বহুতে কয়। উচ্চশিক্ষাৰ বাবে অসম এৰি দূৰৈত থকাৰে পৰা এইবিষয়ে যেন মই বেছি সচেতন হ'বলৈ ল'লোঁ। সাধ্যানুসাৰে কিবা এটা কৰাৰ হেঁপাহটোও হয়তো তীব্ৰ হৈ উঠিল। ইচ্ছা থাকিলেও পঢ়াৰ বা কামৰ ব্যস্ততাৰ বাবে এনে ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত হ'ব নোৱাৰা বহুতৰ দৰে মোৰ বাবেও অসমীয়া ৱিকি এক উপযুক্ত মাধ্যম হৈ পৰিল যেন। এটোপ দুটোপ পানীৰেই সাগৰ ভৰাৰ দৰে এটা-দুটাকৈ প্ৰতিদিনে যোগ হোৱা অসমীয়া ৱিকিৰ প্ৰবন্ধবোৰে ধীৰে

ধীৰে ইণ্টাৰনেটৰ পৃথিৱীত অসমীয়া ভাষাৰ এক বিনামূলীয়া আৰু বিশ্বৰ যিকোনো ঠাইতে উপলব্ধ হোৱা এক বিশাল তথ্যভাণ্ডাৰ প্ৰতিষ্ঠা কৰিছে। ৱিকিউৎস নামৰ ভগ্নী প্ৰকল্পত আপুৰুগীয়া অসমীয়া গ্ৰন্থসমূহ ইউনিক'ড ৰূপত পাব পৰা হৈছে। অসম আৰু অসমীয়া ভাষাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ যিকোনো ব্যক্তিয়ে সাধ্যানুসৰি অৱদান আগবঢ়াব পৰা ইয়াতকৈ সঠিক আৰু উপযুক্ত মাধ্যম আৰু কি হ'ব পাৰে!

তাৰোপৰি দৈনন্দিন ব্যস্ততাৰ মাজত ৱিকিত মই নিজৰ সুবিধা অনুসৰি যিকোনো সময়ত বা যিকোনো প্ৰকাৰে অৱদান আগবঢ়াব পাৰোঁ। সময়ৰ কোনো বাধ্যবাধকতা নাই- কেতিয়াবা পাঁচ-দহমিনিট, কেতিয়াবা কেইবা ঘন্টালৈকে সুবিধা অনুসৰি কৰোঁ। সুবিধা মতে নতুন প্ৰবন্ধ লিখোঁ, নাইবা ৱিকিত ইতিমধ্যে থকা প্ৰবন্ধত দুই এটা তথ্য যোগ দিওঁ; সেয়াও নহ'লে, নিজে তোলা ফটো আপল'ড কৰোঁ নাইবা ৱিকিউৎসত কোনোবা কিতাপৰ টাইপিঙতে অকণমান লাগি দিওঁ।

তৃতীয় কাৰকটো হ'ল, অন্য ভাষাসমূহৰ তুলনাত অসমীয়া ভাষাৰ সীমিত ডিজিটেল তথ্যভাণ্ডাৰ। অসমীয়াৰ সচেতনতাৰ এক উল্লেখযোগ্য নিদৰ্শনৰূপে মালায়ালম ৱিকিপিডিয়াৰ পিছতে ভাৰতীয় ভাষাসমূহৰ ভিতৰতে দ্বিতীয়খন ৱিকিপিডিয়া আছিল ২০০২ চনত মুকলি কৰা অসমীয়া ৱিকিপিডিয়া। কিন্তু সক্ৰিয় অৱদানকাৰীৰ অভাৱৰ বাবে বৰ্তমানলৈকে এই ৱিকিপিডিয়া চালুকীয়া অৱস্থাতে আছে।আজিৰ তাৰিখত পৰিসাংখ্যিকভাৱে ইংৰাজী ৱিকিপিডিয়াৰ প্ৰবন্ধৰ সংখ্যা তিনি কোটি আৰু মালায়ালম ৱিকিপিডিয়াৰ এক লাখ হোৱাৰ বিপৰীতে অসমীয়া ৱিকিপিডিয়াৰ প্ৰবন্ধ কেৱল তিনিহাজাৰটা। এই পৰিসংখ্যাটোৱে প্ৰতিযোগিতাৰ বা প্ৰত্যাহ্বানৰ ভাৱ এটা মোৰ মনলৈ আনি দিয়ে। বাংগালোৰত থকাৰ সময়ছোৱাত ৱিকিৰ প্ৰতি আগ্ৰহী সহকৰ্মী কেইজনমানৰ সৈতে সপ্তাহত এবাৰকৈ আমি একেলগ হৈছিলোঁ। প্ৰত্যেকেই নিজৰ মাতৃভাষাৰ বা ইংৰাজী ৱিকিৰ কাম কৰোঁ। সেই সুযোগতে তামিল, ইংৰাজী আদি ৱিকিৰ কাম-কাজৰ প্ৰক্ৰিয়া প্ৰত্যক্ষ ভাৱে দেখিছিলোঁ। তাৰবাবেই কিজানি জ্ঞানৰ মুক্ত বিতৰণ আৰু প্ৰসাৰৰ দৌৰত আমাতকৈ বহুযোজন আগবাঢ়ি যোৱা এই ৱিকিসমূহৰ সমকক্ষ হোৱাৰ সংকল্প এটাই মনত ঠাই ল'লে।

এই অভিজ্ঞতাসমূহৰ বাহিৰেও ৱিকিৰ লগত জড়িত বহুতো প্ৰেৰণাদায়ক অভিজ্ঞতাইও মোক সদায়ে উৎসাহ যোগাই আহিছে। উদাহৰণস্বৰূপে, ২০১৩-ৰ শেষৰফালে বাংগালোৰত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় কনফাৰেঞ্চ এখনৰ এক বিশেষ কৰ্মশালাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছিলোঁ। বিষয় আছিল-স্থানীয় ভাষাত প্ৰকৃতি বা পৰিস্থিতিবিজ্ঞানৰ জ্ঞানৰ প্ৰসাৰৰ গুৰুত্ব আৰু বৰ্তমানলৈকে বিভিন্ন ভাষাত ইয়াৰ অগ্ৰগতিৰ বুজ লোৱা। তাতে কেইবাগৰাকী ব্যক্তিৰ তেলুগু, মাৰাঠী আদি ভাষাত প্ৰকৃতি সম্পৰ্কীয় লিখা-মেলাৰ কথা শুনিলোঁ। ময়ো অন্যান্য মাধ্যমত চৰ্চাৰ উপৰিও অসমীয়া ৱিকিপিডিয়াৰ প্ৰকৃতি সম্পৰ্কীয় তথ্য বিস্তাৰৰ বিষয়ে দুআষাৰ ক'লোঁ। সকলোৰে কিছু আশ্চৰ্য্য প্ৰকাশ কৰিলে অসমীয়া ভাষাত এনে অগ্ৰগতিৰ সম্পৰ্কে জানি। বহুতে মন্তব্য কৰিলে, নিজৰ মাতৃভাষাত এনে ধৰণৰ প্ৰকল্প আৰম্ভ কৰিবলৈ উদ্যোগ ল'ব বুলি। আনৰ বাবে অসমীয়া ৱিকিৰ চানেকি দেখুৱাবলৈ পাই গৌৰৱত মোৰ বুকুখন ফুলি উঠিল!

অন্য এটা ভাল লগা অভিজ্ঞতা; সেইবছৰতে নতুনকৈ আৱিস্কৃত স্তন্যপায়ী প্ৰাণীৰ প্ৰজাতি অ'লিংগুইট'ৰ বিষয়ে বাতৰিত পোৱাৰ পিছদিনাই অসমীয়া ৱিকিপিডিয়াত এটা প্ৰবন্ধ যোগ দিছিলোঁ। নিশাৰ ভাগলৈ ৱিকিৰ মোৰ সদস্যপৃষ্ঠাত এটা বাৰ্তা আহিল। লিখিছিল C.R.Selvakumar নামৰ তামিল ৱিকিপিডিয়ান এগৰাকীয়ে। তেওঁ লিখিছিল, তেওঁ অসমীয়া ভাষা বুজি নাপায়। কিন্তু তামিল ৱিকিপিডিয়াত সেই একেটা বিষয়ত এটা প্ৰবন্ধ সংযোগ কৰাৰ পিছত তেওঁ জানিব পাৰিলে যে অসমীয়া ৱিকিপিডিয়াত সেই বিষয়ে প্ৰবন্ধ ইতিমধ্যে সৃষ্টি কৰা হৈছে। ইমান শেহতীয়া বিষয় এটাত তাৎক্ষণিক ভাৱে এনেকৈ তথ্য সংযোগ কৰাকে লৈ তেওঁ আনন্দ প্ৰকাশ কৰিলে। পঢ়ি লৈ অলপ আচৰিত হ'লোঁ যদিও খুউব ভালো লাগিল। কিছুপৰৰ পিছতে দেখিলো তেওঁ অসমীয়া ৱিকিপিডিয়াতো এটা একাউন্ট খুলিছে। তাত তেওঁৰ বক্তব্য আছিল- “I wish to contribute whatever I can to Assamese Wikipedia, like adding a picture and taking part in matters related to Tamil language and Tamil culture in Assamese Wikipedia. I don't yet know Assamese language, but will be picking up a little at least I hope in due course. I wish Assamese Wikipedia a great success”. অসমীয়া ৱিকিপিডিয়াত অৰিহণা যোগাবলৈ অসমীয়াৰ মাজতে আগ্ৰহৰ

অভাৱৰ এক হতাশাজনক পৰিস্থিতিত তামিল ৱিকিপিডিয়ান এজনৰ এনে আগ্ৰহ আৰু আন্তৰিকতা দেখি অভিভূত হৈ পৰিলো। কিন্তু, তাতোকৈ বেছি আশ্চৰ্য্য বৈ আছিল মোৰ বাবে! তেওঁৰ বিষয়ে অধিক জানিবৰ বাবে তেওঁৰ তামিল ৱিকিৰ সদস্য পৃষ্ঠাটোত চকু ফুৰালো।দেখিলো, তেওঁ কানাডাৰ ইউনিভাৰ্ছিটি অব ৱাটাৰলুৰ কম্পিউটাৰ ইঞ্জিনিয়াৰিং বিভাগৰ জ্যেষ্ঠ অধ্যাপক! তেওঁৰ প্ৰতি শ্ৰদ্ধাত মোৰ মন ভৰি উঠিল। বিশ্বৰ শীৰ্ষস্থানীয় বিশ্ববিদ্যালয় সমূহৰ ভিতৰত অন্যতম, ইউনিভাৰ্ছিটি অব ৱাটাৰলুৰ এগৰাকী অধ্যাপকে তেওঁৰ কৰ্মব্যস্ততাৰ মাজত তামিল ৱিকিপিডিয়াৰ নিয়মীয়া অৱদানকাৰী হোৱাকৈ, একেবাৰে নজনা অসমীয়া ভাষা শিকি লৈ অসমীয়া ৱিকিলৈ অৰিহণা যোগোৱাৰ প্ৰস্তাৱ দিব পৰাকৈ আগ্ৰহ আৰু ঐকান্তিকতা থকা এনে এজন ব্যক্তি সঁচাই অশেষ শ্ৰদ্ধাৰ আৰু প্ৰেৰণাৰ উৎস।

এইসমূহৰ উপৰিও মোৰ ৱিকিৰ আসক্তি স্থায়ী কৰাৰ অন্যতম কাৰণ হ'ল অসমীয়া ৱিকিপিডিয়া সমাজখন। অসম আৰু বাহিৰৰো বহু ঠাইত কাম কৰি থকা বা পঢ়ি থকা এই সকল লোকে কোনো ব্যক্তিগত লাভ নিবিচৰাকৈ অসমীয়া ভাষাৰ কাৰণে যেনেকৈ কাম কৰি আছে সেয়া মোৰ কাৰণে এটা ডাঙৰ প্ৰেৰণা। দুই এজনৰ বাহিৰে আমি প্ৰায়ভাগেই মুখামুখিকৈ কেতিয়াও লগ পোৱা নাই। কিন্তু আজি ইমানবছৰ ধৰি আমি একেলগে ৱিকিৰ কাম কৰি আহিছোঁ। আমাৰ ভাষাৰ বা জাতিটোৰ কাৰণে কিবা কৰাৰ কথা প্ৰায় সকলোৱে কয়, কিন্তু আবেগ বাদ দি সঁচা অৰ্থত হাতে কামে লগা লোকৰ সংখ্যা আঙুলিৰ মূৰত গণিব পাৰি। এইক্ষেত্ৰত মই সদায়ে অসমীয়া ৱিকিপিডিয়ান সকলক লৈ গৌৰৱ কৰোঁ। প্ৰতিদিনে অলপ অলপকৈ তথ্য যোগ দি আজি বছৰ বছৰ ধৰি এইখিনি মানুহে নিঃস্বাৰ্থভাৱে নিজৰ ভাষাৰ হকে কাম কৰি আহিছে।ৱিকিৰ জৰিয়তে এইখিনি মানুহক লগ পাই আৰু এই বৌদ্ধিক আন্দোলনৰ অংশীদাৰ হ'ব পাৰি মই নিজকে বহুত ভাগ্যবান বুলি গণ্য কৰোঁ।

শেষত কওঁ, বিশ্বৰ যিকোনো ঠাইতে উপলব্ধ হোৱাকৈ ইণ্টাৰনেটত অসমীয়া ভাষাৰ সমল বৃদ্ধি কৰাৰ ক্ষেত্ৰত অসমীয়া ৱিকিপিডিয়াৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শেহতীয়াকৈ ৱিকিপিডিয়াত অসমীয়া ভাষাত তথ্য বৃদ্ধি পোৱাৰ লগে লগে বিভিন্ন চাৰ্চ ইঞ্জিনসমূহত অসমীয়া ভাষাত তথ্য পাব পৰা হৈছে। গতিকে অধিক অৱদানেৰে নিসন্দেহে ই অসমীয়া ভাষাটোক

ডিজিটেল জগতত আৰু এঢাপ আগুৱাই নিব পাৰে। কিন্তু ইয়াৰ বাবে অধিক লোকে ৱিকিপিডিয়ালৈ অৱদান আগবঢ়োৱাৰ প্ৰয়োজন। গতিকে আহক, অসমীয়া ভাষা আৰু সংস্কৃতি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ এইপ্ৰয়াসত আমি সকলোৱে কণমানকৈ হ’লেও অৱদান আগবঢ়াওঁ। আহক, সকলোৱে অসমীয়া ৱিকিপিডিয়াত লিখোঁ!

## ঈশান কাশ্যপ হাজৰিকা

## দশম শ্ৰেণী,  উত্তৰ লখিমপুৰ

## মে’, ২০১৫



জগৎ সদায় পৰিৱৰ্তনশীল। পৃথিৱী সদায় ধাৱমান পুৰণিৰ পৰা নতুনৰ দিশলৈ- নতুনক স্বীকৃতি দিবই লাগিব। সেই স্বীকৃতিয়েই হয়তো গুহাত ছবি অঁকাক বিকশিত কৰিলে গছৰ ছালত লিখালৈ, গছৰ ছালত লিখাক বিকশিত কৰিলে ছপা কিতাপলৈ, ছপা কিতাপক উন্নীত কৰিলে দূৰদৰ্শনলৈ.... আৰু.... এইবাৰ আমাৰ সন্মুখত আহি ৰৈছেহি আন্তৰ্জাল।

পিছে, আন্তৰ্জালত অসমীয়া ভাষাৰ স্থান ক'ত??

খ্ৰীষ্ট ধৰ্মীয় মিছনাৰীসকলে অসমীয়া ভাষাত ব্যাকৰণ ছপা কৰিলে, বাতৰি কাকত উলিয়ালে, অসমীয়া ভাষাক ছপা মাধ্যমৰ সৈতে চিনাকি কৰালে, কিন্তু এইবাৰো আনলৈ বাট চাই ৰৈ থাকিলে হ'বনে? নে প্ৰয়োজন অসমীয়া মানুহে নিজে আগ বাঢ়ি আহি নিজৰ ভাষাক আন্তৰ্জালত প্ৰতিষ্ঠা কৰাৰ? মই ভাবোঁ, দ্বিতীয় বিকল্পটোৱেই সঠিক।

আন্তৰ্জালত অসমীয়া ভাষাত কিছু ছাইট আছে, ব্লগ আছে, কিন্তু অসমীয়া ৱিকিপিডিয়া ব্যতিক্ৰম! কিয়?

অসমীয়া ৱিকিপিডিয়া এখন গণ বিশ্বকোষ, ই এক মুক্ত বিশ্বকোষ!! অসমীয়া ৱিকিপিডিয়াত সকলোৱে জ্ঞান আহৰণ কৰিব পাৰে, জ্ঞান বিতৰণ কৰিব পাৰে। সেই বাবেই হয়তো আজি মোৰ দৰে এজন সাধাৰণ ছাত্ৰয়ো এখন 'বিশ্বকোষৰ সম্পাদক' বুলি গৌৰৱ অনুভৱ কৰিব পাৰিছোঁ। অৰ্থাৎ অসমীয়া ভাষাক আন্তৰ্জালত প্ৰতিষ্ঠা কৰাৰ..., বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ইচ্ছা অসমৰ ইফালৰ পৰা সিফালৰ যিসকল লোকৰ আছে, তেওঁলোকে নিজৰ ভ্ৰাম্যমান দূৰভাষ, গণক যন্ত্ৰৰ সহায়ত বা ওচৰৰ আন্তৰ্জাল কেন্দ্ৰলৈ গৈ, নিজৰ অৱদান আগ বঢ়াব পাৰে। ৱিকিপিডিয়া কাৰো ব্যক্তিগত ব্লগ বা কেইজনমান লোকৰ ছাইট নহয়, ই ৰাইজৰ সম্পত্তি। মই ৱিকিপিডিয়াক অত্যন্ত ভাল পোৱাৰ ইও এক কাৰণ।

অসমীয়া ৱিকিপিডিয়াত বৰ্তমান ৩০০০তকৈ অধিক প্ৰবন্ধ আছে, বহু ছপা বিশ্বকোষতকৈ ই নিশ্চয় অধিক। কিন্তু আন ভাষাৰ ৱিকিপিডিয়াৰ তুলনাত ই এতিয়াও কম। কাৰণটো আমি নিশ্চয় জানো। বহু মানুহে অসমীয়া ৱিকিপিডিয়াৰ অস্তিত্বৰ কথা নেজানেই! ১ কোটি ৩০ লাখ অসমীয়াভাষীৰ ভিতৰত মাহত কেৱল ৩০ জনমানেহে অসমীয়া ৱিকিপিডিয়াত লিখে! ময়ো অসমীয়া ৱিকিপিডিয়াৰ বিষয়ে বহু দেৰিকৈহে জানিব পাৰিলোঁ।

ৱিকিপিডিয়াৰ সৈতে মোৰ প্ৰথম পৰিচয় হ'ল এক প্ৰকাৰে প্ৰখ্যাত লেখক তৰুণ চন্দ্ৰ পামেগামৰ জড়িয়তে। এদিন মায়ে মোক সুধিলে - "আন্তৰ্জালত তৰুণ পামেগামৰ বিষয়ে চাবাচোন"। মই চাই ক'লোঁ, "বিশেষ একো নাপালোঁ"। মায়ে বাতৰি কাকত এখনত তৰুণ পামেগামৰ বিষয়ে লেখা এটা দেখুৱাই ক'লে, "তুমিয়েই দি দিয়া।" তেতিয়ালৈ মই জানিছিলোঁ যে ৱিকিপিডিয়াত সকলোৱে লিখিব পাৰে, মই লিখিলোঁ। বাতৰি কাকতখনৰ পৰা হুবহু অনুবাদ কৰি মই লিখিলোঁ। মই ৱিকিপিডিয়াত অনুচ্ছেদ যোগ কৰা, আন্তঃৱিকি লিংক যোগ কৰা, উদ্ধৃতি দিয়া আদিৰ বিষয়ে একো নাজানিছিলোঁ। মোৰ প্ৰবন্ধটো দেখিলোঁ, বিলোপ কৰা হ'ল। আচৰিত!! কিন্তু মই চেষ্টা নেৰিলোঁ, কেইবাটাও প্ৰবন্ধ লিখিলোঁ, বিলোপ কৰা হ'ল। এবাৰ বিদ্যালয়ৰ এক প্ৰকল্পৰ বাবে মই ইংৰাজী ৱিকিপিডিয়াত প্ৰখ্যাত গ্ৰীক গণিতজ্ঞ পাইথাগোৰাচৰ বিষয়ে অধ্যয়ন কৰি থাকোতেই দেখিলোঁ যে

'আদ্যাৰ লেংগুৱেজেচ'ত অসমীয়া লিখা আছে। মই টিপি চালোঁ, দেখিলোঁ ৱিকিপিডিয়াৰ দেখোন অসমীয়া সংস্কৰণো আছে! তেতিয়ালৈ ৱিকিপিডিয়াত সম্পাদনা কৰাৰ মূল নিয়ম মই শিকিছিলোঁ, সেয়ে পাইথাগোৰাচৰ বিষয়ে অসমীয়া ৱিকিপিডিয়াত থকা প্ৰবন্ধটো মই বহলালোঁ। আৰু...বাঃ এয়া কি দেখিলোঁ.. মই কৰা সম্পাদনা বিলোপ কৰা নহ'ল!! মই উৎসাহিত হ'লোঁ, আৰু কেইদিনমানৰ পিছৰে পৰা নিজে প্ৰবন্ধ আৰম্ভ কৰিবলৈ ল'লোঁ। দিন বাগৰাৰ লগে লগে মই অসমীয়া ৱিকিপিডিয়াক আৰু ভাল পাবলৈ ল'লোঁ, লগতে অতি মৰমিয়াল অসমীয়া ৱিকিপিডিয়া সমাজখনকো। মোৰ বয়স কম হোৱাৰ পিচতো যে মোক হীন জ্ঞান নকৰি মোক সদায় উৎসাহ যোগালে, সেয়েহে হয়তো আজি মই অসমীয়া ৱিকিপিডিয়াত ইমানখিনি কৰিব পাৰিছোঁ। পিচে তৰুণ পামেগামৰ বিষয়ে প্ৰবন্ধটো মই শেহতীয়াকৈহে লিখিলোঁ।

বৰ্তমান 'অসমীয়াৰ সংজ্ঞা' বিচৰা হৈছে। আমি সকলোৱে অসমীয়া, কিন্তু অসমীয়ানো কোন, আমি নাজানো! অসমীয়া ভাষাৰো যেন তেনে অৱস্থা কেতিয়াও নহওক। আৰু তাৰ বাবে প্ৰয়োজন, অধিক লোকে অসমীয়া ভাষালৈ অৱদান আগবঢ়োৱাৰ- যুগৰ দাবীত, আন্তৰ্জালত! অসমীয়া ৱিকিপিডিয়াত যদিও এতিয়াও সক্ৰিয় সদস্যৰ সংখ্যা কম, মই দেখাত নতুন সদস্য ভৰ্তিৰ হাৰ আগতকৈ দ্ৰুততৰ হৈছে। দেখিছোঁ, অপঞ্জীভূত লোকেও অৱদান আগবঢ়াইছে। এয়া নিশ্চয় অসমীয়া ৱিকিপিডিয়া সমাজৰ মৰমীয়াল প্ৰকৃতিৰ বাবে হৈছে। এই দিশত ৱিকিমেলসমূহৰ গুৰুত্বও আওকাণ কৰিব নোৱাৰি। সকলোৰে চেষ্টাৰ ফলত অসমীয়া ৱিকিপিডিয়াত বৰ্তমান ১১০০০তকৈ অধিক সদস্য আছে।

এই মাহ অসমীয়া ৱিকিপিডিয়াৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ। এই মাহতেই অসমীয়া ৱিকিপিডিয়াৰ প্ৰবন্ধৰ সংখ্যা ৩৩৭০ টালৈ বৃদ্ধি পালে। অসমীয়া ৱিকিপিডিয়াত প্ৰতি মাহে সৃষ্ট প্ৰবন্ধৰ সংখ্যা বৃদ্ধি পোৱাটো অতি সুখৰ বিষয়। কিন্তু এতিয়াও কৰিবলৈ আৰু বহুত আছে। অসমীয়া ৱিকিপিডিয়াই অসমীয়া সমাজত যি আদৰ পাব লাগিছিলে, যি জনপ্ৰিয়তা পাব লাগিছিলে সেয়া এতিয়াও পোৱা নাই। বৰ্তমানৰ কম সংখ্যক সক্ৰিয় সদস্যই সেই বিষয়ে কৰিব পৰাও বিশেষ নাই, তাৰ বাবে লাগিব বৃহৎ পৰ্যায়ৰ কাৰ্যসূচী।

পিছে সীমিত সংখ্যক সদস্যই অসমীয়া ৱিকিপিডিয়াক বৰ্তমানৰ পৰ্যায়লৈ অনা নিশ্চয় সহজ কাম নাছিলে, কিন্তু এই কামত সফল হোৱাৰ বাবে মই সকলোকে অভিনন্দন জনাইছোঁ।

বহু কৰা হ'ল, বহু কৰিবলৈ আছে, কষ্ট আছে, কিন্তু সকলো কষ্ট সহ্য কৰিবলৈ, শক্তি দিবলৈ নিজৰ ভাষাটোৰ প্ৰতি প্ৰেমো আছে! শেষত সকলোকে এয়ে আহ্বান কৰিলোঁ যে সকলোৱে বৰ্তমানলৈকে দেখুওৱা পাৰদৰ্শিতা আৰু যতনেৰেই আগলৈও কাম কৰি যায়, সকলোৰে মনত যেন মাতৃ ভাষাৰ প্ৰতি প্ৰেম কম নহয়, আৰু নিজৰ এই মহৎ গুণেৰে যেন আনকো প্ৰভাৱিত কৰে, অসমীয়া ৱিকিপিডিয়াত লিখিবলৈ যেন আন বহু লোক আগবাঢ়ি আহে। মানুহৰ মনৰ পৰাও যেন নিজৰে মাতৃভাষাক হীন জ্ঞান কৰাৰ মনোভাব আঁতৰে, কোনেও যেন "অসমীয়া ক'বলৈ নেজানো, লিখিবলৈ নেজানো" বুলি 'গৌৰৱ' অনুভৱ নকৰে। আমি অসমীয়া ৱিকিপিডিয়াৰ মাধ্যমেৰে অসমীয়া ভাষাৰ এক আন্তৰ্জাল বিপ্লৱ গঢ়ি তুলিব নোৱাৰোঁনে? আহক, আমি ভাবি চাওঁ, আমাৰো নিশ্চয় কিছু দায়িত্ব আছে, ৱিকি-আসক্তিও আছে, যাৰ বলতে আমি অসমীয়া ৱিকিপিডিয়া গঢ়াত সক্ষম হৈছোঁ।

## দিব্য দত্ত, ডিব্ৰুগড়

## জুন, ২০১৫

“স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গলমন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা”।

এটা জাতিৰ কৃষ্টি, সংস্কৃতি, ঐতিহ্য আদিৰ প্ৰতিফলন ঘটে মাতৃভাষাৰ মাধ্যমত। এখন দেশ তথা এটা জাতিৰ উত্তৰণ তথা সমৃদ্ধি বহু পৰিমানে নিৰ্ভৰ কৰে মাতৃভাষাৰ ওপৰত। মাতৃভাষা হৈছে এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। মাতৃভাষাই জাতিটোক একতাৰ ডোলেৰে বান্ধি, সমন্বয়ৰ

সাঁকো গঠন কৰে। ভৌগোলিক ভাৱে ভাৰতৰ উত্তৰ-পূৱত অৱস্থিত অসমৰ মাতৃভাষা হৈছে অসমীয়া। বিভিন্ন সময়ত, বিভিন্ন কাৰণত অসমলৈ অহা বিভিন্ন প্ৰজাতিৰ লোকৰ ভাষা আৰু ইয়াৰ থলুৱা লোকৰ ভাষাৰ সংমিশ্ৰণত গঢ় লৈ উঠা এটা ভাষা। অতিকৈ চেনেহৰ, অতিকৈ মৰমৰ, অতিকৈ আপোন ভাষা। আমাৰ অসমীয়া ভাষা।



যাৰ সৃষ্টি আৰু ক্ৰমবিকাশৰ আঁৰত আছে এক দীঘলীয়া ইতিহাস। নানান ঘাত-প্ৰতিঘাত, উত্থান-পতন, সংগ্ৰাম-আন্দোলনৰ কণ্টকময় পথ অতিক্ৰমি অসমীয়া আজি এটা সুপ্ৰতিষ্ঠিত ভাষা। আজি অসমীয়া ভাষা ভাৰতৰ এটা অন্যতম ৰাজ্যিক ভাষা। আজিৰ ইণ্টাৰনেট জগততো ই এটা বহু প্ৰচলিত ভাষা।

বৰ্তমান ইণ্টাৰনেটৰ যুগত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কৰা অন্য এক নীৰৱ আন্দোলনৰ নাম অসমীয়া ৱিকিপিডিয়া। ইউনিক'ডৰ বিকাশৰ পাছৰে পৰা ফেচবুককে ধৰি বিভিন্ন সামাজিক মাধ্যমত আজি অসমীয়া ভাষাৰ প্ৰচুৰ প্ৰচলন পৰিলক্ষিত হৈছে। ইণ্টাৰনেটত অসমীয়া ভাষা প্ৰচাৰ আৰু প্ৰসাৰৰ এনে এক বিশাল মঞ্চ হৈছে অসমীয়া ৱিকিপিডিয়া। প্ৰায় ১১,৫৭৯ সংখ্যক সদস্যৰ স্বেচ্ছামূলক বৰঙণিৰ দ্বাৰা লিখিত প্ৰায় ৩,৪৪৪ টা অসমীয়া প্ৰবন্ধেৰে ই এখন মধ্যমীয়া মুক্ত বিশ্বকোষ। ইণ্টাৰনেট জগতত অসমীয়া ভাষাক সমৃদ্ধিশালী কৰাত ইয়াৰ অৱদান বিশেষ ভাৱে উল্লেখনীয়। কেৱল অসমৰে নহয়, বিশ্বৰ ভিন্ন প্ৰান্তৰ কিছু অনা-অসমীয়া ৱিকিপিডিয়ানেও অসমীয়া ৱিকিপিডিয়াত বৰঙণি আগবঢ়ায়। ৱিকিপিডিয়া্ৰ লগতে খোজত খোজ মিলাই অসমীয়া ভাষা প্ৰচাৰৰ অন্য এক সহযাত্ৰী হৈছে ৱিকিউৎস। অসমীয়া ৱিকিপিডিয়াৰেই ভগ্নী প্ৰকল্প ৱিকিউৎসৰ লেখাৰ সংখ্যা হৈছে প্ৰায় ১,২১০ টা।

কিন্তু এয়া যথেষ্ট নহয়। অমানিশাৰ ঘোৰ এন্ধাৰে যেন ক্ৰমশঃ গ্ৰাস কৰিছে অসমীয়া ভাষা্ক। বিতৰ্কৰ শীৰ্ষত আজি অসমীয়া ভাষা। সৰলীকৰণ, মাধ্যমৰ সমস্যা, ভাষাৰ সংকট আদি বিষয় আহিছে। কিছুলোক শংকিত হৈ

পৰিছ ভাষাটোৰ স্থায়িত্বক লৈ। সন্তানক ভাষাটো শিকোৱাৰ ক্ষেত্ৰত অভিভাৱকসকল যেন আগ্ৰহী নহয়। নতুন প্ৰজন্মও যেন আগ্ৰহী নহয় ভাষাটোৰ বিশুদ্ধতাৰ প্ৰতি। তেন্তে উপায় কি?

উপায় নিশ্চয় আছে। আমাৰ ভাষাটোক এই সংকটৰ পৰা আমিয়েই উদ্ধাৰ কৰিব লাগিব। আমি ভাষা প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব কেৱল চৰকাৰৰ কাম, সাহিত্যিক, বুদ্ধিজীৱীৰ কাম বুলি হাত সাৱটি বহি থাকিলে নহ'ব। আমি আমাৰ ভাষাটোক ভাল পাবলৈ আৰু সন্মান কৰিবলৈ শিকিব লাগিব।

আহক আমি অসমীয়া ৱিকিপিডিয়াৰ পৰাই এই নতুন যাত্ৰা আৰম্ভ কৰোঁ। সকলোৱে সগৌৰৱেৰে সমস্বৰে কওঁ,

"সুৱদী সুৰীয়া মোৰ অসমীয়া ভাষা জগতসভালৈ যাব,

উজ্জ্বল, সুউজ্জ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হব।"

## প্ৰভাকৰ শৰ্মা নেওগ

## আগষ্ট, ২০১৫



এটা যুগৰ অন্ত পৰিল। কিন্তু এই যুগসন্ধিত আমাৰ গতি স্তব্ধ নহয়। আমি শোক নকৰোঁ আজি। তেখেতৰ শিক্ষাৰেই শিক্ষিত হৈ আমি উদযাপন কৰিম তেখেতৰ অনন্ত জীৱন। এয়েই হ'ব আজি আমি তেখেতক দিবপৰা একমাত্ৰ উপহাৰ আৰু সৰ্বোচ্চ সন্মান।

তেখেতৰ সাহসকেই সাৰথি কৰি তেখেতে দেখুৱাই যোৱা পথতেই আমি আগবাঢ়ি যাম– এই প্ৰতিজ্ঞাৰে অসমীয়া ৱিকিপিডিয়া পৰিয়ালৰ সমূহ সদস্যৰ তৰফৰপৰা এই অমৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ অৰ্পণ কৰিলোঁ।

(এ পি জে আব্দুল কালাম শ্ৰদ্ধাঞ্জলি সংখ্যাৰ ৱিকিপত্ৰিকাত)

## গীতাৰ্থ বৰদলৈ

## ছেপ্টেম্বৰ, ২০১৫



২০১১ চনৰ জানুৱাৰীত ঘৰত ইণ্টাৰনেট সংযোগ এটা ল'লোঁ। ফে'চবুকত ইটো-সিটো চাই থাকোঁতে নতুনকৈ গঢ় লোৱা "অসমীয়া কথা-বতৰা" গোটৰ যোগেদি ইউনিক'ডত অসমীয়া লিখিবলৈ শিকিলোঁ। কোনোবাই "Assamese wikipedia community" গোটটোতো সুমুৱাই দিলে। তাৰ পাছত এদিন মন কৰিলোঁ যে ইংৰাজী ৱিকিপিডিয়াত গোপীনাথ বৰদলৈৰ বিষয়ে একেবাৰে কম কথা আছে। অসমীয়া কিতাপ এখনৰ পৰাই অনুবাদ কৰি কৰি কিছু তথ্য প্ৰবন্ধটোত যোগ দিলোঁ। ৰাতিলৈ চাওঁতে দেখিলোঁ কোনোবাই 'ৰেফাৰেন্স'ৰ অভাৱ বুলি জাননী এখন লগাই থৈছে। আঁতৰাই দিলোঁ। পাছদিনা আকৌ দেখিলোঁ সেইখন। পুনৰ আঁতৰালোঁ। বুলজিৎ বুঢ়াগোহাঁই দাদাক ৱিকিপিডিয়াত ৰেফাৰেন্স যোগ কৰাৰ কথা জানে নেকি সুধিলোঁ; তেখেতে নাজানো বুলি কৈ অঞ্জল বৰা দাদালৈ ৰেফাৰ কৰি দিলে। অঞ্জল দাদাই প্ৰক্ৰিয়াটো বুজালে, লগতে সুধিলে- "তুমি অসমীয়া ৱিকিপিডিয়াত কিয় নিলিখা। তাত প্ৰবন্ধ আৰু সক্ৰিয় সদস্য তেনেই কম।" শলাগি থ'লোঁ।

দুদিনমান পাছত অসমীয়া ৱিকিপিডিয়া খুলি চালোঁ। ২০০২ চনৰ জুনতে মুকলি কৰা ৱেবছাইটোত প্ৰবন্ধ সংখ্যা প্ৰায় ২৫০টা। তাতো বলঙুৱা আখৰৰ মিশ্ৰণেৰে বাৰেপাচি ভুল। কিছুমান দুশাৰীমানৰ পৃষ্ঠা। কিবা এটা কৰোঁ বুলি "সৌৰভ কুমাৰ চলিহা" বিষয়ে কোনোবা এখন গল্পৰ কিতাপৰ গল্পকাৰ পৰিচিতিৰ পৰা চাই চাই অকণমান লিখিলোঁ। ন-শিকাৰু বাবে যুঁজি যুঁজি অসমীয়া টাইপ কৰোঁতেই বহু সময় লাগিল। সেইদিনা আছিল ২০১১ চনৰ ১১ ফেব্ৰুৱাৰী। তেতিয়াৰ পৰাই অসমীয়া ৱিকিপিডিয়াৰ লগত যুক্ত হ'লোঁ আৰু আজিও সেই সম্পৰ্ক অলপো টুটা নাই বুলি ভাবোঁ। অসমীয়া ৱিকিপিডিয়াৰ অৱস্থা ভাল কৰিবলৈ চিজু এলেক্স নামৰ এজন কেৰালাৰ ব্যক্তি আগবাঢ়ি আহিল। লগত কেইজনমান অসমীয়া e-সেনা। সকলোৱে মিলি আমি বেটুপাত সাজিলোঁ, সাঁচবোৰ ঠিক-ঠাক কৰিলোঁ, ইউজাৰ ইণ্টাৰফে'চৰ গতি লগালোঁ ইত্যাদি। আক-তাক ৱিকিপিডিয়াত লিখিবলৈও শিকালোঁ। লাহে লাহে দুই-এজনকৈ সক্ৰিয় সদস্য বাঢ়ি আহিল, প্ৰবন্ধৰ সংখ্যা-মানৰ উন্নতি হ'ল। ২০১৩ চনৰ ৪ জানুৱাৰীত সকলোৱে লাগি-ভাগি অনলাইন মুক্ত পুথিভঁৰাল অসমীয়া ৱিকিউৎসও মুকলি কৰিলোঁ।

বহুখিনি হোৱা দেখিলোঁ। বহুখিনি হ'বলৈ এতিয়াও বাকী। বহু ভাৰতীয় ভাষাৰ ৱিকিপিডিয়া, ৱিকিউৎসৰ তুলনাত আমি এতিয়াও পিছপৰা। ফে'চবুকত কথাৰ মহলা মৰা মানুহ বহুত, কিবা এটা কৰিবলৈ আগবাঢ়ি অহা মানুহ কম। তথাপিওতো হেঁপাহৰ শেষ নাই। অসমীয়া ৱিকিমিডিয়া প্ৰকল্পবোৰ জাকত জিলিকা হোৱালেই এতিয়া আমাৰ অপেক্ষা।

## ৰাম কিংকৰ মহন্ত

## অক্টোবৰ, ২০১৫

যোৱা ফেব্ৰুৱাৰী মাহৰ শেহৰ ফালৰ এটা দিন। মই তেতিয়া তেজপুৰৰ জি আই এম টি ৰ ছাত্ৰ। শ্ৰেণীত ফাৰুক আজিজ ছাৰ আহি ক'লে অসমীয়া ৱিকিপিডিয়াৰ এটা কৰ্মশালা হ'ব। অসমীয়া ৱিকিপিডিয়াৰ কাম



কৰাৰ কথা বহুত দিনৰ পৰা ভাবি আছিলোঁ, কিন্তু নাজানিছিলোঁ কি দৰে কৰিম, শিকাবলৈও মানুহ নাই।

২৮ ফেব্ৰুৱাৰী,২০১৫। মহাবিদ্যালয়ত অনুষ্ঠিত কৰ্মশালালৈ আগ্ৰহেৰে গ'লোঁ। শ্ৰীযুত বিষ্ণু শইকীয়া ডাঙৰীয়া আৰু শ্ৰীযুত নিতুল বৰা ডাঙৰীয়া আহিল সমল ব্যক্তি হিচাবে। আগ্ৰহবোৰ বাঢ়ি গ'ল। মহাবিদ্যালয়ৰ পৰা গৈ হোষ্টেল পাই ৰ'ব নোৱাৰিলোঁ। অপৰিপক্ক জ্ঞানেৰে আৰম্ভ কৰিলোঁ এটি প্ৰবন্ধ, নকছাৰি। কৰাৰ পাছত নিতুল বৰা ডাঙৰীয়াই শুধৰাই দিলে, শিকাই দিলে কিছুমান কথা। তেনেকৈয়ে আৰম্ভণি। ফে'চবুকৰ নিচা আঁতৰিল, ৱিকিপিডিয়াত নিচা লাগিল। আবেলিৰ কলেজৰ পৰা অহাৰ পাছত শোৱাৰ সময়খিনি লেপটপটো খুলি ৱিকিপিডিয়াৰ কামত লাগোঁ, ৰুমমেটে ভাবে কি হ'ল ইয়াৰ। উধাই-মুধাই যি মনলে আহে তাকে লিখোঁ। ইঞ্জিনিয়াৰিং বিষয়ৰ কিবা কিবিও লিখিব চেষ্টা কৰিলোঁ (অনুবাদ আচলতে)। লগৰখিনিকো আগ্ৰহী কৰিবলৈ চেষ্টা কৰিলোঁ, দুই এজনে লিখিলে। তাৰ মাজতে মাৰ্চ মাহত "প্ৰতিভাবান ন-সম্পাদকৰ পদক" পালোঁ, আৰু আগ্ৰহ বাঢ়িল।

মাজতে পৰীক্ষা আদিৰ কাৰণে কাম কমি গ'ল। তাৰ পিছত আকৌ আৰম্ভ। লগতে আৰু এটা কাম কৰিম বুলি ল'লোঁ, আন দহজনকো ৱিকিপিডিয়ান হিচাপে অনা। দুই এজনক ক'লোঁ, আগ্ৰহ দেখুৱালে। এনেদৰে আগবাঢ়িল এই যুদ্ধ, অসমীয়া ভাষা প্ৰযুক্তিকৰণৰ এই যুদ্ধ। ডাঙৰ সকলে শিকাই গ'ল, কামত আগ্ৰহ বাঢ়ি গ'ল। দিব্য দত্ত দা, মঞ্জিল কোঁৱৰ দা, জলি বা, প্ৰভাকৰ শৰ্মা নেওগ ছাৰ, ফাৰুক ছাৰ আদিয়ে শিকাই গ'ল, অনুপ্ৰেৰণা দিলে, কাম কৰি গ'লোঁ। নিজৰ কামৰ বাবে অসমৰ বাহিৰত থাকিব লগা হ'ল, তথাপি আজৰি পৰত ফে'চবুকৰ সলনি ৱিকিপিডিয়াতহে নিচাটো বাঢ়িল। এই যুঁজ অব্যাহত থাকিল, অন্য এক ভাষা আন্দোলনৰ বাবে।

জয়তু অসমী। জয় আই অসম।

## চন্দন চিৰিং ফুকন

## নৱেম্বৰ, ২০১৫



২০১১ চনৰ শেহৰফালৰ কোনোবা এটা দিন আছিল। ফেচবুকৰ কোনোবা এজন বন্ধুৱে আচামিজ ৱিকিপিডিয়া কমিউনিটী গোটটোত সদস্যভুক্ত কৰাই দিছিল। ইয়াৰ আগলৈকে অসমীয়া ভাষাত ৱিকিপিডিয়া এখন উপলব্ধ হোৱাৰ ভূকে পোৱা নাছিলোঁ। সি যি কি নহওক, উক্ত গোটটোত ৱিকিপিডিয়ানসকলৰ প'ষ্ট, আলোচনাবোৰ পঢ়ি অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাৰ ৱিকিপিডিয়াৰ বহু কথাৰ উমান পোৱাৰ লগতে সততে মাতৃভাষাৰ ৱিকিপিডিয়াৰ ব্যৱহাৰ কৰাটোও সম্ভৱপৰ হ'ল। সেই সময়ত ইণ্টাৰনেটত অসমীয়া ভাষাৰ সমলৰ অৱস্থা বৰ উন্নত বা বৰ্ধিত পৰ্যায় এটাত আছিল বুলি ক'ব নোৱাৰি। গতিকে বৰ্তমানৰ ইংৰাজী মাধ্যম আৰু ডিজিটেলকৰণৰ জয়যাত্ৰাৰ যুগত অসমীয়া ভাষাৰ স্থিতি মুঠেই সন্তোষজনক নাছিল। এমুঠিমান ব্যক্তিগত তথা সমূহীয়া ব্লগ আৰু দুই-এখন ই-আলোচনীৰ বাদে ইণ্টাৰনেটত অসমীয়া ভাষাৰ কোনো সমল নাছিল। অসমীয়াত কথা-বতৰাকে ধৰি ফেচবুকৰ অন্যান্য গোটত বহু লোকে অসমীয়া ভাষাৰ ভৱিষ্যত সম্পৰ্কত শংকা প্ৰদৰ্শন আৰু অন্তহীন আলোচনাত লিপ্ত থকাৰ বিপৰীতে মুষ্টিমেয় কেইজনমান ব্যক্তিয়ে ইণ্টাৰনেটত অসমীয়া ভাষাৰ সমল বৃদ্ধিৰ বাবে প্ৰকৃতাৰ্থত পৰিকল্পিতভাৱে কাম কৰি আছিল। ইয়াৰ ভিতৰত মাথোঁ কেইজনমান লোকেহে ৱিকিপিডিয়াৰ কাৰিকৰী দিশটোৰ লগতে প্ৰৱন্ধ লিখাত অহৰহ অৰিহণা যোগোৱা দেখিছিলোঁ। ভাবিছিলোঁ এই প্ৰকল্পটোৰ সৈতে কেনেবাকৈ জড়িত হৈ সহায় আগবঢ়াব পাৰি নেকি! এইদৰেই ২০১২ চনৰ ১৫ মে'ত অসমীয়া ৱিকিপিডিয়াত যোগদান কৰি (প্ৰথমটো প্ৰবন্ধ ২১ মে'ত) অসমীয়া ভাষাৰ এই সূৰ্যমুখী যাত্ৰাৰ অংশীদাৰ হ'লো। এই বিষয়ত তেজপুৰৰ বিষ্ণু শইকীয়া দাই যিকোনো সময়তে পৰামৰ্শ আৰু সহায় আগবঢ়াই উৎসাহিত কৰিছিল। এই উৎসাহৰে ফলত পিছলৈ ইংৰাজী ৱিকিপিডিয়াতো সৰু-সুৰা সম্পাদনা কৰিবলৈ আৰম্ভ কৰাৰ লগতে

ৱিকিউৎসতো দুই-এটা বৰঙণি আগবঢ়াইছিলোঁ। পৰৱৰ্তী সময়ত এই যাত্ৰাত মাজে সময়ে বিৰাম ল’লেও ৱিকিপিডিয়াৰ প্ৰতি টান আৰু অসমীয়া ভাষাৰ প্ৰতি দায়িত্ববোধ আজিও অলপো কমা নাই। বৰঞ্চ ২০১৪ চনত অসম আভিযান্ত্ৰিক মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৱিকি মীট-আপত অংশগ্ৰহণ কৰি যথেষ্ট সতেজহে অনুভৱ কৰিছোঁ।

এজন ৱিকিপিডিয়ান হিচাপে অৱধাৰিতভাৱে বন্ধু-বান্ধৱকো অসমীয়া ৱিকিপিডিয়াৰ বিষয়ে জনাই আহিছোঁ। এটা কথা উপলব্ধি কৰি দুখ লাগে যে অসমীয়া ভাষাত এখন ৱিকিপিডিয়া থকাৰ কথা এতিয়াও বহুতে নাজানে বা জানিলেও আজিলৈকে ইয়াৰ সদ্‌ব্যৱহাৰ কৰি পোৱা নাই। আনহাতে বহুতে ইয়াক ইংৰাজী ৱিকিপিডিয়াৰ এক অনুকৰণ মাত্ৰ বুলি ভাবে। প্ৰায়বোৰ ব্যৱহাৰকাৰীয়ে কোনো বিষয়ৰ ওপৰত নিৰ্ভৰযোগ্য তথ্য বিচাৰিলে ইংৰাজী ৱিকিপিডিয়াৰ সহায় লয়। কিন্তু অনলাইন বিশ্বকোষখনৰ আঞ্চলিক ভাষাৰ অন্যতম ভাগ হিচাপে অসমীয়া ৱিকিপিডিয়াতো সেই একেখিনি তথ্যই যে মাতৃভাষাত উপলব্ধ। তাৰোপৰি ইংৰাজী বা অন্য ভাষাৰ ৱিকিপিডিয়াত বিতংকৈ তথ্য নোপোৱা অসমৰ বিভিন্ন অঞ্চল, জনগোষ্ঠী, লোক সংস্কৃতি বা ব্যক্তিৰ বিষয়েও সবিশেষ অসমীয়া ভাষাৰ সংস্কৰণত আছে। এই কথাবোৰ সৰ্বসাধাৰণ ব্যৱহাৰকাৰীয়ে উমান পোৱাৰ ব্যৱস্থা কৰিব পাৰিলেহে অসমীয়া ৱিকিপিডিয়াৰ প্ৰকৃত উদ্দেশ্য সফল হ’ব। এইক্ষেত্ৰত ৱিকি মীট-আপসমূহে যথেষ্ট সফলতা লাভ কৰিছে। এইক্ষেত্ৰত ৱিকিপিডিয়ানসকলৰ লগতে অফলাইন সমন্বয়ৰক্ষী যেনে বাতৰি কাকত-আলোচনীৰ সহযোগিতাৰো আৱশ্যক যেন অনুভৱ হয়।

২০১১ চনৰ অসমীয়া ৱিকিপিডিয়াৰ নিশকতীয়া অৱস্থাৰ বিপৰীতে আজিৰ তাৰিখত (৩ নৱেম্বৰ, ২০১৫) অসমীয়া ৱিকিপিডিয়াত প্ৰবন্ধৰ সংখ্যাই ৩,৭৭১ পাইছেগৈ। ৱিকিপিডিয়াৰ ভগ্নী প্ৰকল্প অনলাইন মুক্ত পুথিভঁৰাল ৱিকিউৎসৰ অৱস্থা চকুত লগা নহ’লেও মুষ্টিমেয় কেইজনমান সদস্যৰ অশেষ চেষ্টাৰ বলত ইয়াৰ লেখাৰ সংখ্যা ১,২১৫ হৈছেগৈ। ইয়াত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আদি অসমীয়া অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰীসকলৰ মহা মূল্যৱান লেখাসমূহৰ লগতে গুৰু দুজনাৰ কীৰ্তন ঘোষা আৰু নামঘোষাকো ইতিমধ্যে সন্নিৱিষ্ট কৰা হৈছে। সেইফালৰ পৰা চাবলৈ গ’লে অসমীয়া ৱিকিপিডিয়াৰ ভাল দিন আৰম্ভ হৈছে। এই উন্নতিৰ গতি

খৰতকীয়া কৰি অসমীয়া ভাষা-সংস্কৃতিক সময়োপযোগী ৰূপত নিৰাপদ কৰি ৰাখিবলৈ পৰৱৰ্তী সময়তো আমাক বৰ্তমানৰ কৰ্মোদ্যমৰ প্ৰয়োজন হ'ব।

## দিব্য দত্ত

## জানুৱাৰী, ২০১৬

২০০2 চনৰ ২ জুনত জন্মলাভ কৰা অসমীয়া ৱিকিপিডিয়াই আজি ১৩টা বৰ্ষ গৰকিলে। এই সমগ্ৰ সময়চোৱাত বিভিন্ন স্বেচ্ছাসেৱকৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত বৰ্তমান এই বিশ্বকোষখনি প্ৰায় ৩৯০০টা প্ৰবন্ধৰে সমৃদ্ধ হৈছে। অসমীয়া ৱিকিপিডিয়াতকৈ বহু পিছত জন্ম লাভ কৰা বহুকেইখন ৱিকিপিডিয়াৰ আকাৰ আজি অসমীয়া ৱিকিপিডিয়াতকৈ ডাঙৰ। ইয়াৰ প্ৰধান কাৰণ হৈছে, অসমীয়া ৱিকিপিডিয়াৰ সক্ৰিয় সম্পাদকৰ সংখ্যা নিচেই তাকৰ। এজন ৱিকিপিডিয়ান হিচাপে অসমীয়া ৱিকিপিডিয়া সম্বন্ধে মনত উদয় হোৱা ভাবসমূহৰ ভিতৰত ই হৈছে অন্যতম; কিদৰে ৱিকিপিডিয়ানৰ সংখ্যা বঢ়াব পাৰি!

বছৰ অনুসৰি অসমীয়া ৱিকিপিডিয়াই যদিও ১৩টা বছৰ অতিক্ৰম কৰিলে, তথাপি অসমীয়া সমাজৰ বাবে আজিও ৱিকিপিডিয়া অচিনাকী হৈয়ে আছে। বহুলোকে বিশেষকৈ গ্ৰাম্যাঞ্চলৰ লোকে আজিও ৱিকিপিডিয়া কি গম নেপায়। প্ৰচাৰৰ অভাৱ হৈছে অসমীয়া ৱিকিপিডিয়াৰ প্ৰসাৰহীনতাৰ আন এটা কাৰণ। বিভিন্ন "ৱিকি মেল"সমূহৰ জৰিয়তে প্ৰচাৰ কাৰ্য চলাই থকা হৈছে যদিও, এয়াই হয়তো যথেষ্ট নহয়! বাতৰি কাকত, দূৰদৰ্শন আদিৰ যোগেদিও প্ৰচাৰ কাৰ্য চলাব পৰা হলে হয়তো অধিক সহায়ক হ'লহেঁতেন। ইয়াৰোপৰি গ্ৰাম্যাঞ্চলত প্ৰচাৰৰ নতুন ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত কিছু গুৰুত্ব দিয়া প্ৰয়োজন অনুভূত হয়।

আন এটি মনৰ কথা হৈছে, অসমীয়া ৱিকিপিডিয়াৰ প্ৰবন্ধসমূহৰ সন্দৰ্ভত। ইয়াৰ প্ৰবন্ধবোৰ যথেষ্ট চুটি। অৱশ্য দীঘল প্ৰবন্ধ নথকা নহয়,

আছে, কিন্তু চুটি প্ৰবন্ধৰ সংখ্যাই সৰহ। গতিকে ইয়াৰ প্ৰবন্ধবোৰ দীঘল কৰাৰ ভাব এটাইও মাজে মাজে ভুমুকি মাৰি থাকে।

অসমীয়া ৱিকিপিডিয়াক সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত ছাত্ৰ সমাজে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পাৰে। শিক্ষাৰ্থীসকলে তেওঁলোকৰ পাঠ্যবিষয় সমূহ, যেনে- বিজ্ঞান, গণিত, অৰ্থনীতি, ৰাজনীতি, সাহিত্য আদিৰ বিষয়সমূহ ৱিকিপিডিয়াত লিখিব পাৰে। ই দুই প্ৰকাৰৰ লাভ প্ৰদান কৰিব, প্ৰথমতে শিক্ষাৰ্থীসকলৰ নিজৰ অধ্যয়ন হ'ব লগতে ৱিকিপিডিয়াও জ্ঞানবৰ্ধক লিখনিৰে সমৃদ্ধিশালী হ'ব। 'ফেচবুক'ৰ দৰে সামাজিক ৱেবছাইটত আজিৰ যুৱ-সমাজে যিমান সময় খৰছ কৰে তাৰ আধা সময়ো যদি ৱিকিপিডিয়াত খৰছ কৰে, তেতিয়া তেওঁলোকৰ লগতে সমাজৰো বহু উপকাৰ সাধন কৰা হ'ব বুলি ভাব হয়। সেইবাবে অসমৰ শিক্ষাৰ্থী তথা যুৱ-সমাজক ৱিকিপিডিয়াত বৰঙণি আগবঢ়াবলৈ আহ্বান জনালোঁ।

যিকি নহওক, ইণ্টাৰনেটৰ বহুভাষিতাৰ বিপ্লৱৰ এটা অংশ হিচাপে অসমীয়া ভাষাৰ বিশ্বযাত্ৰাৰ সহযাত্ৰীস্বৰূপ অসমীয়া ৱিকিপিডিয়াৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

## অজয় দাস

## ফেব্ৰুৱাৰী, ২০১৬

২০১২ চনৰ কথা। তেতিয়া মই ডিব্ৰুগড়ৰ জ্ঞান বিজ্ঞান একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ। ৰসায়ন বিজ্ঞানৰ এক প্ৰকল্পৰ বাবে কিছু অতিৰিক্ত তথ্যৰ প্ৰয়োজন অনুভৱ কৰিছিলোঁ। বন্ধু এজনৰ পৰামৰ্শত পোনপ্ৰথম বাৰৰ বাবে দেউতাৰ মোবাইলত ইণ্টাৰনেটৰ সংযোগলৈ ৱিকিপিডিয়াৰ পৃথিৱীখনলৈ প্ৰৱেশ কৰিছিলোঁ। তাৰ আগতে তথ্য সংগ্ৰহ কৰিবলৈ সাধাৰণতে বিভিন্ন কিতাপৰ সহায় লৈছিলোঁ। পিছে বহু ক্ষেত্ৰত এখন কিতাপ বিচাৰি উলিয়াই তথ্য সংগ্ৰহ কৰা কামটো অলপ সময় খৰচী। ৱিকিপিডিয়াত তাতকৈ বহু সহজতে বিভিন্ন নিৰ্ভৰযোগ্য তথ্য অনায়াসে পাব পাৰি। সেয়ে



ৱিকিৰ প্ৰতি সাংঘাতিক ভাবে আসক্ত হৈ পৰিলোঁ। কিন্তু তেতিয়া ঘাইকৈ ইংৰাজী ৱিকিৰ লগত জড়িত আছিলোঁ। অসমীয়া ভাষাৰো ৱিকিপিডিয়া আছে বুলি বহু পলমকৈ ২০১৩ চনৰ শেষৰ ফালে ফেচবুকৰ জনপ্ৰিয় গোট "অসমীয়াত কথা-বতৰা"ৰ পৰা গম পালোঁ। আৰু তেতিয়াৰে পৰা এজন পাঠক হিচাপে অসমীয়া ৱিকিৰ লগত জড়িত হৈ আছোঁ।

পিছে পাঠক হিচাপে অনুভৱ কৰিলোঁ যে বহুতো দৰকাৰী প্ৰবন্ধ অসমীয়া ৱিকিত নাই আৰু ইংৰাজী ৱিকিতো অসম বিষয়ক বহু প্ৰবন্ধ নাই বা থাকিলেও অসম্পূৰ্ণ হৈ আছে। সেয়ে ৱিকিপিডিয়াত সম্পাদনা কৰিবলৈ মনত ইচ্ছা জাগি উঠিছিল। কিন্তু এই বিষয়ে একো জ্ঞান নথকাৰ বাবেই হওক বা আন কিবা কাৰণতে হওক এই বিষয়ে একো কৰিব পৰা নাছিলোঁ।

যি কি নহওক ২০১৫ চনৰ ৭ নবেম্বৰত ৱিকিপিডিয়াত সম্পাদনা কৰিবলৈ একাউণ্ট এটা খুলিলোঁ। সৰু সুৰা কিছুমান সম্পাদনা কৰাৰ পিছত ১১ নবেম্বৰত প্ৰথম "বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়" প্ৰবন্ধটো সৃষ্টি কৰিলোঁ। তাৰ পিছৰে পৰা আজৰি সময় পালে ৱিকিত নতুন প্ৰৱন্ধ লিখা মোৰ হবি হৈ পৰিল! এটা দুটাকৈ এতিয়ালৈকে প্ৰায় ৫৮ টা প্ৰবন্ধ সৃষ্টি কৰিলোঁ আৰু যিমান পাৰোঁ কৰি গৈ থাকিম। মাজে মাজে হোৱা সম্পাদনা মেলা বোৰত অংশগ্ৰহণো কৰিছোঁ। মুঠতে এই তিনি মাহতে ৱিকিপিডিয়াৰ বহুতো নজনা কথা শিকিলোঁ।

বৰ্তমান সময়ত অসমীয়া ভাষাৰ যি সংকটৰ সন্মুখীন হৈছে তাৰ বাবে ইণ্টাৰনেটত অসমীয়া ভাষাৰ ব্যৱহাৰ নিতান্তই প্ৰয়োজনীয়। সেই দৃষ্টিত অসমীয়া ৱিকিপিডিয়াও সমানে গুৰুত্বপূৰ্ণ। নিজৰ মাতৃভাষাত ইণ্টাৰনেটত কিবা পঢ়িবলৈ পোৱা নিশ্চয় এক বুজাব নোৱাৰা অনুভূতি। তদুপৰি ৱিকিত কিবা লিখিলে আত্মসন্তুষ্টি লাভ হয়। ৱিকিপিডিয়া সম্পাদনা কৰিলে নিজৰ জ্ঞান বঢ়াৰ লগতে আন বহুজন পাঠকৰ লাভ হয়।

যিহেতু মই অসমীয়া ৱিকিপিডিয়াত যোগদান কৰা মাত্ৰ তিনি মাহ হৈছে, সেয়ে এতিয়াও বহু কথা শিকিবলৈ আছে। এই চেগতে বিভিন্ন ক্ষেত্ৰত সততে বহুমূলীয়া দিহা-পৰামৰ্শ দিয়া দিব্য দা আৰু গীতাৰ্থ দাক ধন্যবাদ জনালোঁ লগতে ৱিকিৰ আন অভিজ্ঞ সদস্য সকলো ধন্যবাদৰ পাত্ৰ। অসমীয়া ৱিকিপিডিয়া পৰিয়ালৰ এজন সদস্য হিচাপে গৌৰৱ অনুভৱ কৰোঁ।

শেষত অসমীয়া ৱিকিপিডিয়াৰ উত্তৰোত্তৰ কামনাৰে...

"চিৰ চেনেহী মোৰ ভাষা জননী" "

জয় আই অসম।"

## নিতুল বৰা

## এপ্ৰিল, ২০১৬



সেয়া আছিল ২০১২ চনৰ মাজ ভাগৰ কথা, নতুনকৈ ফেচবুকৰ এটা একাউণ্ট সৃষ্টি কৰি একো আওভাও নাপাই আনৰ পোষ্টবোৰ খুচৰি খুচৰি পঢ়িবলৈ ধৰিছোঁ। তাৰ মাজতে কেতিয়াবা অসমীয়াত লিখা কিবা পোষ্ট পালেই হেঁপাহ পলুৱাই আগৰ পৰা গুৰিলৈকে পঢ়িছিলোঁ। তেনেকৈয়ে দিন বাগৰাৰ অন্তত এদিন জ্যোতি প্ৰকাশ নাথৰ লগত বন্ধুত্বৰ সম্পৰ্ক স্থাপন হৈছিল আৰু পিছলৈ সেই বন্ধুত্বৰ চিনস্বৰূপেই তেওঁ ইণ্টাৰনেটত কেনেকৈ অসমীয়া লিখিব পাৰি মোক শিকাই দিছিল। সেয়াই আছিল মোৰ বাবে জীৱনৰ একমাত্ৰ অমূল্য উপহাৰ। এই চেগতে জ্যোতি প্ৰকাশক অলেখ ধন্যবাদ জনাইছোঁ। তাৰ পিছত সময়খিনিত নিজৰ ফেচবুকৰ পৃষ্ঠাত এটাৰ পিছত এটাকৈ

অসমীয়াতে লিখি পোষ্ট দিবলৈ আৰম্ভ কৰিছিলোঁ, বহুতৰে উৎসাহ ভৰা মন্তব্যই মন ভৰাই তুলিছিল। পিছলৈ জ্যোতি প্ৰকাশৰ অনুৰোধ মৰ্মেই "অসমীয়াত কথা-বতৰা" গোটৰ সদস্য হৈ পৰিছিলোঁগৈ। সেয়াও এক অধ্যায় বুলিলে ভুল কোৱা নহব নিশ্চয়। কেতিয়াও নেদেখা কেতিয়াও চিনি নোপোৱা ভিন্ন বয়সৰ বিভিন্ন অভিজ্ঞ ব্যক্তিৰ সান্নিধ্য লাভৰ সৌভাগ্য লাভিছিলোঁ। পিছলৈ সকলোকে সামৰি একোটা পৰিয়ালৰ লেখীয়া হৈ পৰিছিলোঁ।

এদিন দুদিনকৈ বন্ধুত্বৰ পৰিসৰ বহল হৈছিলগৈ, তেনেকুৱা এটি শুভক্ষণতে চিনাকি হৈছিলোঁ তেজপুৰীয়া ডেকা ৱিকিপিডিয়ান শ্ৰীবিষ্ণু শইকীয়াৰ লগত। তেৱেঁই মোক অসমীয়া ৱিকিপিডিয়াৰ কথা প্ৰথমে অৱগত কৰাইছিল। তাৰ আগলৈকে যে ইণ্টাৰনেটত অসমীয়া ভাষাৰ কিবা আছে বুলি কল্পনাই কৰা নাছিলোঁ। অসম আৰু অসমীয়াৰ প্ৰতি থকা হেঁপাহৰ বাবেই বিষ্ণু শইকীয়াৰ সেইসময়ৰ কথাবোৰে মোক আকৰ্ষিত কৰিব পাৰিছিল আৰু তাৰেই ফলস্বৰূপে ২০১২ চনৰ জুন মাহৰ কোনোবা এটা তাৰিখত বিষ্ণু শইকীয়াৰ পৰামৰ্শ মতে অসমীয়া ৱিকিপিডিয়াত এটি একাউণ্ট সৃষ্টি কৰিবলৈ সক্ষম হৈছিলোঁ। প্ৰথম অৱস্থাত ৱিকিপিডিয়াত লিখিবলৈ যথেষ্ট ভয় আৰু শঙ্কাবোধে আগুৰি ধৰিছিল যদিও যিকোনো সময়ত শ্ৰী শইকীয়াৰ লগত ৱিকিপিডিয়াৰ তলা-নলাৰ বিষয়ে কৰা আলোচনাই সেই ভয় ভাৱ দূৰ কৰিবলৈ সক্ষম হৈছিল।

১০ জুন ২০১২ চনত কটন কলেজ চুডমাৰ্চন হলত ৱিকিপিডিয়াৰ এখন সন্মিলনত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ পাইছিলোঁ আৰু তাতেই অসমীয়া ৱিকিপিডিয়া ধ্ৰুৱতৰা সদৃশ অভিজ্ঞ ৱিকিপিডিয়ান বিষ্ণু শইকীয়া, গীতাৰ্থ বৰদলৈ, জ্যোতি প্ৰকাশ নাথ, বনজীৎ পাঠক, উদ্দীপ তালুকদাৰৰ দৰে ব্যক্তিক লগ পোৱাৰ সৌভাগ্য লভিছিলোঁ। সেইসকলৰ পৰামৰ্শ শিৰোগত কৰি পিছৰ সময়ছোৱাত বেণুধৰ ৰাজখোৱা, চন্দ্ৰশেখৰ ভেঙ্কটৰমন, পুৰুষোত্তম দাস টেণ্ডন, ৰাজেন্দ্ৰ প্ৰসাদ, নেলছন মেণ্ডেলা, ৰাজীৱ গান্ধী, মোৰাৰাজী দেশাই আদি ভাৰত ৰত্ন বঁটা পোৱা বিভিন্ন ব্যক্তিসকলৰ বিষয়ে লিখা পৃষ্ঠাৰে ৱিকিপিডিয়াত লিখিবলৈ বা সম্পাদনা কৰিবলৈ আৰম্ভ কৰিছিলোঁ। কেতিয়াবা কিবা খোকোজা লাগিলে সময় অসময় নাই বিষ্ণু শইকীয়াৰ লগত ফোনযোগেই হওক বা মেইলেই হওক বা ফেচবুকৰ জৰিয়তেই হওক যোগাযোগ অব্যহত ৰাখিছিলোঁ আৰু বিষ্ণু শইকীয়াও

যেতিয়াই যেনেকৈ পাৰে তেতিয়াই সহায়ৰ হাত আগবঢ়াবলৈ চেষ্টা কৰি আহিছে। ইয়াৰ পিছত ২০১৫ চনৰ শেষৰ ফালে গিৰিজানন্দ ইন্‌ষ্টিটিউট অৱ মেনেজমেণ্ট, তেজপুৰত অনুষ্ঠিত হোৱা আন এখন ৱিকিপিডিয়াৰ কৰ্মশালাত বিষ্ণু শইকীয়াৰ লগত একেলগে যোগদান কৰাৰ সৌভাগ্য হৈছিল। উক্ত কৰ্মশালাতেই বলিষ্ঠ ৱিকিপিডিয়ান ফাৰুক আজিজ, ৰামকিংকৰ মহন্তৰও সান্নিধ্য লাভিছিলোঁ।

লাহে লাহে ৱিকিপিডিয়াৰ কাৰিকৰী কৌশলবোৰ এটাৰ পিছত এটাকৈ প্ৰয়োগ কৰিব পৰা হলোগৈ, দিন বাগৰাৰ লগে লগে দেখিলোঁ ৱিকিপিডিয়াৰ সদস্যৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে। তেনে এটি সময়তেই শ্ৰীবিষ্ণু শইকীয়াৰ পৰাই জানিব পাৰিলোঁ যে ৱিকিপিডিয়াৰ ভগ্নী প্ৰকল্প "ৱিকিউৎস" বুলিও এটি প্ৰকল্প আছে, যিটো সেইসময়লৈকে ইনকিউবেটৰতে পৰি আছে। পিছে এই ইনকিউবেটৰ কি বস্তু, খাই নে পিন্ধে সেইটো সেইমুহূৰ্তলৈকে মই বুজিবই পৰা নাছিলোঁ, জীৱনত কেতিয়াও নুশুনা শব্দ কিছুমান প্ৰথম শুনিছোঁ, সেয়ে বিষ্ণু শইকীয়াক প্ৰথমে সুধিবলৈ অলপ লাজ সংকোচে ধৰিছিল যে এইটো মানে কি? বিষ্ণু শইকীয়াই কথাটো বুজাই দিলে যে সেইটো প্ৰকল্পত অসমীয়া সমলৰ অৱদান তেনেই নগণ্য বাবে সেইখন মুকলি কৰিব পৰা নাই। যদিহে নিয়মিতভাৱে আমাৰ কিছু সংখ্যক ৱিকিপিডিয়ানে ৱিকিউৎসতো উপযুক্ত অৱদান আগবঢ়াব পাৰে তেনেহলে সেইখন উদ্ধাৰ কৰিব পৰা যাব আৰু তাৰ বাবে লাগিব অধিক অসমীয়া সমলৰ সংযোগ। কথাটো জানিব পাৰি মনত অলপ দুখ লাগিল যে অসমীয়াৰ হেমাহিৰ বাবে বা অজ্ঞতাৰ বাবেই ৱিকিউৎসৰ সেই অৱস্থা হৈছে। সেয়ে মই সেইমুহূৰ্ততেই বিষ্ণু শইকীয়াক কলোঁ যে মই ৱিকিউৎসৰ কামত হাত উজান দিম আৰু চেষ্টা কৰিম সেই অসমীয়াৰ সম্পদটি সংকটৰ পৰা উদ্ধাৰ কৰিবলৈ। কাৰণ ৱিকিপিডিয়া প্ৰকল্পটোত সম্পদনা কৰিব পৰাকৈ বহু কেইজন সম্পাদক মজুত আছে, কিন্তু ৱিকিউৎসত তেনে কোনো মানুহ নোহোৱাৰ লেখীয়াই। সেয়ে তেতিয়াৰে পৰা মই একক ভাৱেই একেলেথাৰিয়ে ৱিকিউৎসৰ কামত হাত উজান দিবলৈ উঠি-পৰি লাগিছিলোঁ। বাকী অভিজ্ঞ ৱিকিপিডিয়ান সকলে অংগসজ্জাৰ কামবোৰ কৰি দিছিল আৰু এটা সময়ত সেইখন ইনকিউবেটৰৰ পৰা উদ্ধাৰ কৰিবলৈ সমক্ষ হৈছিলোঁ। সেয়া আছিল আমাৰ বাবে এক বৃহৎ সাফল্য। মিৰি-জীয়ৰী, প্ৰহ্লাদ চৰিত্ৰ, শ্ৰীৰামবিজয় নাট, হৰগৌৰীৰ বিবাহ, খোৱা-খুবী পুথি, গু-কৰতি বা বিষ জাৰা

মন্ত্ৰ, ভক্তি ৰত্নাৱলী, বৰ-কৰতি ৰাম-নৱমী, হৰিচন্দ্ৰ উপাখ্যান, শঙ্কৰ-মাধৱৰ বৰগীত, শিশুলীলা, চোৰধৰা- পিম্পৰা গুচোৱা, গুণমালা, উদ্ধৱ-সংবাদ, অজামিল উপাখ্যান, কালিয়া দমন, পাৰিজাত হৰণ, স্যমন্তক হৰণ নাট, ৰুক্মিণীহৰণ নাট, কংসবধ নাট, লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যকৰ্ম আৰু বিভিন্ন পাঁচালি, একাংক নাটককে আদি কৰি বিভিন্ন অৱদানেৰে বৰ্তমান ৱিকি-উৎসৰ পৃষ্ঠা ১৫৭ টা পৰা ১২২০ টালৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছোহঁক।

ৱিকিপিডিয়া বা ৱিকিউৎসত কাম কৰা দেখি বহুতেই মোক প্ৰায়ে প্ৰশ্ন কৰিছিল, যে ৱিকিপিডিয়াত কাম কৰিলে অৰ্থাৎ লিখিলে কিবা মাননি পোৱা যায় নেকি? এই প্ৰশ্নটোৰ মুখামুখি বহুবাৰ হৈছিলোঁ, যদিও সকলোকে কথাটো বুজাই কৈছিলোঁ যে জীৱনত কিছুমান এনে কাম কৰা হয় যাক মূল্যৰে জুখিব নোৱাৰি। অসম আৰু অসমীয়াক প্ৰকৃততে যদিহে ভাল পোৱা যায়, তেনেহলে নিজৰ গাঁঠিৰ ধন ভাঙি হলেও কাম কৰাত মাদকতা আছে। মোৰো তেনে অনুভৱ হয়। মই এটা কথাই বুজিছিলোঁ, জীৱনত আন একো কৰিব নোৱাৰিলেও অসম আৰু অসমীয়াৰ বাবে নীৰৱে কিবা কৰাৰ এয়াই মোৰ বাবে সোণালী সুযোগ, এই সুযোগ হেৰুৱাবলৈ মই নিবিচাৰোঁ। তাৰ উপৰি ভাল লাগিছিল এইটো ভাবি যে মই মোৰ জীৱনত যিবোৰ পৃষ্ঠা ৱিকিপিডিয়াত বা ৱিকিউৎসত সৃষ্টি কৰি থৈ যাম সেইবোৰৰ ইতিহাস যুগযুগান্তৰলৈ মোৰ নামতেই ৱিকি প্ৰকল্পত খোদিত হৈ থাকিব। আমি এনেকৈ সৃষ্টি কৰা পৃষ্ঠাবোৰে আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে সদায় সহায়ক হৈ পৰিব। আজি এই কথা বহুতেই উপলব্ধি কৰিব পৰা নাই যদিও, অনাগত দিনত এই কথা নিশ্চয় স্বীকাৰ কৰিবই লাগিব। এই কথাটোৱেই মোক বহুত প্ৰেৰণা দি আহিছে। এনেকৈয়ে মই ৱিকিপিডিয়াৰ পৰিয়ালৰ এজন হৈ গৌৰৱ অনুভৱ কৰোঁ। অনাগত দিনত ৰাইজৰ সহায় সহযোগ, মৰম চেনেহৰ মাজেৰে পাৰোঁ মানে ৱিকিপিডিয়ালৈ বৰঙণি আগবঢ়াই যাবলৈ মন ডাঠ কৰি ৰাখিছোঁ। শেষত ৱিকিপিডিয়া আৰু ৱিকিউৎসৰ সফলতা কামনা কৰিলোঁ।

## চন্দন চিৰিং ফুকন

## মে’, ২০১৬

বিগত দিনবোৰৰ পাত লুটিয়ালে আমি দেখা পাওঁ যে ২০১২ চনত অসমীয়া ৱিকিপিডিয়াৰ প্ৰবন্ধ সংখ্যাই ১০০০ চুইছিল। ২০১৫ চনৰ জানুৱাৰী মাহত প্ৰবন্ধৰ সংখ্যা ৩০০৬ লৈ বৃদ্ধি পোৱাত আমি আন এক মাইলৰ খুঁটিত উপনীত হৈছিলোঁ। যোৱা বছৰটো ৩,৮৫০ টা প্ৰবন্ধৰে সামৰাৰ পিছত অসমীয়া ৱিকিপিডিয়া পৰিয়ালৰ সদস্যসমূহৰ অশেষ যত্নৰ ফলত এই মাহত ৱিকিপিডিয়াখনৰ প্ৰবন্ধৰ সংখ্যা ৪০৪৪ পাইছেগৈ। ৱিকিপিডিয়াৰ পৰিসংখ্যা মতে আজিৰ তাৰিখত (২ জুন, ২০১৬) অসমীয়া ৱিকিপিডিয়াৰ মুঠ পঞ্জীভুক্ত সদস্য ১৩,৯৯৪ গৰাকী হোৱাৰ বিপৰীতে সক্ৰিয় সদস্যৰ সংখ্যা ৪১। সেইদৰে ৱিকিউৎসতো লেখাৰ সংখ্যা বৃদ্ধি পায়েই আছে। মাজে-সময়ে মন্থৰ হৈ পৰিলেও এই পৰিসংখ্যাটো আমি এককভাৱে চাই টপৰাই ক’ব পাৰোঁ যে অসমীয়া ৱিকিপিডিয়াই ধাৰাবাহিকভাৱে বিকাশ লাভ কৰি আছে। কিন্তু অসমীয়াৰ বহু পিছত ৱিকিপিডিয়াত অন্তৰ্ভুক্ত হোৱা ভাৰতীয় ভাষা যেনে হিন্দী, বাংলা, তামিল, তেলগু, মাৰাঠী, ভোজপুৰী, সংস্কৃত আদিৰ তুলনাত অসমীয়া ভাষাৰ প্ৰবন্ধ আৰু ব্যৱহাৰকাৰীৰ সংখ্যা এতিয়াও বহু কম। সেই হিচাপত আমি এতিয়াও বহু পিচ পৰি থকাৰ লগতে ৱিকিপিডিয়া ব্যৱহাৰকাৰীৰ কাষ চপাৰ ক্ষেত্ৰত শেহতীয়াকৈ বিশেষ উল্লেখযোগ্য সফলতা লাভ কৰিব পৰা নাই।

সক্ৰিয় সদস্যৰ বৃদ্ধিৰ লগে লগে প্ৰবন্ধৰ সংখ্যা বাঢ়িছে। কিন্তু চাৰি-পাঁচটা শাৰী বা এটা দফাৰ প্ৰবন্ধৰ লগতে তথ্যসূত্ৰবিহীন প্ৰবন্ধ নিতৌ যোগ হৈয়েই আছে। এনে প্ৰবন্ধই ৱিকিপিডিয়াৰ গুণগত মান আৰু আৰু নিৰ্ভৰযোগ্যতা হ্ৰাস কৰে। দ্বিতীয়তে, ইংৰাজী বা আন ভাষাৰ পৰা অনুবাদ কৰা প্ৰবন্ধসমূহত সততে দেখিবলৈ পোৱা পৰিভাষিক আৰু বাক্য গাঁথনিৰ বিসংগতিয়ে ব্যৱহাৰকাৰী এজনক প্ৰায়ে নিৰুৎসাহ কৰাৰ থল থাকে। গতিকে অসমীয়া ৱিকিপিডিয়াক ৰাইজৰ কাষ চপাই নিবলৈ হ’লে এই দুয়োটা কাৰককে আঁতৰ কৰাত আমি সকলোৱে গুৰুত্ব আৰোপ কৰিব লাগিব আৰু তেতিয়াহে ৱিকিপিডিয়াৰ যোগেদি অসমীয়া ভাষাৰ সংৰক্ষণ তথা সংবৰ্ধনৰ প্ৰচেষ্টাই সফল ৰূপ পাব।

অসমীয়া ৱিকিপিডিয়াৰ সমূহ সদস্য আৰু ব্যৱহাৰকাৰীকে আন্তৰিক ওলগ আৰু অভিনন্দন জনালোঁ।

## ঈশান কাশ্যপ হাজৰিকা

## ছেপ্টেম্বৰ, ২০১৬

"...অসমীয়া ভাষা জগত-সভালৈ যাব ,

উজ্জ্বল সুজ্জ্বল কহিনুৰ পিন্ধি

হাঁহি জ্যোতিৰূপা হ'ব ।"

– জ্যোতি প্ৰসাদ আগৰৱালা

জ্যোতিপ্ৰসাদ আগৰৱালাই কিমান আগ্ৰেহেৰে এই কথা লিখিছিল, নহয় নে? আজিৰ যুগেই বিশ্বায়নৰ যুগ। আজি কোনো বিষয়েই কোনো এক বিশেষ স্থানত সীমাবদ্ধ হৈ থকা নাই। বিশ্বৰ এমূৰৰ সমস্যাই সমস্যাত পেলাইছে বিশ্বৰ আনটো মূৰৰ লোকক। ঠিক তেনেদৰে বিশ্বৰ কোনো ঠাইৰ ভাল খবৰে পুলকিত কৰিছে ভাল ভাল পোৱা বিশ্বৰ সকলো মানুহকে। সংস্কৃতি আজি কোনো ঠাইৰ নিজা সম্পদ নহয়, বিশ্ব সংস্কৃতিৰ এক অংগ। ভাষা? ভাষাৰ কথাও একেই বুলি ক'ব পাৰি। বিশ্ব ভাষা হিচাপে ইংৰাজীৰ গুৰুত্ব হ্ৰাস পাবলৈ ধৰিছে, ভিন ভিন ভাষাই বিশ্বব্যাপী কথনকাৰী সন্ধানিছে। নিজৰ বৈশিষ্ট্য, নিজৰ চিন বিশ্বত অংকিত কৰিবলৈ যত্নপৰ হৈছে।

অসমীয়া ভাষায়ো তেনে প্ৰচেষ্টা হাতত নোলোৱা নহয়। কিন্তু কিমান দূৰ সফল হৈছে, সেয়া চিন্তাৰ বিষয়।

আজিৰ যুগত বিশ্বত প্ৰভাৱ বিস্তাৰৰ সহজ মাধ্যম হৈ পৰিছে আন্তৰ্জাল। যোগ্যই নিজক বিশ্বত জিলিকোৱাটো জিলিকাইছেই, আনকি সন্ত্ৰাসবাদৰ দৰে কাৰ্য-কালাপো আন্তৰ্জালৰ মাধ্যমেৰে সমগ্ৰ বিশ্বতেই বিয়পি

পৰিছে! এনে ক্ষেত্ৰত অসমীয়া ভাষা-সংস্কৃতিক যে বিশ্ব দৰবাৰলৈ লৈ যাবলৈ আন্তৰ্জাল এক উৎকৃষ্ট মাধ্যম, তাত কোনো দ্বিমত থাকিব নালাগে। এই কথা অসমীয়াই উপলব্ধিও কৰিছে, আৰু তাৰ পৰিণতিৰ অংশ স্বৰূপেই মই আজি এই অসমীয়া ৱিকিপিডিয়াত লিখিবলৈ এখন মঞ্চ পাইছোঁ। আন আন ৱেবছাইটো আছে, কিছুমান ব্যৱসায়িক, কিছুমান অ-ব্যৱসায়ীক। অসমীয়া ভাষাৰ অস্তিত্ব আন্তৰ্জালত বৃদ্ধি পাইছে। কিন্তু কিমান?

সেই কথা পাছত পাতিম। অসমীয়া ভাষা জগত সভাত কিমান দূৰ স্থাপিত হৈছে, সেয়া এক চৰ্চাৰ বিষয়, কিন্তু সেই চৰ্চাৰ পূৰ্বেই 'জগত'ৰ সীমা চেৰাই গৈ, পৃথিৱীৰ বাহিৰলৈ, অৰ্থাৎ সৌৰ-জগত সভালৈ অসমীয়া ভাষাক প্ৰেৰণ কৰাৰ সুযোগ আহি পৰিছে!! আৰু সেয়াও আন কোনো মাধ্যমৰ জড়িয়তে নহয়, স্বয়ং এই অসমীয়া ৱিকিপিডিয়াৰ জৰিয়তেই!

প্ৰকল্পটোৰ নাম 'ৱিকিপিডিয়া টু দ্য মুন', অসমীয়াত ক'বলৈ গ'লে 'ৱিকিপিডিয়া চন্দ্ৰলৈ'। কিনো, এই ৱিকিপিডিয়া চন্দ্ৰলৈ?

ৱিকিপিডিয়া বিশ্বৰ সৰ্ববৃহৎ বিশ্বকোষ– পৃথিৱীৰ সকলো জ্ঞানৰ এক প্ৰতীক চিহ্ন বুলি ক'লেও হয়টো কোনোৱেও বেয়া নাপায়। তদুপৰি, ই অ-ব্যৱসায়িক। ই জ্ঞানৰ বেপাৰ নকৰে, বিলায়। ৱিকিপিডিয়াৰ সমল, সদায় পাব্লিক ড'মেইনত। ৱিকিপিডিয়াই যে বিশ্বৰ অনেক দুখীয়া শিক্ষাৰ্থীক সহায় কৰিছে, সেয়া সহজবোধ্য। ই সহায় কৰিছে আন বহুতকো, যিয়ে নিজৰ অধ্যয়নৰ বাবে ৱিকিপিডিয়া ব্যৱহাৰ কৰে। তাৰেই এটি গোট, জাৰ্মানীৰ 'পাৰ্ট টাইম চাইণ্টিষ্টছ', যাৰ কৃতজ্ঞতাৰ স্বৰূপ এই প্ৰকল্প।

আঁচনিখন হ'ল এনে–

পাৰ্ট টাইম চাইণ্টিষ্টছে চন্দ্ৰলৈ এখন ৰ'ভাৰ প্ৰেৰণ কৰিব। সেই ৰ'ভাৰত আন আন বস্তুৰ লগতে থাকিব এখন ডিস্ক– আকাৰ ২০ জি বি। এই ডিস্কতেই যাব ৱিকিপিডিয়াৰ বিশেষ কিছু প্ৰবন্ধ। ৱিকিপিডিয়াৰ মানে, প্ৰায় ৩০০ ভিন ভিন ভাষাৰ প্ৰবন্ধ! পিচে, ৱিকিপিডিয়াৰ ৩ কোটি ৯০ লাখ প্ৰবন্ধৰপৰা, প্ৰেৰণ কৰিবলগীয়া প্ৰবন্ধ কেনেকৈ চয়ন কৰা হ'ব? হৈছিল, এই বিষয়েও দীঘলীয়া আলোচনা কৰা হৈছিল। নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল (ময়ো ভোটদান কৰিছিলোঁ)। আৰু সিদ্ধান্ত গ্ৰহণ কৰা হ'ল যে সকলো ভাষাৰ ৱিকিপিডিয়াৰে

সকলো নিৰ্বাচিত প্ৰবন্ধ আৰু তালিকা (ফিচাৰ্ড আৰ্টিকলছ এণ্ড লিষ্টছ) প্ৰেৰণ কৰা হ'ব। অসমীয়া ৱিকিপিডিয়াৰো সকলো বৈশিষ্টপূৰ্ণ সমল প্ৰেৰণ কৰা হ'ব।

পিচে অসমীয়া ভাষাৰ প্ৰবন্ধ কেইটা যাব? ৮টা। আনহাতে, ১১টা বাংলা, ৮টা গুজৰাটী, ৩৩টা হিন্দী, ১৭টা মৈথিলী, ৪৭টা নেপালী প্ৰবন্ধ আদি প্ৰেৰণ কৰা হ'ব। কেইটা প্ৰেৰণ কৰিব পাৰি? যিমান প্ৰবন্ধ উন্নীত কৰি নিৰ্বাচিত প্ৰবন্ধৰ স্তৰলৈ আনিব পাৰি সিমান! ৪৮১৭টা ইংৰাজী, ১৫৩২টা ফৰাচী, ২৪৪২টা জাৰ্মান প্ৰবন্ধ প্ৰেৰণ কৰা হ'ব।

প্ৰশ্নটো হ'ল, আমি ৩ কোটি ২০ লাখ অসমীয়াই ৮টাহে প্ৰবন্ধ প্ৰেৰণ কৰিম নে? যেতিয়া তাতকৈ শ শ গুণ অধিক প্ৰবন্ধ প্ৰেৰণ কৰাৰ সুযোগ আহি পৰিছে?

হয়, সকলোৰে সেই কথাই হয়টো মনলৈ আহিছে। বৃহৎ সংখ্যক প্ৰবন্ধ প্ৰেৰণ কৰিবলৈ হয়টো মনো গৈছে। কিন্তু যদি সকলোৰে এতিয়া এইখিনি পঢ়ি তেনে কৰিবলৈ মন গৈছেই, কেৱল ৮ টাহে প্ৰবন্ধ এতিয়ালৈকে উন্নীত হৈছে কিয়? কথাটো হ'ল, আমাৰ কৰ্মীৰ সংখ্যা কম, কম মানে, অতিকৈ কম! অনেকে ৱিকিপিডিয়াৰ কথা নাজানেই, অনেকে জানিলেও এই কথা নাজানে যে অসমীয়া ৱিকিপিডিয়াত নিজেই প্ৰবন্ধ লিখিব পাৰি!

পিছে, সেই বুলি বহি থাকিলে হ'ব জানো? কৰ্মী নাই যদি কৰ্মী গোটাব নোৱাৰোঁ জানো? নোৱাৰিলেও, চেষ্টাটো কৰিব পৰা যাব! এতিয়াতো মানুহক ক'বলৈ এটি আমোদজনক কাৰণো ওলাইছে– অসমীয়া ৱিকিপিডিয়াত লিখক! ভালকৈ লিখিলে আপোনাৰ প্ৰবন্ধ ৰ'ভাৰত উঠাই চন্দ্ৰলৈ প্ৰেৰণ কৰা হ'ব! যি কি নহওক, আহক আমি লাগি থকা ৱিকিপিডিয়ানকেইজনে মিলি মেলিয়েই অন্ততঃ ২০টা প্ৰবন্ধ প্ৰেৰণ কৰিবলৈ যত্ন কৰোঁ। প্ৰবন্ধৰ মান উন্নীত কৰোঁ।

সময় মাথোঁ ৩০ অক্টোবৰলৈ।

আহক, সকলোৱে কাম আৰম্ভ কৰোঁ, অসমীয়া ভাষা সৌৰ-জগৎ সভালৈ যাবলৈ ওলাইছেই যেতিয়া, অলপ সুন্দৰ হৈ, কহিনুৰ নহ'লেও, কিবা এটাটো পিন্ধি যাওক!

# দ্বিতীয় ভাগ (২০১৯-২০)

## গীতাৰ্থ বৰদলৈ

## জানুৱাৰী, ২০১৯

নমস্কাৰ সতীৰ্থবৃন্দ। বহুদিনৰ বিৰতিৰ পাছত সকলোৱে মিলি আমাৰ বাৰ্তাপখিলী পুনৰাই আৰম্ভ কৰাত নথৈ আনন্দিত হৈছোঁ। এই পৃষ্ঠাৰ নামৰ ৱিকিপিডিয়া প্ৰচাৰপ্ৰত্ৰিকা যদিও ইয়াত অসমীয়া ৱিকিমিডিয়া প্ৰকল্পৰ সকলোবোৰ দিশেই সামৰি লোৱা হয়। ৱিকিউৎসৰ বাবেও আমি এই পৃষ্ঠাতে আমাৰ অগ্ৰগতি আৰু কৰিবলগীয়াখিনি লিপিবদ্ধ কৰিম।

যোৱা মাহত CIS-A2K ৰ উদ্যোগত কলকাতাত অনুষ্ঠিত ভাৰতীয় ৱিকিউৎসসমূহৰ এখন সভাত অংশগ্ৰহণ কৰিছিলোঁ। আন ভাষাৰ ৱিকিমিডিয়ানসকলৰ লগত বাৰ্তালাপ কৰি যথেষ্ট অনুপ্ৰেৰণা লাভ কৰিলেও পৰিসংখ্যাৰ ফালৰ পৰা আমাৰ দীনতা চকুত নপৰাকৈ নাথাকিল। আৰু কেইবামাহৰ কামৰ বাবে আমাৰ হাতত সমল আছে কিন্তু প্ৰুফৰিডিঙকে ধৰি আন কামবোৰ আগুৱাই নিবলৈ আমাৰ স্বেচ্ছসেৱকৰ সংখ্যা দুখলগাকৈ কম। অসমীয়া ৱিকিপিডিয়া প্ৰকল্পৰ গতি দুৰ্বাৰ নহ'লেও স্থৱিৰ নহয়। একে কথা ৱিকিউৎসৰ বাবে ক'ব নোৱাৰি। এবাৰত কেৱল এজন স্বেচ্ছাসেৱককেহে ইয়ালৈ বৰঙণি আগবঢ়ায় আৰু কেতিয়াবা দুই-তিনিমাহ সম্পাদনাৰ সংখ্যা হৈ পৰে শূন্য। মানি লৈছোঁ আমি ব্যস্ত। ৱিকিমিডিয়া প্ৰকল্পসমূহ আমাৰ জীৱন-নিৰ্বাহৰ উপায় নহয়। কিন্তু অসমৰ বাবে, অসমীয়া ভাষাৰ বাবে জীৱনৰ কিছু সময় দিম বুলি ভাবিলে আলিৰ মূৰৰ আড্ডাতকৈ ৱিকিপিডিয়া আৰু ৱিকিউৎস প্ৰকল্পলৈ বৰঙণিয়ে অধিক ফল দিব। সকলোৱে সপ্তাহত দুঘণ্টালৈ সময় উলিয়াব পাৰিলেও আমাৰ এই কামবোৰে অপ্ৰতিৰোধ্য গতি লাভ কৰিব। এই গতিয়েই জাতিৰ প্ৰতি আমাৰ চিন্তাক পূৰ্ণতা দিব আৰু এই পূৰ্ণতাই বৰ্তমান বা ভৱিষ্যত প্ৰজন্মৰ বাবে এক বিনামূলীয়া, মুক্ত জ্ঞানৰ আকৰৰ দুৱাৰ মুকলি কৰিব।

সভাখনৰ কথালৈ আহোঁ। দুদিনীয়া সভা আৰম্ভ হোৱা আগদিনা গধূলিতে সকলো ভাষাৰ স্বেচ্ছাসেৱকসকল (১৪ জন) গোট খাই ৱিকিউৎসত তেওঁলোকৰ অভিজ্ঞতা আৰু সভাখনৰ পৰা প্ৰত্যাশা ব্যক্ত কৰে। আনুষ্ঠানিক সভাৰ প্ৰথম দিনা CIS-ৰ কৰ্মকৰ্তা জয়ন্ত নাথে উদ্দেশ্য ব্যাখ্যাৰ পাছত ভাৰতীয় ভাষাৰ ৱিকিউৎসসমূহৰ পৰিসংখ্যা দাঙি ধৰে। ইয়াৰ পাছত বাংলা ৱিকিমিডিয়ান বোধিসত্ত্ব মণ্ডলে ৱিকিউৎসত ব্যৱহাৰ কৰিব পৰা নানা সঁজুলিৰ চমু পৰিচয় দিয়ে আৰু সকলোৱে সেইবোৰ হাতে-কামে কৰি চায়। পাছবেলালৈ বাংলা ৱিকিমিডিয়ান ডা° হৃষীকেশ বেনাৰ্জীয়ে ফাইল ডাউনল'ড, পিডিএফ সম্পাদনা আৰু আন উচ্চস্তৰীয় সম্পাদনাৰ বিৱৰণ দিয়ে। এইখিনিতে বাংলা ৱিকিমিডিয়ানসকলে ৱিকিউৎসৰ প্ৰচাৰৰ বাবে প্ৰস্তুত কৰা এটা সুন্দৰ চুটি ভিডিঅ' সকলোৱে উপভোগ কৰে আৰু নিজ নিজ ভাষাত ছাব্‌টাইটল লিখি উলিয়ায়। দ্বিতীয় দিনা পুৱা অভিযান্ত্ৰিক ছাত্ৰ জয়প্ৰকাশে Indic-TechCom নামেৰে ভাৰতীয় ৱিকিমিডিয়া প্ৰকল্পবোৰৰ কাৰিকৰী সমস্যা আঁতৰ কৰিবৰ বাবে তেওঁলোকৰ কাম-কাজৰ পৰিচয় দাঙি ধৰে। ইয়াৰ পাছত ৱিকিমিডিয়ানসকল কেইবাটাও গোটত ভাগ হৈ নিজ নিজ প্ৰকল্পক আগুৱাই নিবলৈ কি কি কৰিব পাৰি সেই বিষয়ে মত বিনিময় কৰে। মাৰাঠী স্বেচ্ছাসেৱক সুবোধ কুলকাৰ্ণীয়ে পুথিভঁৰাল আৰু লেখকৰ পৰা তেওঁলোকে গ্ৰন্থ ৱিকিউৎসত অন্তৰ্ভুক্ত কৰাৰ অনুমতি লাভ কৰাৰ সম্পৰ্কে এক সুন্দৰ ব্যক্তব্য আগবঢ়ায়।

সভাখনলৈ যোৱাৰ আগতেই উপলব্ধি কৰিছিলোঁ যে কৰিবলগীয়া কাম বহুত আছে। সময়ে সময়ে আমাৰ আনুষ্ঠানিক ৱিকিচ'ৰা, ফেইচবুক গোট, ফেইচবুক পৃষ্ঠা, টুইটাৰ আদিত সেয়া কৈ যাম। ছ'চিয়েল মিডিয়াৰ পৃষ্ঠাবোৰ অনুসৰণ কৰিবলৈ নাপাহৰিব আৰু ফেইচবুক গোটত আপোনাৰ কিবা প্ৰশ্ন থাকিলে সুধিব। আজিলৈ আহোঁ!

## অজয় দাস

## ফেব্ৰুৱাৰী, ২০১৯

নমস্কাৰ ৱিকিপিডিয়ান সকল! শেহতীয়াকৈ অসমীয়া ৱিকিপিডিয়া আৰু ৱিকিউৎসৰ কাম-কাজ ক্ষিপ্ৰতাৰে আগবঢ়া দেখি নথৈ আনন্দিত হৈছোঁ। ইয়াৰ লগতে ফেচবুক, টুইটাৰ আৰু হোৱাটছএপতো সক্ৰিয়তা বাঢ়িছে। এই চেগতে উদ্যোক্তা সকললৈ ধন্যবাদ থাকিল। ইণ্টাৰনেটত অসমীয়া সমল পাবলৈ টান। কেতিয়াবা ভাবিলে আচৰিত লাগে যে প্ৰায় ১৩ নিযুত মানুহে দৈনন্দিন কথা বতৰাত ব্যৱহাৰ কৰা অসমীয়া ভাষাৰ অনলাইন সমল ইমান কম কিয়! এই অভাৱ ৱিকিপিডিয়া আৰু ৱিকিউৎসই বহু পৰিমানে পূৰণ কৰিব পাৰিব বুলি বিশ্বাস আছে। কিন্তু সক্ৰিয় স্বেচ্ছাসেৱকৰ অভাৱ এতিয়াও আগৰ দৰেই আছে। সেয়ে শামুকীয়া গতিত আগবঢ়া অসমীয়া ৱিকিপিডিয়া আৰু ৱিকিউৎসৰ কাম কাজৰ অগ্ৰগতি দেখিলে ভাল লাগে।

ৱিকিৰ উপযোগিতাৰ কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। বৰ্তমান ৱিকিপিডিয়া সামগ্ৰিক ভাৱে এক বৃহৎ তথ্যৰ ভঁৰাল। স্থানীয় বিষয় সমূহ বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ ৱিকিয়ে বহু পৰিমানে সহায় কৰে। এজন বিদেশীৰ বাবে স্থানীয় তথ্য আটাইতকৈ প্ৰয়োজনীয়। কিন্তু ইয়াৰ সুবিধা অসমীয়া সমাজে সঠিকভাৱে লব পৰা বুলি ভাব হয়। উদাহৰণ স্বৰূপে অসম বিষয়ক ইংৰাজী ৱিকিত প্ৰবন্ধৰ সংখ্যা নিচেই তাকৰ। সেইদৰে অসমীয়াত লিখা প্ৰবন্ধৰ সংখ্যাও কম। ছাত্ৰ সমাজে এই ক্ষেত্ৰত আগ ভাগ লব পাৰে। তেওঁলোকে নিজৰ পাঠ্যক্ৰমৰ বিষয় এটাকে বাছি যদি ইংৰাজীৰ পৰা অসমীয়ালৈ বা অসমীয়াৰ পৰা ইংৰাজীলৈ তৰ্জমা কৰে, বিষয়টোক আয়ত্ত কৰাৰ লগতে দুয়োটা ভাষাত দখল বাঢ়িব। এতিয়া প্ৰশ্ন হয় আমি ছাত্ৰ সমাজক ৱিকিপিডিয়াত অৱদান আগবঢ়াবলৈ অনুপ্ৰাণিত কৰিম কেনেকৈ? ইয়াৰ বাবে সক্ৰিয় সদস্যয়েই আগ ভাগ লব পাৰে। তেওঁলোকে বিদ্যালয়-মহাবিদ্যালয়ত ৱিকি হবি ক্লাব খুলিব পাৰে। লগতে মাজে সময়ে আন সক্ৰিয় সদস্যৰ সহায়ত আলোচনা চক্ৰ আদিও অনুষ্ঠিত কৰিব পাৰে। এসময়ত শিলচৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, তেজপুৰ জিআইএমটি, অসম

অভিযান্ত্রিক মহাবিদ্যালয় আদিত ৱিকি হবি ক্লাব আছিল। এতিয়া আছে নে নাই জ্ঞাত নহয়।

স্বেচ্ছাসেৱকসকল হৈছে ৱিকিপিডিয়াৰ চালিকাশক্তি। গতিকে স্বেচ্ছাসেৱকৰ সংখ্যা বঢ়াবলৈ সঠিক কাৰ্যপন্থা হাতত লোৱা প্ৰয়োজনবোধ কৰোঁ। বৰ্তমান সময়ত অসমত 'কুৱৰা' (Quora)ই বেছ জনপ্ৰিয়তা অৰ্জন কৰিছে। তাৰ পৰাও শিক্ষা লোৱা উচিত যে কেনেকৈ নৱপ্ৰজন্মক ৱিকিৰ প্ৰতি আকৰ্ষিত কৰিব পাৰি। সি যি কি নহওক, নতুন বছৰৰ আৰম্ভণি ভালেই হৈছে। এতিয়াৰ দৰে যেন এই গতি ধাৰা সদায় অব্যাহত থাকক তাৰে আশা থাকিল। শেষত অসমীয়া ৱিকিপিডিয়াৰ উত্তৰোত্তৰ কামনাৰে...

## প্ৰিয়াংকুশ ডেকা

## মাৰ্চ, ২০১৯

সমূহ ৱিকিপিডিয়ান আৰু পঢ়ুৱৈলৈ নমস্কাৰ জনাইছোঁ।



ৱিকিপিডিয়াৰ কথা ওলালেই প্ৰথমে অসমীয়া ৱিকিপিডিয়াৰ বিকাশ আৰু ভৱিষ্যৎ সম্পৰ্কীয় চিন্তা মনলৈ আহে। সুখৰ কথা যে, অসমীয়া ৱিকিপিডিয়াৰ ইতিহাসত সাম্প্ৰতিক সময়খিনি তুলনামূলকভাৱে যথেষ্ট দ্ৰুত বিকাশৰ সময়। অৱশ্যে উন্নত ভাষাসমূহৰ তলত আমি এতিয়াও দুখলগাকৈ পিছপৰি আছোঁ। যৎসামান্য অৱদানেৰে হ'লেও এজন অসমীয়া ৱিকিপিডিয়ান হিচাপে এতিয়া দুআষাৰ কথা ক'ম বুলি ভাবিছোঁ, যিখিনি চিন্তা ৱিকিপিডিয়াৰ লগত জড়িত নোহোৱালৈ মনলৈ নাহে।

প্ৰায়ভাগ অভিজ্ঞ ৱিকিপিডিয়ানেই "ৱিকিআসক্তি"ৰ কথা কয়, যাৰ বাবে তেওঁলোকে ৱিকিপিডিয়াত কিছু অৱদান আগবঢ়োৱাৰ পিছত আত্মসন্তুষ্টি লাভৰ পৰিৱৰ্তে অধিক অৱদান আগবঢ়াবলৈ আগ্ৰহীহে হয়। তেওঁলোকক ইন্টাৰনেটত উপলব্ধ ভাষাটোৰ সীমিত সমলে চিন্তাগ্ৰস্ত কৰি ৰাখে আৰু ফলস্বৰূপে পূৰ্বতকৈও অধিক দায়িত্বশীল কৰি তোলে। আগতে এইবোৰ অনুভৱ মোৰ বাবে অচিনাকি আছিল যদিও এতিয়া নিজে ৱিকিপিডিয়াৰ লগত জড়িত হোৱাৰ পিছত ময়ো সেই সচেতনতা আৰু দায়িত্ববোধ অনুভৱ কৰিছোঁ।

কিন্তু পৰিতাপৰ বিষয় এয়ে যে অসমীয়া ৱিকিপিডিয়া মাত্ৰ আঙুলিৰ মূৰত লিখিব পৰা কেইজনমান সদস্যৰ অৱদানেৰেহে সামান্য বিকাশ হ'ব ধৰিছে। অসমীয়া শিক্ষিত সমাজখনৰ অধিকাংশই মাতৃভাষাটোত এখন ৱিকিপিডিয়াৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব উপলব্ধি কৰা নাই। সেইবাবেই প্ৰায় ১৫ নিযুত লোকে কোৱা এটা ভাষাৰ ৱিকিপিডিয়াৰ সক্ৰিয় অৱদানকাৰী এতিয়াও মাত্ৰ ১৫ জনৰ আশে-পাশে!

এতিয়া গুৰুত্বপূৰ্ণ কথাটো হৈছে- প্ৰথমে ইণ্টাৰনেটত উপলব্ধ অসমীয়া তথ্যভাণ্ডাৰৰ বিষয়ে অধিকসংখ্যক লোকৰ সজাগতা আহিব লাগিব। সেই সজাগতাইহে সকলোৰে মাজত অনুভৱ আনিব যে ইন্টাৰনেটত তেওঁলোকৰ ভাষাটোৰ সমল এতিয়াও যথেষ্ট কম হৈ আছে আৰু পাৰিলে নিজেও কিবা এটা কৰিব লাগে। কিন্তু হোৱাটছ্এপ, ফেচবুকৰ জগততে সীমাৱদ্ধ অধিকাংশ অসমীয়াৰ এতিয়াও সেই চিন্তাটো মনলৈ অহাই নাই। নিজৰ শ্ৰেণীকোঠাতো দেখোঁ যে হাতে হাতে স্মাৰ্টফোন এটা থকা সহপাঠীসকলৰ প্ৰায় কোনো এজনেও এবাৰ অসমীয়া ভাষাত গুগল চাৰ্চ্ কৰাৰ কথা ভাবি চোৱা নাই। সেইবাবে এইটো সম্ভাৱনাও তেওঁলোকৰ মূৰত খেলোৱা নাই যে এদিন ইণ্টাৰনেটত অসমীয়াতে সকলো তথ্য পোৱাৰ সপোন দেখাটো কোনো অলীক কল্পনা নহয়। লাগে মাথোঁ সকলোৰে কিছু সদিচ্ছা আৰু সহায়-সহযোগিতা। প্ৰত্যেকৰেই নিজা নিজা প্ৰিয় ক্ষেত্ৰ, প্ৰিয় বিষয় আছে। কোনোবাই ফুটবল চাই ভাল পায়, তেওঁ কেইজনমান উল্লেখযোগ্য বা নিজৰ প্ৰিয় ফুটবলাৰৰ ওপৰতে নতুন প্ৰবন্ধ আৰম্ভ কৰিব পাৰে। কোনোবাই ভ্ৰমণ কৰি ভাল পায়, তেওঁ কেইখনমান নিজে দৰ্শন কৰা ঠাইৰ ওপৰতে প্ৰবন্ধ আৰম্ভ কৰিব পাৰে। এইকেইটা মাত্ৰ সৰু উদাহৰণহে।

এটা মন কৰিবলগীয়া কথা হ'ল– অসমীয়া ৱিকিপিডিয়াত এতিয়ালৈ পঞ্জীয়নভুক্ত হোৱা মুঠ সদস্য সংখ্যা ২২ হাজাৰৰো অধিক। কিন্তু প্ৰবন্ধসংখ্যা এতিয়াও পাঁচ হাজাৰৰ ঘৰতে আছে। অৰ্থাৎ যিসকলে অসমীয়া ৱিকিপিডিয়াৰ বিষয়ে কিছু পৰিমাণে হ'লেও জানিব পাৰিছে আৰু ইতিমধ্যে সদস্যভুক্ত হৈছেও, তেওঁলোকৰো অধিকাংশই কোনো অৱদান যোগোৱা নাই। কিবা শংকা-সংকোচৰ বাবেই এখেতসকলে সদস্যভুক্ত হৈয়ো লিখিবলৈ আগ নাবাঢ়িলে নে কি, সেইটো নিশ্চিত হ'ব নোৱাৰিলোঁ। যদি তেনে কোনো সদস্যই এইখিনি কথা পঢ়ি আছে, তেওঁলোকক মাত্ৰ এটা কথাই ক'ম যে ৱিকিপিডিয়াত লিখাটো একো টান কাম নহয়। লিখাৰ নীতি-নিৰ্দেশনাসমূহ ৱিকিপিডিয়াত ইতিমধ্যে উল্লেখ থকাৰ লগতে অসমীয়া ৱিকিপিডিয়াৰ টুইটাৰ আৰু ফেচবুকৰ পৃষ্ঠাৰেও নিজৰ সংকোচ, অসুবিধাখিনিৰ কথা জনাব পাৰে। যদি প্ৰতিজন সদস্যই মাত্ৰ পাঁচটাকৈয়ো নতুন প্ৰবন্ধ আৰম্ভ কৰিলেহেঁতেন, অসমীয়া ৱিকিপিডিয়াৰ প্ৰবন্ধই আজি লাখৰ ঘৰ চুলেহেঁতেন! অথচ ছ'চিয়েল মিডিয়াত যোৱা দিনকেইটাতে ভাৰত-পাকিস্তানৰ উত্তেজনা বা যুদ্ধৰ আশংকাক লৈ ৰায়দান দিয়া মানুহৰ অভাৱ নাই। এনেধৰণৰ সাময়িক উত্তেজনাকেন্দ্ৰিক অনৰ্থক বাদানুবাদ কৰি থকাতকৈ ৱিকিপিডিয়াত কিছু অৱদান আগবঢ়োৱাটোহে নিজৰ আৰু ভাষাটোৰ বাবে অধিক মংগলজনক।

মোৰ এই মনৰ অনুভৱখিনিত কোনো নতুন কথা নাই। ৱিকিপিডিয়াৰ সক্ৰিয় সদস্যখিনিয়ে ইতিমধ্যে দোহাৰি অহা কথাখিনিৰেই পুনৰাবৃত্তি মাথোন। মুঠতে অসমীয়া ৱিকিপিডিয়াত অধিক হাৰত নতুন প্ৰবন্ধ সৃষ্টি হ'ব লাগে, ইন্টাৰনেটত অসমীয়া সমল বৃদ্ধি পাব লাগে; সেয়াই আটাইৰে কাম্য। শেষত অসমীয়া ৱিকিপিডিয়াৰ নতুন সদস্যসকল আৰু সদস্যভুক্ত হৈয়ো এতিয়ালৈ প্ৰবন্ধ লিখিবলৈ আৰম্ভ নকৰা সেইসকললৈ মোৰ এটাই অনুৰোধ- নিজৰ পছন্দৰ বিষয় বাছি লৈ আপোনালোকে অন্ততঃ পাঁচটা নতুন প্ৰবন্ধ আৰম্ভ কৰক। ৱিকিপেডিয়াৰ সক্ৰিয় সদস্যসকলে আপোনাক সহায়-সহযোগ আগবঢ়াবলৈ প্ৰতি মুহূৰ্ততে সাজু। মোৰ বিশ্বাস- ভৱিষ্যতে আপুনিও এই দায়িত্ববোধৰ অংশীদাৰ হ'ব আৰু এদিন মোৰ এই অনুভৱখিনি আপোনাৰো মনৰ কথা হ'ব।

## নয়ন জ্যোতি নাথ

## এপ্ৰিল, ২০১৯



বিন্দুৰ পৰা সিন্ধু হওক।

প্ৰতিটো আৰম্ভণি শূণ্যৰ পৰাই হয়। মন্থৰ গতিৰেই হওক লাগে, এই যে এটা বিন্দুকে সিন্ধুৰ লক্ষ্যৰে যাত্ৰা আৰম্ভ হ'ল...ইয়াৰ শেষ কাহানিও নহৈ অসমীয়া ৱিকিপিডিয়া এদিন অক্ষয় ভাণ্ডাৰ হ'ব।

ৱিকিপিডিয়াৰ মঞ্চ খনক সকলোৰে সন্মান কৰে, তথ্য সম্বলিত বিষয় একোটাৰ গ্ৰহণ যোগ্যতাৰ দিশটোৰ বাবেই ৱিকিপিডিয়া অধিক নিৰ্ভৰযোগ্য অনলাইন ব্যৱস্থা। আন্তঃজালৰ জগত খনৰ বিষয়ে ভূ-ভা পোৱাৰ বহু পিছলৈ হে ৱিকিপিডিয়াৰ বিষয়ে জ্ঞাত হওঁ, ৱিকিপিডিয়া তথ্য ভঁৰাল হ'লেও এই তথ্য সমূহ অসমীয়া মাধ্যমত বা অসম ভিত্তিক পৰ্যাপ্ত তথ্য উপলব্ধ হোৱা নাই। অসমীয়া ৱিকিপিডিয়াই অসমীয়া মাধ্যমত তথ্য সংৰক্ষণ তথা সংবৰ্ধনৰ যি এক যাত্ৰাত আগবাঢ়িছে সেয়া ইতিমধ্যে জনপ্ৰিয় হৈছে। এই ব্যৱস্থাই জাতীয় ভাষা এটা সংৰক্ষণতো প্ৰচুৰ বৰঙণি আগবঢ়াব। বৰ্তমানৰ প্ৰেক্ষাপটত অসমীয়া ভাষাৰ অস্তিত্বৰ ৰক্ষাৰ লগতে নতুন প্ৰজন্মৰ মাজত ভাষাটোক শিক্ষণৰ প্ৰধান মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰিব পাৰিব বুলিও ভবাৰ থল আছে।

মোক অসমীয়া ৱিকিপিডিয়াৰ মঞ্চ খনলৈ আগবাঢ়ি অহাত সক্ৰিয় সদস্য, সুহৃদ অজয় দাসে তেওঁৰ হাত এখন আগবঢ়াই দিছিল। তেওঁৰ ওচৰত সেয়ে কৃতজ্ঞ হৈ ৰ'লো। ৱিকিপিডিয়াই মোক মানসিক সন্তুষ্টি প্ৰদান কৰিছে। সময়ৰ মূল্যবোধ আৰু বহু নজনা কথা জানিবলৈ এখন মঞ্চ প্ৰদান কৰিছে। এই দিশৰ পৰা ৱিকিপিডিয়াৰে জড়িত সময় খিনি সেয়ে সন্তুষ্টিদায়ক বুলি ক'ব পাৰোঁ।

সাধাৰণতে ভাল কাম কিছুমান অবিৰাম অবিৰত হৈ থাকিব লাগে। এই ভাল কাম বোৰক এটা গতি দি নৈৰ দৰে বৈ যাবলৈ দিব লাগে। এদিন এই নৈ এখন পাৰাপাৰহীন সাগৰত মিলিব। ৱিকিপিডিয়াত নতুন প্ৰবন্ধ এটা সৃষ্টি কৰা, অনুবাদ কৰা, পুৰণা তথ্যৰে নতুনক সংযোজন কৰা, ফটো আদি অন্তৰ্ভুক্ত কৰা ইত্যাদি কামবোৰ সকলোৰে জ্ঞাত নহয়। বহু প্ৰতিভাবান আৰু আগ্ৰহী ব্যক্তিয়ে অজ্ঞতাৰ হেতু ৱিকিপিডিয়াত অৱদান আগবঢ়োৱা সেৱাত জড়িত হ'ব পৰা নায়। গতিকে সুবিধা অনুসৰি বিদ্যালয়-মহাবিদ্যালয় ইত্যাদিবোৰত যদি ৱিকিপিডিয়া সম্পাদনা সমিতিৰ দ্বাৰা কৰ্মশালা একোখন আয়োজন কৰি এই যাত্ৰাত আৰু অধিক সদস্যক অন্তৰ্ভুক্ত কৰিব পৰা যায় তেন্তে অধিক লাভবান হ'ব পৰা যাব বুলি ক'ব পাৰি। ন-সম্পাদক হিচাপে ময়ো বৰ্তমানলৈ বহু কাৰিকৰী কৌশল আয়ত্ব কৰিব পৰা নাই, সেয়ে মই নিজেও এজন এনে সুযোগৰ সন্ধানী।

কোৱা হয় উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ। আৰ্হিৰ আগত অসাধ্য বুলি একো থাকিব নোৱাৰে, গতিকে ইতিমধ্যে জড়িত হৈ থকা প্ৰতিজন সদস্যই এই আৰ্হি দেখুৱালে অসমীয়া ৱিকিপিডিয়াই যে নতুন এক মাত্ৰা লাভ কৰিব তাত কোনো সন্দেহ নায়।

শেষত, এপ্ৰিল মাহৰ ৱিকিপত্ৰিকাৰ সংখ্যাটোৰ বাবে সম্পাদকৰ মনৰ ভাৱ লিখিবলৈ দায়িত্ব আগবঢ়োৱাত মই ন-সম্পাদক হিচাপে সম্পাদনা সমিতিলৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অনাকাংক্ষিত ভুলৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

## বিদ্যুৎ শৰ্মা

## মে', ২০১৯

সকলোলৈকে নমস্কাৰ জনাইছোঁ। এজন ৱিকিপিডিয়ান হিচাপে আপোনালোকৰ সন্মুখত মনৰ কথা প্ৰকাশ কৰাৰ সুযোগ পাই আনন্দিত হৈছোঁ।



ফেচবুকত যোগদান কৰাৰ পিছত মই অসমীয়াত লিখা-মেলা কৰা বিভিন্ন গোটসমূহত যোগদান কৰিছিলোঁ। তেনে এটি গোটতেই মই এদিন অসমীয়া ৱিকিপিডিয়াৰ সম্ভেদ পালোঁ। তেতিয়ালৈ নিজাকৈ লেপটপ নাছিল গতিকে মোবাইলতেই একাউণ্ট খুলি দুই-এটা সৰু-সুৰা সম্পাদনা কৰি চালো। কেইমাহমান পিছত লেপটপটো লোৱাৰ পিছত মই জাহ্নৱী ছফটৱেৰটো ইনষ্টল কৰি ল'লোঁ। তেতিয়ালৈ মই অসমীয়া ৱিকিৰ ফেচবুক গোটটোৰো সদস্য হৈছিলোঁ। ৱিকিৰ কাৰিকৰী কথাখিনি গোটত থকা জ্যেষ্ঠসকলক সুধি দুই-এটা প্ৰবন্ধ লিখা আৰম্ভ কৰিলোঁ।

তেতিয়ালৈ মই মন কৰিছিলো যে অসমীয়া ৱিকিত প্ৰবন্ধ সংখ্যা কম হোৱাৰ উপৰিও বহুতো প্ৰবন্ধ খুবেই চুটিকৈ লিখা আছে। কোনোবাই যদি ৱিকিত কিবা এটা বিষয়ে জানিব বিচাৰে তেন্তে তেওঁ নিশ্চয় বহলাই জানিব বিচাৰিব। মাত্ৰ কেইশাৰীমানৰ প্ৰবন্ধই কাৰো জ্ঞানৰ পিপাসা পূৰ কৰিব নোৱাৰে। এইদৰে ভাবি মই প্ৰথমে কিছু প্ৰবন্ধ বহলাবলৈ আৰম্ভ কৰিলোঁ। তাৰ পিছত নিজে লিখা প্ৰবন্ধসমূহো দীঘলকৈ লিখিব ধৰিলোঁ। তেতিয়া মই ৱিকিপিডিয়া লিখোঁতে ইংৰাজী ৱিকিৰ পৰা অনুবাদ কৰি এখন বহীত লিখি লৈছিলোঁ আৰু তাৰ পিছত বহীখনৰ পৰা চাই চাই ৱিকিত লিখিছিলোঁ। ৱিকিপিডিয়াৰ স্মৃতি বুলিলে মোৰ সেই হোষ্টেলৰ দিনবোৰলৈ মনত পৰে যেতিয়া মই মোৰ কোঠাত বহি বহি প্ৰবন্ধ লিখিছিলোঁ, আৰু এটা প্ৰবন্ধ লিখোঁতে মোৰ কমেও এসপ্তাহ লাগিছিল।

আমাৰ নিজৰ পাঠ্যক্ৰম বা নিজৰ কৰ্মক্ষেত্ৰৰ বাহিৰেও আন কিছু কিছু ক্ষেত্ৰত ৰাপ থাকে। সেই ৰাপ থকা বিষয়সমূহৰ ওপৰত প্ৰবন্ধ লিখিলে বিষয়টোৰ ওপৰত সম্যক ধাৰণা আহে। এটা সময়ত মোৰ দেশ-বিদেশ ঘূৰি ফুৰা অভিযাত্ৰীসমূহৰ বিষয়ে জানিবলৈ খুবেই হেঁপাহ হৈছিল। আৰু তেনে কেইবাজনো মহান অভিযাত্ৰীৰ বিষয়ে গুগলত চাৰ্চ কৰি অসমীয়া ৱিকিত

লিখিছিলোঁ। যাৰ ফলত মই নিজে তেওঁলোকৰ বিষয়ে জানিব পাৰিছিলোঁ লগতে সেই বিষয়ৰ প্ৰবন্ধ ৱিকিত সৃষ্টি হৈছিলগৈ।

ৱিকিপিডিয়াত আগতে এটা সমস্যা আছিল তথ্যসূত্ৰৰ অভাৱ। বিশেষকৈ অসম সম্পৰ্কীয় প্ৰবন্ধসমূহত নিৰ্ভৰযোগ্য তথ্যসূত্ৰ যোগাৰ কৰাটো অলপ চিন্তাৰ বিষয় হৈছিল। কিন্তু বৰ্তমান ইণ্টাৰনেটৰ সুবিধাসমূহ আগতকৈ বঢ়া বাবে এইক্ষেত্ৰত সমস্যা কিছু হ'লেও কমিছে। অসমীয়া বাতৰি-কাকতসমূহৰ অনলাইন ভাৰ্ছন সহজে উপলব্ধ হৈছে। কেইবাগৰাকীও অসমীয়া শিল্পী ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত চকুত পৰা নহয় বাবে তেওঁলোকৰ বিষয়ে গুগলত ইমান তথ্য পোৱা নাযায়। কিন্তু অসমৰ ৰাইজে তেওঁলোকৰ বিষয়ে জানিব বিচাৰে। তেনে কেইবাগৰাকীও শিল্পীয়ে বিভিন্ন চেনেলত দিয়া সাক্ষাৎকাৰ ইউটিউবত পোৱা যায় আৰু তাৰ পৰা প্ৰবন্ধ লিখিবলৈ উজু হয়।

বৰ্তমান তথ্য-প্ৰযুক্তিয়ে নতুন শিখৰত অৱতীৰ্ণ হোৱাৰ সময়ত ভাষাও ডিজিটেল হৈ পৰিছে। কোনো এটা ভাষা কথিত-লিখিত ৰূপত থকাৰ উপৰিও ইণ্টাৰনেটতো ভাষাটোৰ যথেষ্ট পৰিমাণে সমল থাকিব লাগিব। তেতিয়াহে ভাষাটোৰ স্থায়িত্ব সন্দেহমুক্ত হৈ থাকিব। অসমীয়া ৱিকিপিডিয়াখনো হৈছে অসমীয়া ভাষাৰ তেনে এক সমল। অৱশ্যে ৱিকিপিডিয়াখন এতিয়াও চালুকীয়া হৈ থকা বুলি কব পাৰি। ৱিকিৰ বাবে নতুন প্ৰজন্ম সক্ৰিয়ভাৱে আগবাঢ়ি আহিব লাগিব। ৱিকিপিডিয়াত প্ৰবন্ধৰ সংখ্যা আৰু বাঢ়িব লাগিব। এইখিনিতে একাষাৰ কথা কব বিচাৰো যে গুগল ট্ৰেন্সলেটৰত এতিয়াও অসমীয়া ভাষাটো উপলব্ধ নহয়। অথচ আমাৰ চুবুৰীয়া বঙালী ভাষাটো গুগল ট্ৰেন্সলেটৰত আছে। ইয়াৰ কাৰণ হ'ল বঙালী ভাষাৰ যথেষ্ট সমল ইণ্টাৰনেটত পোৱা যায়। গতিকে অসমীয়া ভাষাতো পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খুৱাই বিশ্বমুখী কৰিবলৈ আমি এতিয়াৰ পৰাই আমাৰ কাম চলাই যাব লাগিব।

ৱিকিপিডিয়াৰ আন এটা ভগ্নীপ্ৰকল্প হৈছে ৱিকিউৎস। ইয়াত মই কিছুদিনৰ আগৰ পৰাহে লিখিব আৰম্ভ কৰিছোঁ। ৱিকিউৎসও বহু সময় দিবলগীয়া কাম। প্ৰতিটো পৃষ্ঠাৰ প্ৰতিটো বানান চাই যাওতে সময়ৰ প্ৰয়োজন হয়। তদুপৰি ৱিকিপিডিয়াৰ তুলনাত ৱিকিউৎসত হাত উজান দিয়া সক্ৰিয় সম্পাদকৰ সংখ্যাও কম। গতিকে ৱিকিউৎস মন্থৰ গতিৰে আগবাঢ়িছে।

গতিকে নতুন সম্পাদক এনে কামবোৰত আগবাঢ়ি আহিব লাগে বুলি মই পুনৰ দোহাৰিছোঁ।

এইখিনি কথাৰেই ৱিকিপিডিয়াৰ শ্ৰীবৃদ্ধি হোৱাৰ কামনা কৰি 'মনৰ কথা' ইমানতেই সামৰিছোঁ। জয় আই অসম।

## প্ৰাণজ্যোতি নাথ

## জুন, ২০১৯



প্ৰতিনিয়ত পেটৰ তাড়নাত পৰি কৰা কামৰ ফাঁকে ফাঁকে মনকো আহাৰ যোগাব লাগে; নহ'লে মনে বিদ্ৰোহ কৰে। মন সুখেৰে নাথাকিলে দেহেও বিদ্ৰোহ কৰিবলৈ ধৰে। সেয়ে মনক চম্ভালি ৰাখিবৰ বাবে মনে ভালপোৱা কিবা-কিবি কৰি থকা হয়। মনৰ তাগিদাত কৰা এই কামবোৰৰ ভিতৰতে আছিল অনলাইন আলোচনী 'বৌদ্ধিক-বিচাৰ'ৰ কাম। সহ-সম্পাদক ৰূপে আলোচনীখনৰ কেইবাটাও শিতান চম্ভালিব লগা হৈছিল। ৰুচি আছিল বেছিকৈ 'শিল্পকলা' শিতানত। এই 'শিল্পকলা' শিতানত অন্তৰ্ভুক্তিৰ নিমিত্তে অসমৰ চিত্ৰশিল্পীসকলৰ জীৱন বিষয়ক টোকা কিছু লিখাৰ কথা ভবা হৈছিল। একে প্ৰয়োজনতে কি পাওঁ বুলি ৱিকিপিডিয়াত খুঁচৰি যেতিয়া বিশেষ একো নাপালোঁ আৰু ইতিমধ্যে, ঘটনাক্ৰমে বৌদ্ধিক বিচাৰৰো দায়িত্ব এৰিলোঁ। ভাবিলোঁ আজৰি সময়ত মই নিজেই দেখোন অসমৰ চিত্ৰশিল্পীসকলৰ বিষয়ে ৱিকিপিডিয়াত লিখিব পাৰোঁ। অসমৰ এজন লেখৰ আৰ্টিষ্ট দেৱানন্দ উলুপদেৱৰ সাক্ষাৎকাৰ এটা লৈছিলোঁ ২০১৭/১৮ চনত। এই সাক্ষাৎকাৰটিকে তথ্য উৎস ৰূপে লৈ 'দেৱানন্দ উলুপ' নামেৰে

ৱিকিপিডিয়াত মোৰ প্ৰথমটো লেখা লিখিলোঁ। কাৰো সহায় অবিহনে, আগতে ৱিকিপিডিয়াত কোনোবা এজনে লিখি থোৱা 'নীলপৱন বৰুৱা' পৃষ্ঠা চাই চাই মই 'দেৱানন্দ উলুপ' লেখাটো লিখিছিলোঁ। এতিয়ালৈ গম পাইছোঁ যে মোৰ লিখাটো একেবাৰে সাধাৰণ মানৰ। অসমীয়া ৱিকিপেডিয়াত যথেষ্ট উচ্চখাপৰ প্ৰবন্ধ আৰু জীৱনীমূলক লেখা আছে। যি নহওক, এই লেখাটোৰে মই ক্ৰমশঃ ৱিকিপিডিয়া পৰিয়ালত সোমাই পৰিলোঁ।

ফেচবুকৰ 'অসমীয়াত কথা-বতৰা' গোটত এদিন গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউটৰ অধ্যাপক শ্ৰীমান প্ৰাঞ্জল দাসৰ 'ৱিকিপেডিয়াত কেনেকৈ লিখিব' লেখাটো পঢ়ি ৱিকিপিডিয়াত লগ ইন কৰিবলৈ শিকিছিলোঁ, একেদৰে এদিন 'অসমীয়াত কথা-বতৰা' গোটৰ পষ্ট পঢ়িয়েই ফেচবুকত 'আচামিজ ৱিকিপিডিয়া কম্যুনিটি' বুলি এটা পেইজ আছে বুলি গম পালোঁ। সেই পেইজতে জানিলোঁ ৱিকিউৎসৰ বিষয়ে। ৱিকিৰ সক্ৰিয় সদস্য চাণক্য কুমাৰ দাস আৰু দিব্য দত্তই (বৰ্তমান প্ৰশাসক) মোৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দি মোক ভালেখিনি আগুৱাই লৈ গ'ল। ইয়াতে ৱিকিউৎসৰ কামৰ বিষয়ে গম পালোঁ আৰু ময়ো ৱিকিউৎসত প্ৰুফ ৰিডিঙৰ কাম কৰিবলৈ ধৰিলোঁ। কাৰিকৰী কথাবোৰ সুধি ৱিকিৰ আন এজন প্ৰশাসক ডা° গীতাৰ্থ বৰদলৈক আমনি কৰোঁ। পিছে অলপো আমনি পাইছোঁ বুলি অনুভৱ কৰিবলৈ নিদিয়াকৈ গীতাৰ্থই মোক আগবঢ়াত বহুখিনি সহায় কৰিলে।

নৱৈৰ দশকত নতুন প্ৰযুক্তিৰ সৈতে চিনাকী বুলিবলৈ ঘৰত দুয়োফালে মাইকা লগোৱা মস্ত কাঠৰ বাকচৰ এটা টিভি আছিল। আমাৰ ঘৰতে থাকি টিভি ইঞ্জিনিয়াৰিং পঢ়ি থকা ল'ৰা এজনে এইটো সাজি উলিয়াইছিল। প্ৰতি দেওবাৰে ৰামায়ণ চাবলৈ অহা দৰ্শকৰে ঘৰ ভৰি পৰিছিল। তাৰো এক দশক পিছতহে ডেক্সটপ কম্পিউটাৰটো হাতেৰে চুই চাবলৈ পাইছিলোঁ। মেইল কৰাৰ বাহিৰেও যে ইয়াতে লিখিব-পঢ়িব পাৰি, সেয়া বুজিবলৈ লাগিল আৰু এটা দশক। এই দশকত, দিগন্ত কুমাৰ ভট্টাচাৰ্য, ঈশান জ্যোতি বৰাৰ দৰে কিছু নিস্বাৰ্থ, নিৰপেক্ষ মানুহৰ সাহসত আৰু আন্তৰিক প্ৰচেষ্টাত কিছু কাৰিকৰী জ্ঞান লভিলোঁ। সেই সাহসেই ৱিকিপত্ৰিকাত মনৰ কথা লিখিবলৈ পোৱা সাহস।

ভাষা মাতৃ। মা বুলি আপোন মাতৃক সম্বোধি জীৱনৰ প্ৰথমটো আগ্ৰহক মুখফুটাই কোৱাৰ যি আৱেগ, সেয়ানো জীৱন থাকে মানে এৰোঁ

কেনেকৈ? এই আৱেগেই আপোন ভাষাটোক হানি-বিঘিনি হ'বলৈ নিদিয়াকৈ আটোমটোকাৰিকৈ আগবঢ়াই নিব। আমি মাত্ৰ দায়িত্ব বুজি কাম কৰিলেই হ'ল। বয়সত আগবঢ়া হৈও আমি নিজে বহুজন প্ৰতিভাৱান ৱিকিপিডিয়ানতকৈ কামৰ ক্ষেত্ৰত পিছপৰা। তেওঁলোকে নিজৰ লগতে আমাকো আগবঢ়াই লৈ যাব আৰু ভাষামাতৃৰ হকে আমি এনেদৰে ঐক্যবদ্ধ হৈ ভাল কামবোৰ কৰি গৈ থাকিম বুলি আশাবাদী। এই আশা আৰু কাম কৰি থকাৰ প্ৰতিশ্ৰুতিৰে...

## অম্লান বসুমতাৰী

## আগষ্ট, ২০১৯

Hello my fellow Wikimedians,

First and foremost, I would like to apologize for not writing my monor kotha in Assamese. I am ashamed to say that my Assamese is awfully rusty, which is why I was contemplating writing this section for a long time. All the previous issues of monor kotha, which all are wonderfully crafted and thought-provoking, already touch upon all the issues that come to my mind when I think about why one should contribute to Assamese Wikimedia projects. Still, let me reiterate a few things which I feel worth mentioning over and over.

Digital dominance is inevitable. We will have to bring our A-game to create searchable content online in Assamese. What do I mean by searchable content? Texts written in Unicode Assamese which can be searched via search engines such as Google, Bing etc. are searchable content. It breaks my heart to see more than half of the results in Bengali when I Google anything in Assamese. Although

we are seeing a trend of writing posts, comments, status etc. in Assamese on social media, these contents are mostly not searchable because of the privacy restriction that these social medias put in place. Don't get me wrong, writing in Assamese in social media is undoubtedly a positive step. But we should also focus on creating Assamese searchable content elsewhere, such as Wikmedia projectsঃ a publicly accessible and searchable platform.

The strong presence of Assamese language on the internet is unquestionably the most import objective of why one should contribute to Wikimedia projects. Of course, that holds true for me as well. Love for my mother tongue is what drew me towards becoming a Wikimedian. It was the year of 2010 when I stumbled upon the Assamese edition of Wikipedia. I was pleasantly surprised to know that it even exists. With my half-baked knowledge, I started contributing. It took me some time to get a hang of it, but it was a pleasant experience nevertheless. Back then I was a student of Computer Science, which ignited my interest to learn the technical aspects of Wikipedia as well. I was so thrilled when we redesigned the main page back in 2012. Along the way, I met many fellow Wikimedians in-person and online; and I can feel their warmth and compassion towards Assamese Wikipedia and Assamese language in general.

For me, editing Wiki projects are like taking a shot of dopamine. When I am stressed out at work I like to open up Wikipedia and do some quick edits, which makes me feel better instantly. Even making a small edit like adding a category or fixing a formatting issue gives me immense gratification. I feel like I did something good for my people, for my land. Over the years editing wiki has become my second nature.

I hope all the good things that are happening in our small Assamese Wikimedia community keeps going and growing. I salute all new, old, and future Wikimedians for your effort in making the world a better place. Thank you, জয় আই অসম।

## ঈশান জ্যোতি বৰা

## ছেপ্টেম্বৰ, ২০১৯



পঢ়ি থকাৰ সময়ত বিদ্যায়তনিক প্ৰকল্পবোৰ প্ৰস্তুত কৰোঁতে প্ৰতিবেদনটোৰ শেষত তথ্যসূত্ৰৰ একোখন তালিকা দিবলগীয়া হৈছিল। বিভিন্ন বিষয়ৰ বিবিধ প্ৰকল্প। স্বাভাৱিকতেই তথ্যসূত্ৰৰ তালিকাবোৰতো এক বৈসাদৃশ্যই বিৰাজ কৰিছিল। পিছে ব্যঞ্জনৰ মাজত বিবিধতা থাকিলেও যিদৰে 'নিমখ' প্ৰতিটো ব্যঞ্জনৰ বাবে এক অপৰিহাৰ্য উপকৰণ; ঠিক সেইদৰে আমাৰ বৈচিত্ৰ্যপূৰ্ণ তালিকাবোৰতো এক বিশেষধৰণৰ উপকৰণে সদায়েই এক সন্মানজনক স্থান দখল কৰি আহিছিল। নিমখৰ নিচিনা, কিন্তু নিমখীয়া নোহোৱা-সেই উপকৰণবিধৰ নাম আছিল 'ৱিকিপিডিয়া'। তথ্য আৰু জ্ঞানৰ এক চমৎকাৰী ভাণ্ডাৰ 'ৱিকিপিডিয়া' নামৰ ৱেবছাইটটো আমাৰ বাবে আছিল এক গভীৰ স্বস্তি, সমাধানৰ এক বিশ্বাসযোগ্য আশ্ৰয়স্থলী, তমোময় ৰ'দত ছাঁ বিলাই থকা এজোপা বিশাল গছ, অথবা মাতটো শুনিয়েই সহায় কৰিবলৈ ওলাই অহা 'বিপদৰ বন্ধু'। ৱিকিপিডিয়াৰ পৰা লিংক 'কপি' কৰি ৱৰ্ডৰ ডকুমেণ্টত 'পেষ্ট' কৰি থকাৰ সেই ৰোমাঞ্চকৰ, ৰসঘন মুহূৰ্তবোৰত মই এক নেন'ছেকেণ্ডৰ বাবেও ভবা নাছিলোঁ যে এদিন মইয়ো ৱিকিপিডিয়াত পৃষ্ঠা লিখিবগৈ পাৰিম, মই সৃষ্টি কৰা

প্ৰবন্ধও আন দহজন মানুহে পঢ়িব পাৰিব অথবা ৱিকিউৎসৰ দৰে এক গুৰুত্বপূৰ্ণ কামৰ লগত যুক্ত হ'ব পাৰিম, অথবা আজি এইদৰে 'ৱিকিপিডিয়ানৰ মনৰ কথা' লিখিব পাৰিম। কথাবোৰ আচৰিত। ভাবিলে মনটো এক বিপুলায়তন আশ্বৰ্যৰ ঢৌত পুলকিত হৈ উঠে আৰু জন লেননৰ বিখ্যাত উক্তি এষাৰে আহি বাট আগচি ধৰে -'Life is what happens while you are busy making other plans.'

যিমানদূৰ মনত পৰে, অসমীয়া ৱিকিপিডিয়াৰ লগত মোৰ প্ৰথমটো মুখামুখি হৈছিল কটন কলেজত, ২০১২ চনত। সেইবাৰ অসমীয়া ৱিকিপিডিয়াৰ দহবছৰীয়া জন্মদিন পালন কৰা হৈছিল। কলেজৰ পৰা কিছু পলমকৈ গৈ সভাগৃহত উপস্থিত হৈছিলোঁ। লগ পাইছিলোঁ ফে'চবুকত ইউনিক'ড মাধ্যমত ভাষা-সাহিত্যৰ চৰ্চা কৰি থকা বহুতো অগ্ৰজ আৰু অনুজক। চা-চিনাকি হৈ হাঁহি-মাতি প্ৰায়খিনিৰে লগত ভাব-বিনিময় কৰিলোঁ, দুটামান আলোচনাৰ শ্ৰোতা হ'লোঁ, তাৰপিছত চাহ-মিঠাই খাই নিৰ্দিষ্ট সময়ত বিদায় ল'লোঁ।

সভাৰ পৰা ওলাই আহিয়েই বোধকৰোঁ অসমীয়া ৱিকিপিডিয়াত একাউণ্ট এটা খুলিছিলোঁ। পিছে সক্ৰিয়ভাৱে বিশেষ একো কৰিব পৰা নাছিলোঁ। দুজনমান সাহিত্যিকৰ পৃষ্ঠাত দুটামান তথ্য সংযোজন কৰিছিলোঁ বোধহয়। সেইসময়ত বিষ্ণু শইকীয়া, নিতুল বৰা দাদাহঁতে অসমীয়া ৱিকিপিডিয়াৰ বাবে সাংঘাতিক কাম কৰি থকা শুনিছিলোঁ। নিতুলদাই পুৰণি অসমীয়া গ্ৰন্থবোৰ ধুমাধুম ডিজিটাইজ কৰি ফে'চবুকত নিয়মীয়া হাৰত প'ষ্ট দি থকা দেখিছিলোঁ। মনে মনে এইসকল লোকলৈ শ্ৰদ্ধা উপজিছিল। আৰু নিজে অনুশোচনাৰ কুহুমীয়া জুইত দগ্ধ হৈছিলোঁ। একোৱেই যে কৰিব পৰা নাই!

ৱিকিপিডিয়াৰ বাবে সক্ৰিয়ভাৱে কিবা এটা কৰিম বুলি ভবা-চিন্তা কৰি থাকোঁতেই কৰ্তব্যৰ খাতিৰত নেটৱৰ্কবিহীন ঠাই এডোখৰলৈ যাবলগীয়া হ'ল। দুবছৰৰ পাছত সেই গভীৰতম প্ৰদেশৰ পৰা ওলাই আহিয়েই ৱিকিপিডিয়াত লিখাৰ দীৰ্ঘদিনীয়া হাবিয়াসটো পূৰণ কৰিলোঁ। নিজৰ জন্মস্থান 'পুৰণিগুদাম'ৰ বিষয়ে লিখিলোঁ। পুৰণিগুদামৰ ঐতিহ্যমণ্ডিত শতবৰ্ষগৰকা দুৰ্গাপূজা বিখ্যাত হৈছে ইয়াৰ কাঠৰ প্ৰতিমাটোৰ বাবে। সেই প্ৰতিমাৰ খনিকৰ লেশধৰ শৰ্মাৰ বিষয়ে ৱিকিপিডিয়াত একো তথ্য নাছিল।

সমীপৱৰ্তী গাঁৱৰ ইন্দ্ৰনীল গায়ন দাদাৰ পৰা কিতাপ এখন আনি তেওঁৰ বিষয়ে অসমীয়া ৱিকিপিডিয়াত লিখিলোঁ। ৱিকিপিডিয়াত কেনেকৈ লিখিব লাগে, সম্পাদনা কেনেকৈ কৰিব লাগে সেইবিষয়ে ৱিকিপিডিয়াৰ বেটুপাততে লিখা আছে। সেইবোৰ পঢ়িলোঁ। ৰেফাৰেন্স কেনেকৈ যোগ কৰিব লাগে, প্ৰবন্ধটোৰ মাজত বিভাগ কেনেকৈ সৃষ্টি কৰিব লাগে– সেইবোৰৰ বিষয়েও জানিব পাৰিলোঁ। বিষ্ণুদালৈ ফোন কৰি দুটামান কথা সোধা মনত পৰে। যি কি নহওক এই দুটা বিশেষ পৃষ্ঠাৰ লগতে অইন দুটামান বেলেগ বিষয়ৰ পৃষ্ঠাত সামান্য তথ্য সংযোজন কৰি অসমীয়া ৱিকিপিডিয়াৰ পৰা পুনৰ আঁতৰি আহিলোঁ। আঁতৰি আহি চাকৰি আৰু অইন কামত ব্যস্ত হৈ পৰিলোঁ। সেয়া ২০১৬ চনৰ কাহিনী।

উত্থান-পতনেৰে ভৰা মোৰ এই 'অসমীয়া ৱিকিপিডিয়া' নামৰ ছবিখন তাতেই মোটামুটি যৱনিকা পৰিছিল। কিন্তু ক্ৰিষ্ট'ফাৰ ন'লান, শ্ৰীৰাম ৰাঘৱনৰ ছিনেমাত থকাৰ দৰে এটা বিশেষ টুইষ্টৰ উদ্ভৱ হ'ল এই বছৰত, অৰ্থাৎ ২০১৯ চনত। যোৰহাটৰ প্ৰাণজ্যোতি নাথ বাইদেৱে এদিন কথাৰ মাজতে অসমীয়া ৱিকিউৎসত কাম কৰি থকাৰ কথা ক'লে। অতীতৰ স্মৃতি ৰোমন্থন কৰি মইও মোৰ ৱিকিপিডিয়ান বুৰঞ্জীখন মোকলাই ল'লোঁ আৰু দুটামান 'স্বঘোষিত কৃতিত্ব' গাই শুনালোঁ। অসমীয়া ৱিকিউৎসৰ প্ৰথমখন কৰ্মশালা হেনো অনুষ্ঠিত হ'ব গুৱাহাটীত। ডাঃ গীতাৰ্থ বৰদলৈৰ নেতৃত্বত ইতিমধ্যেই সদস্যভৰ্তি কাৰ্যসূচী চলি আছে। কথাটো বাইদেউৰ মুখেৰে জানিব পাৰিলোঁ। তেঁৱেই গৈ মোৰ নামটো গীতাৰ্থদাক দিলে আৰু মোকো কৰ্মশালাত উপস্থিত থাকিবলৈ উৎসাহিত কৰিলে। প্ৰাৰম্ভিক হোহঁকা-পিছলাৰ পাছত মইও 'যাম' বুলি কৈ থ'লোঁ। কিন্তু যাম বুলি ক'লেই হ'বনে? কামৰ নামত দেখোন মই ৱিকিউৎসত 'ক' এটাও লিখা নাই! সিপিনে পুৰণি একাউণ্টটোৰ নাম,ঠিকনা স্মৃতিৰ অন্ধকাৰ গুহাত। বিচাৰি পোৱাৰ আশা নাই। অতএৱ ৱিকিপিডিয়াত নতুন একাউণ্ট এটা খোলা হ'ল। খুলি লৈয়েই চিধাই গৈ উপস্থিত হ'লোঁ অসমীয়া 'ৱিকিউৎস'ৰ পদূলিত। ৱিকিউৎসৰ নঙলা মুহূৰ্ততে খোল খালে আৰু ময়ো আনন্দমনেৰে মুদ্ৰণ সংশোধন কৰিবলৈ চেষ্টা কৰিলোঁ। অৱধাৰিতভাৱেই হালধীয়া, নীলা, সেউজীয়া বুটামৰ ৰহস্য ভঙাৰ পৰা আৰম্ভ কৰি বিভিন্ন সংকেতৰ অৰ্থ-বুজোৱালৈকে প্ৰায়বোৰ কামত গীতাৰ্থ দা আৰু প্ৰাণজ্যোতি বাক আমনি দিবলৈ ধৰিলোঁ। ব্যস্ততাৰে ভৰা সময়ৰ মাজতো তেওঁলোকে জনা কথাবোৰ ভগাই লোৱাত সংকোচ

নকৰিলে। স্ক্ৰীণশ্বট মাৰি হোৱাটছআপত সোধা নানানটা প্ৰশ্ন-কৌতূহলৰ তেওঁলোকে সঁহাৰি দি থাকিল। হোৱাটছ্এপত থকা আমাৰ গোটটোৰ সদস্য-সদস্যাসকলৰ আলোচনাবোৰেও যথেষ্ট সহায় কৰিলে। তেওঁলোকক দিবলৈ মোৰ ওচৰত এতিয়া কৃতজ্ঞতা আৰু ধন্যবাদৰ বাহিৰে অইন একো নাই।

যি কি নহওক; এনেকৈয়ে দুটামান কথা শিকি-বুজি,কেইটামান পৃষ্ঠা মুদ্ৰণ সংশোধন কৰি-মেলি এসময়ত গুৱাহাটীৰ ৰেইনছ্ ইন হোটেলত অনুষ্ঠিত হোৱা আৱাসিক কৰ্মশালাত যোগদান কৰিলোঁগৈ। মোৰ ৰূমমেট আছিল ভাস্কৰ নামৰ লখিমপুৰৰ ল'ৰা এজন। চিনাকি হ'লোঁ। কাম কৰাৰ অদম্য হেঁপাহেৰে উদ্বুদ্ধ হৈ থকা ল'ৰাটোক লগ পাই উৎসাহবোধ কৰিলোঁ। ভাস্কৰৰ নিচিনা আন বহুকেইগৰাকী সক্ৰিয় সদস্যক লাহে-লাহে সেই কৰ্মশালাত লগ পালোঁ। আটাইৰে সময়োপযোগী চিন্তা আৰু কৰ্মনিষ্ঠাৰ লগত পৰিচয় হ'লোঁ। আটাইৰে ইমান উদ্দীপনা! ইমান নিষ্ঠা! বৰ আহ্লাদিত হ'লোঁ। সেই দুদিনীয়া কৰ্মশালাত ৱিকিউৎসৰ সম্পাদনাৰ পৰা আৰম্ভ কৰি অটিআৰএছ পদ্ধতিৰে কপিৰাইটযুক্ত গ্ৰন্থ আপলোড কৰালৈকে-বিভিন্ন কথা শিকোৱা হ'ল। আমাৰ বাবে অত্যন্ত গৌৰৱ আৰু সুখৰ কথা যে, সেই দুটা দিনতে আমি ৱিকিপিডিয়ানসকলে মিলি তিনিখন পুৰণি অসমীয়া গ্ৰন্থৰ সংশোধন সমাপ্ত কৰিলোঁ। ৰাইজে নখ জোকাৰিলে যে নৈ বৈ যায়- আকৌ এবাৰ প্ৰমাণিত হ'ল।

কৰ্মশালাত প্ৰশিক্ষক টিটো দত্ত, জয়ন্ত নাথৰ জৰিয়তে অসমীয়া ৱিকিউৎসৰ বৰ্তমানৰ স্থিতি সম্পৰ্কে ভালেমান কথা জানিব পাৰিলোঁ। জানিব পাৰিলোঁ– বিশ্বৰ দৰবাৰত অসমীয়া ৱিকিউৎসৰ দুখজনক স্থিতিৰ বিষয়ে। মনটো বৰ বেয়া লাগিল। আমি জাতিটো সদায়েই সকলো ক্ষেত্ৰতে পিছ পৰিয়েই থাকিম নেকি! তিনি কোটি মানুহৰ এখন ৰাজ্য। অথচ ৱিকিউৎসত কাম কৰিবলৈ এশজন সক্ৰিয় কৰ্মী নাই। ভীষণ লজ্জাৰ কথা। পিছমুহূৰ্ততে নিজকে সুধি চালোঁ– তয়ো দেখোন পৰহিহে ৱিকিউৎসলৈ আহিছ! আনক সমালোচনা কৰিবলৈ আহ! কথাটো নোহোৱা নহয়। তেজৰ ৰক্তসঞ্চালন বৃদ্ধি কৰা আমাৰ সাতামপুৰুষীয়া আৱেগবোৰ এতিয়া এৰিবৰ হ'ল। কথা বহুত হ'ল। এতিয়া কাম কৰাৰ সময়। মোৰ মতে, কৰ্মৰ জোৰেৰে বিশ্বৰ মানচিত্ৰত সুশৃংখলিত আৰু মৰ্যাদাসম্পন্ন ছবি এখন আঁকিবলৈ অহৰহ চেষ্টা কৰি থকা জাতি এটাইহে কাললৈ খিয়াতি ৰাখি যাব পাৰে। জাতি এটাৰ

চিন্তাবোৰ হ'ব লাগিব সময়সাপেক্ষ, সুদূৰপ্ৰসাৰী আৰু যুক্তিনিৰ্ভৰ। অতীতত নহয়, আমি খোজ পেলাব লাগিব বৰ্তমানৰ পথেৰে। দৰকাৰ হ'লে নতুন পথো তৈয়াৰ কৰিব লাগিব। তেহে আমি ভৱিষ্যতক এক সুন্দৰতৰ, উজ্জ্বলতৰ ৰূপত আৱিষ্কাৰ কৰিম পাৰিম। চিন্তাবোৰ, আৱেগবোৰ ছ'ছিয়েল মিডিয়া, বাতৰি-কাকত, নাইবা সাময়িক তৰ্জন-গৰ্জনতে সীমাৱদ্ধ হৈ থাকিলে আমি আগবাঢ়িব নোৱাৰিম। কোৱাটো নিষ্প্ৰয়োজন, অসমীয়া ৱিকিউৎস অথবা অসমীয়া ৱিকিপিডিয়া হৈছে বৰ্তমানৰ পৃথিৱীত জাতি এটাৰ স্থিতি, ক্ষমতা তথা শক্তি-সামৰ্থ প্ৰদৰ্শন কৰাৰ অন্যতম মঞ্চ। সেই মঞ্চত অভিনয় কৰিবলৈ বিশেষ একো নালাগে। কেৱল মনত এটা ইচ্ছা জাগ্ৰত হ'ব লাগে। আপুনি ইচ্ছাটো কৰক, দেখিব সময় আপোনা-আপুনি আহি আপোনাৰ সমুখত হাজিৰ। ইচ্ছাটো কিমান প্ৰবল, কিমান গভীৰ-তাৰ ওপৰতেই নিৰ্ভৰ কৰিব সেই 'সময়'ৰ শ্ৰী-চেহেৰা; ইচ্ছা-নিৰ্ভৰ সেই সময়ৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠিব মোৰ বা আপোনাৰ কৰ্মনীতি। ইচ্ছাত দৃঢ়তা থাকিলে দেখিব, উশাহ ল'বলৈ আহৰি নোপোৱা দিন এটাতো আপুনি ৱিকিপিডিয়াত দেখা ভুল বানান এটা সংশোধন কৰিবলৈ সময় বিচাৰি পাইছে, নাইবা ৱিকিউৎসত পৃষ্ঠা এটা বৈধকৰণ কৰিবলৈ উচ্পিচাব লাগিছে। সেই উচ্পিচনি, আগ্ৰহ নাইবা হেঁপাহেই হৈছে মাতৃভাষাৰ প্ৰতি থকা আমাৰ শ্ৰদ্ধা, স্নেহ আৰু দায়বদ্ধতা।

জাপানী কবিতা এটাৰ উদ্ধৃতি দি ড॰ নিৰ্মলপ্ৰভা বৰদলৈয়ে তেওঁৰ আত্মজীৱনীত লিখিছিল– "আমি সৰু তৰাবোৰেই দায়িত্বৰ বিশাল আকাশখন কঢ়িয়াব লাগিব।" আমাৰ ৱিকিপিডিয়াও এখন বিশাল আকাশ। সেইখন আকাশতে পৃথিৱীৰ বহু দেশ, বহু জাতি, বহু ৰাজ্য উবুৰি খাই পৰিছে। কৰ্মৰ দ্বাৰা তেওঁলোকে নিজ নিজ প্ৰান্তৰ পোহৰাইছে আৰু আগুৱাই গৈছে। আকাৰত সৰু হ'লেও অসম আৰু অসমীয়াৰো সেইখন আকাশত নিজৰ বুলিবলৈ ঠাই অকণ আছে। আমি এতিয়া মৰ্যাদাসহকাৰে সেই আকাশত আকাৰ বঢ়োৱাৰহে কথা। তাৰ দায়িত্বনো কোনে ল'ব। বৰদলৈ বাইদেৱে কোৱাৰ নিচিনা- সেই দায়িত্ব ল'ব লাগিব 'আমাৰ দৰে সৰু-সৰু তৰাবোৰে'ই। মোৰ দৃঢ় বিশ্বাস, অসমীয়া ৱিকিপিডিয়া সমাজৰ তৰাবোৰে নিজৰ কৰ্ম সঠিকভাৱে সম্পাদন কৰি থকালৈকে, নিজৰ দায়িত্বৰ গুৰুত্ব অনুধাৱন কৰি থকালৈকে- বৈচিত্ৰ্যময় সেই আকাশখন সদায়েই জলমলাই থাকিব। পলমকৈ হ'লেও আলোকৰ সেই দীপ্তিমান ৰশ্মিয়ে এদিন আকাশৰ আটাইকেউটা চুক

স্পৰ্শ কৰিব। বিশ্বৰ দৰবাৰত অসমীয়া ভাষাই এদিন গৌৰৱৰ হাঁহি মাৰিব। আশা কৰোঁ, সেই দিনটোৰ সোনকালে আৱিৰ্ভাৱ হওক।

অসমীয়া ৱিকিপিডিয়া সমাজৰ প্ৰতিগৰাকী সদস্য, প্ৰশাসক আৰু শুভাকাংক্ষীলৈ মোৰ অন্তৰৰ গভীৰতম শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাই এইবেলিৰ 'ৱিকিপিডিয়ানৰ মনৰ কথা' সামৰিছোঁ। সকলোকে বহুত বহুত ধন্যবাদ।

## অনামিকা বড়া

## অক্টোবৰ, ২০১৯

"মেলিলোঁ প্ৰথম চকু তোমাৰ কোলাতে আই

জীৱনৰ আদিম পুৱাত,

মুদিম আকৌ চকু তোমাৰ কোলাতে শুই

জীৱনৰ শেষ সন্ধিয়াত।"

– নলিনীবালা দেৱী



অবুজন হৈ থকা কালতে মাতিবলৈ শিকা প্ৰথম শব্দ "মা", হাতত ধৰি থিয়দঙা দিবলৈ শিকোৱা হাতখন "দেউতা"ৰ, কেঁচুৱাকালৰ সেই অতি বিশেষ মধুৰ ক্ষণটিত তেতিয়া কি অনুভৱ কৰিছিলোঁ মনত নপৰে, নপৰাটোৱেই স্বাভাৱিক। কিন্তু মনত আছে আইতাৰ সাধু শুনি শুনি পাৰ কৰা শৈশৱৰ কোনো এক ক্ষণতে শিক্ষকতা

বৃত্তিত জড়িত দেউতাই আনি দিয়া এখন কিতাপৰ কথা। বিদ্যালয়ত আনুষ্ঠানিক শিক্ষাৰ আৰম্ভণি নৌহওঁতেই দেউতাই আনি দিয়া কিতাপখন আছিল অ, আ, ক, খ থকা চিত্ৰ সম্বলিত কিতাপ। এদিন ৰাতিপুৱা বাৰাণ্ডাত কিতাপখনৰ স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ থকা পৃষ্ঠা দুটা মেলি লৈ বহি গ'লোঁ। হাতত কাঠপেঞ্চিল আৰু দেউতাই দিস্তা কাগজেৰে চিলাই দিয়া এখন বহী। হাতৰ পেঞ্চিলেৰে বৰ্ণমালাৰ বৰ্ণবোৰৰ ওপৰত এটা এটাকৈ ঘঁহাই তাক অনুসৰণ কৰি বহীখনত লিখি গ'লোঁ। গোটেইখিনি লিখি হোৱাৰ পিছত বাৰীত কাম কৰি থকা দেউতাক চিঞৰি মাতি দেখুৱালোঁ। কোৰখন চোতালতে থৈ দেউতাই বহীখন হাতত লৈ উৎসুকভৰা চাৱনিৰে চাবলৈ ধৰিলে। তেনেতে মা-ও ভিতৰৰ পৰা আহি মোৰ কাণ্ড দেখি অবাক। কিতাপখনত অঁকাৰ বাবে তেতিয়াই কোনো গালি নিদি কিন্তু মা-দেউতা দুয়োয়ে "ভাল হৈছে, আৰু ভাল হ'ব লাগিব" জাতীয় কথাৰে উৎসাহ দি হাঁহি হাঁহি নিজ নিজ কামত লাগিলগৈ। নিজাকৈ কৰা কিবা এটা কামে মা (ৰুণুমাই বড়া) আৰু দেউতা (অনন্ত বড়া)ৰ মুখলৈ অনা সেই উজ্জ্বলতাখিনি মোৰ এতিয়াও মনত আছে যিয়ে নেকি মোৰ কোমল অন্তৰ অজানা আনন্দেৰে পুলকিত কৰিছিল। সেই আনন্দতে "ভাষা" কি সেয়া নিশিকা, নুবুজাকৈয়ে অসমীয়া বৰ্ণমালাৰ লগত বান্ধ খাই পৰিছিলোঁ এক আবেগত। নক'লেও হ'ব সেই আবেগেই হৈছে আমাৰ প্ৰত্যেকৰে অন্তৰত নিজ মাতৃভাষাৰ প্ৰতি থকা দুৰ্বাৰ টান যি প্ৰতিজন লোকৰে অন্তৰত থাকেই মাথোঁ কেৱে প্ৰকাশ কৰে কেৱে নকৰে।

২০১৯ বৰ্ষৰে জানুৱাৰী মাহৰ শেষৰ ফালে সামাজিক প্ৰচাৰ মাধ্যমত ভ্ৰাতৃপ্ৰতীম মৃদুল কুমাৰ শৰ্মা ("লাচিত কী বৰ্ড"ৰ স্ৰষ্টা) আৰু ডা° গীতাৰ্থ বৰদলৈ ("হেলথ্ গাইড"ৰ লেখক) দাদাৰ ৱালত পাইছিলোঁ ৱিকিউৎসৰ কৰ্মশালা সম্পৰ্কীয় এটা প'ষ্ট, যিটো সময়ত ৱিকিউৎস খাই নে পিন্ধে একোৱেই নাজানো। কৰ্মশালাখনিত সেয়ে যিকোনো উপায়েৰে হ'লেও অংশগ্ৰহণ কৰাৰ কথা চিন্তা কৰিলোঁ। ইতিমধ্যে পিতৃসম শান্তনু কৌশিক বৰুৱাৰ "অসমৰ ঐতিহ্য" গ্ৰন্থখনিৰ যোগেদি এবছৰ পূৰ্বে গীতাৰ্থ দাদাক চিনি পোৱাৰ সৌভাগ্য হৈছিল। কাজেই পষ্টটো পঢ়ি লৈ যেতিয়া "অসমীয়া ভাষাৰ ডিজিটাইজেচনৰ জৰিয়তে উত্তৰোত্তৰ"ৰ বিষয়ক বুলি জানিলোঁ, গীতাৰ্থ দাদাৰ পৰা প্ৰাৰম্ভিক বিষয়বস্তুখিনি জানি লৈ একাউণ্ট খুলিলোঁৱেই। সেয়াই আছিল অসমীয়া ৱিকিপিডিয়া আৰু ৱিকিউৎসৰ লগত মোৰ প্ৰথম চিনাকি।

চিনাকি হৈয়ে একপ্ৰকাৰ গাত তৎ নাই। ম'বাইলত নতুন কাম কৰাৰ, শিকাৰ "জৌচ"টো বেছি বুলি বন্ধুমহলত মোৰ নাম এটা আছেই, তাতে "মাতৃভাষা অসমীয়া"ক লৈ যেতিয়া আৰু কথাই নাই। পিছে সেইটো সময়ত ম'বাইলত 'ডেস্কটপ' মোড কৰি ল'ব জনা নাছিলোঁ। ফলত যিটো উৎসাহত বেলুন ফুলাদি ফুলি কাম আৰম্ভ কৰিছিলোঁ, তিনিটামান পৃষ্ঠা কৰাৰ পিছতে ম'বাইলৰ স্ক্ৰীণখন তল-ওপৰ কৰি জুপি থকাত এলাহ লাগি সেই "জৌচ"টো দমি গ'ল। মাজতে আকৌ গুপ্তশব্দ পাহৰি নতুন একাউণ্ট খুলিব লগা হ'ল। তেনেকৈয়ে যেনে তেনে দৈনিক পঢ়া-শুনাৰ মাজতে এমাহমানৰ ভিতৰত মোৰ দ্বাৰা মুঠেই ঊনৈশ নে বিশ পৃষ্ঠামানহে মুদ্ৰণ সংশোধনৰ কাম কৰা সম্ভৱ হ'ল। ইফালে সেই সময়খিনি আছিল ইটো সিটো প্ৰতিযোগিতামূলক পৰীক্ষাৰো সময়। গতিকে সময় মিলাব নজনা মইজনীক এলাহেও যোগ দি ৱিকিউৎসৰ কামক এলাগী কৰোঁৱাই সিমানতে সেই সময়ৰ ৱিকিযাত্ৰা স্থগিত কৰালে।

চাওঁতে চাওঁতে অসমীয়া ৱিকিউৎসৰ প্ৰথমখন কৰ্মশালাৰ সময় আহি পালেহি। মনে বিচাৰিলেও পৰীক্ষাৰ চাপত ওলাই যোৱাটো সমীচীন নহ'ব বুলি ভাবি লৈ তাত যোগদান নকৰাৰে সিদ্ধান্ত লওঁ লওঁ। কিন্তু সময়ে কাৰ বাবে কি ঠিক কৰি থৈছে কোনে জানে। তেনে এক সময়তে গীতাৰ্থ দাদাই যোগদানৰ বাবে মনত পেলাই দিয়া বাৰ্তাটোৱে মোৰ সমগ্ৰ সিদ্ধান্তক সলনি কৰি দিলে। ক'ব নোৱাৰাকৈয়ে চিধাই অংশগ্ৰহণ কৰাৰ নিশ্চিতিত চহী কৰি দিলোঁ। সেই তাৎক্ষণিক সিদ্ধান্তৰ বাবে আজি মই নিজেই নিজক ধন্যবাদ দিওঁ। ১১ আৰু ১২ মে'ত গুৱাহাটীৰ পল্টনবজাৰস্থিত হোটেল ৰেইনছ ইনত অনুষ্ঠিত দুদিনীয়া সেই কৰ্মশালাখনি মোৰ জীৱনৰে এক টাৰ্ণিং পইণ্ট বুলিলেও বঢ়াই কোৱা নহ'ব। অসমৰ বিভিন্ন প্ৰান্তৰ ১৪ জন ৱিকিপিডিয়ানৰ সৈতে একেলগে ৱিকিউৎসৰ কাম শিকি, কৰি সেই দুমাহৰ আগতে উৎসাহ হেৰুৱাই স্থগিত হোৱা মোৰ ৱিকিযাত্ৰাক পুনৰ গতি দিবলৈ অন্তৰৰ পৰা দায়বদ্ধ হৈ পৰিছিলোঁ। সেই দায়বদ্ধতাৰ আপাহতে আজি এই মুহূৰ্ত্তত লিখিব পাৰিছোঁ "ৱিকিপিডিয়ানৰ মনৰ কথা"।

এইখিনিতে কৰ্মশালাখনিৰ কথা অলপ নক'লে ৱিকিপিডিয়ানৰ মনৰ কথা আধৰুৱা হৈ ৰ'ব যদিওবা এই বিষয়ে অনুভৱ প্ৰকাশ কৰি শেষ কৰিব পৰাৰ ক্ষমতা মোৰ নাই। সঁচা অৰ্থত সেই কৰ্মশালাখনি বহুত দিশৰ পৰা

মোৰ বাবে স্মৰণীয় হৈ ৰ'ব। ইটো সিটোৰ লগতে বৃত্তিগত ব্যস্ততাৰ পিছতো অসমীয়া ভাষাটোৰ লগত অহৰ্নিশে লাগি থকা গীতাৰ্থ দাদাৰ লগতে বিষ্ণু দা, নিতুল দা, বাবুল দা, অনিমেষ দাহঁতৰ কৰ্মোদ্যম, সাংসাৰিক ব্যস্ততা তথা শাৰিৰীক অসুস্থতাকো নেওচি যোৰহাটৰ পৰা আহি উপস্থিত হোৱা প্ৰাণজ্যোতি বাৰ মনোবল, গীতাৰ্থ কৌশিক দা, নিৰঞ্জন, বিদ্যুত, নয়ন, অজয় সকলোৰে কৰ্মস্পৃহা, একো নাজানো নাজানো কৈ কথা তাজনীনৰ জ্ঞানৰ বিশাল ভাণ্ডাৰ, কথাই প্ৰতি মাননিৰ কথা কৈ হহুঁৱাই থকা ভাস্কৰৰ ৱিকিউৎসত একেবাৰে সোমাই যোৱাৰ উদাহৰণ, অন্য এজন অগ্ৰজ ৱিকিপিডিয়ান ঈশানদাৰ ঘপাঘপ কাৰিকৰী জ্ঞান আয়ত্ত কৰিব পৰা কৌশল এই সকলোবোৰ মোৰ দৰে ন শিকাৰুৰ বাবে অনুপ্ৰেৰণাৰ উৎস আছিল। প্ৰশিক্ষকদ্বয় শ্ৰদ্ধাৰ জয়ন্ত নাথ আৰু টিটো দত্তৰ বন্ধুত্বসুলভ শিক্ষণ প্ৰণালীয়ে দুগুণ উৎসাহ যোগাইছিল। সেই দুটা দিনত বিশ্বৰ প্ৰেক্ষাপটত অসমীয়া ভাষাৰ অৱস্থান, সদস্যৰ পৰিসংখ্যাৰ পৰা আৰম্ভ কৰি কমন্সত কিতাপ আপল'ড কৰালৈকে, ৱিকিউৎসত পৃষ্ঠা অ' চি আৰ, মুদ্ৰণ সংশোধন, বৈধকৰণ কৰাৰে পৰা সম্পূৰ্ণ হোৱা কিতাপ এখন ট্ৰান্সক্লুছন কৰা পৰ্যন্ত আদি ভালেখিনি কাৰিকৰী কাম আমাক শিকোৱা হৈছিল। উল্লেখযোগ্য যে সেই দুদিনতে মুঠ তিনিখন কিতাপৰ কাম সম্পূৰ্ণ কৰা হৈছিল। মুঠৰ ওপৰত অসমীয়া ৱিকিউৎসৰ প্ৰথমখন কৰ্মশালা প্ৰকৃতাৰ্থত সফল হৈছিল। কৰ্মশালাৰ অভিজ্ঞতাৰ কথা কৈ থাকিলে শেষ নহ'ব গতিকে ইমানতে সামৰিছোঁ।

এই ছেগতে জন্মলগ্নৰে পৰা বৰ্তমান সময়লৈকে নানান উত্থান-পতনৰ মাজেৰে অসমীয়া ৱিকিপিডিয়া আৰু অসমীয়া ৱিকিউৎসক বৰ্তমান পৰ্যায়লৈকে আগবঢ়াই লৈ অনা প্ৰশাসকগোষ্ঠীৰ লগতে প্ৰতিজন ৱিকিপিডিয়ানলৈ অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সেইসকলৰ কাৰণেই আজি ভাষাক লৈ দপদপাই থাকিব পৰাকৈ এনে এখন ক্ষেত্ৰ পাইছোঁ। বিশেষকৈ এই ক্ষেত্ৰখন চিনাকি কৰাই দিয়া বৰ্তমান ৱিকিপিডিয়াৰ প্ৰশাসক ডাº গীতাৰ্থ বৰদলৈ দাদাৰ ওচৰত মই বিশেষভাৱে কৃতজ্ঞ। উল্লেখযোগ্য যে কৰ্মশালাখনিৰ কেইদিনমান পিছত 'ডেক্সটপ মোড' কৰাটো বন্ধু অজয়ৰ পৰা শিকাৰ পিছতহে মোৰ সম্পাদনা গতি ত্বৰান্বিত হৈছিল। জুলাইৰ বন্ধত অনবৰতে ৱিকিউৎসতে লাগি থাকি এক প্ৰকাৰ নিচাৰ দৰে হৈ পৰাৰ পিছত "অসমীয়া ৱিকিপিডিয়া"তো কিবা এটা আৰম্ভ কৰোঁ বুলি মনস্থ কৰিলোঁ অগ্ৰজ

ৱিকিপিডিয়ান ঈশানদাৰ সাহসত। অনুবাদেৰেই আৰম্ভ কৰিছিলোঁ যদিও ইংৰাজীত অত্যাধিক দুৰ্বল হোৱাৰ হেতুকে সেইয়া আধৰুৱা হৈ ৰ'ল। শেহতীয়াকৈ ভাইটি চাণক্য আৰু প্ৰিয়াংকুশৰ পৰাও ৱিকিপিডিয়াৰ অলপ কাৰিকৰী দিশ শিকিলোঁ। যিকোনো অসুবিধাতে বিচৰা মাত্ৰকে পোৱা সহায়ৰ এই হাতসমূহক ধন্যবাদ জনাবলৈ ভাষা নাই মোৰ।

প্ৰসংগক্ৰমে উল্লেখ কৰোঁ যে মই এতিয়াও "অসমীয়া ৱিকিপিডিয়া" মহাসাগৰৰ মাত্ৰ এটোপাল পানী পান কৰা ন-শিকাৰুহে। বহুতখিনি শিকিবলৈকে আছে যি পৰ্যাপ্ত সময় মিলাব নজনাৰ বাবে শিকিম শিকিম কৈ থুপ খাই আছে। এই লৈ নিজৰ ওপৰতে কিছু আক্ষেপ ৰৈ যায়। কিয়নো ২০১৪ চনত প্ৰথম ফে'চবুক, ইণ্টাৰনেট ব্যৱহাৰ শিকি সেইবছৰেই শেহলৈ অসমীয়া টাইপিং শিকিবলৈ লোৱাৰ পৰা কৰ্মশালাৰ আগমুহূৰ্তলৈকে প্ৰায় পাঁচবছৰ সময় এটা ভাল কাম কৰাৰ পৰা বঞ্চিত হৈ ৰ'লোঁ। সজাগতাৰ অভাৱতে ৱিকিৰ জগতখনৰ একোকে নাজানিলোঁ সেই সময়ছোৱাত যি সময়ত আজৰি সময়ৰ অভাৱ নাছিল, দায়িত্বৰ হেঁচাবোৰ কম আছিল আৰু ৱিকিপিডিয়াক দিব পৰা সময়, সুবিধা, সমল আদিৰ অভাৱ নাছিল। তথাপিতো 'আশাবাদী' জীৱ। শেহতীয়াকৈ হ'লেও এই ক্ষেত্ৰত চকু মুকলি হোৱাটোৱেই 'নাই মোমাইতকৈ কণা মোমায়ে ভাল'ৰ দৰে সন্তুষ্টি লভোঁ। বৰ্তমান সময়ত পূৰ্বতকৈ সজাগতা বৃদ্ধিৰ চেষ্টা চলাই থকা হৈছে যদিও ঠায়ে ঠায়ে কৰ্মশালাৰ অতীব্ৰ প্ৰয়োজন মই অনুভৱ কৰোঁ কিয়নো মুষ্টিমেয় সদস্যকেইজনে সকলোকে আঁতি-গুৰি মাৰি শিকাই বুজাই আগবঢ়াই নিব পৰাটো অতি দুৰূহ কাম। নিজ অভিজ্ঞতাৰ পৰা কৈছোঁ বহুকেইজন আগ্ৰহীক লগ পাইছোঁ যদিও পৰ্যাপ্ত ধৰণেৰে সেইসকলক শিকাই বুজাই লৈ যোৱাত কোনোবাখিনিত ব্যৰ্থ হৈ পৰিছোঁ। নিজৰ ক্ষেত্ৰতে যিদৰে কৰ্মশালাখনিয়েহে গতি আনি দিছিল, সেই অভিজ্ঞতাই কয় কৰ্মশালাৰ গুৰুত্ব সাম্প্ৰতিক সময়ত অপৰিসীম।

যোৱা চাৰি-পাঁচমাহে অনুভৱ কৰিছোঁ জলী ৰুমী বায়ে কোৱাৰ দৰে "ৱিকি আসক্তি", যিয়ে নেকি মনলৈ আহিব পৰা সকলো ঋণাত্মক চিন্তাক দূৰতে বিদূৰ কৰি এক জীৱনমুখী চিন্তাধাৰাৰ উৎকৰ্ষ সাধনত অন্যতম ভূমিকা লৈছে। আজিকালি ম'বাইলটো হাতত ল'লেই ফে'চবুক কিম্বা হোৱাটছআপ পাহৰি ৱিকিউৎসৰ পৃষ্ঠাটোহে প্ৰথমেই খোলা যায়। এই ৱিকি

আসক্তিক এৰুৱাবলৈ কোনো অজুহাত বিচাৰি নাপাওঁচোন। ৱিকিজগতে কি দিছে সেইয়া ইয়াত একান্তমনে জড়িতসকলেহে অনুভৱ কৰিব পাৰে। সেই অনুভৱক ভাষাৰে প্ৰকাশ কৰি বুজাব পৰা নাযায়। হতাশাৰ সময়তো আশাৰ কাম কৰা, দুখৰ সময়তো সন্তুষ্টিৰ অৱকাশ আনিব পৰা, আনন্দৰ সময়তো সংযমতা আনিব পৰা এখন অন্যতম ক্ষেত্ৰ হৈছে ৱিকিজগত, বিশেষকৈ ৱিকিউৎস। ই এনে এক মহৌষধ, যি কেৱল আপোনাকেই উপশম নকৰে বৰঞ্চ সেইয়া হৈ পৰে মাতৃভাষাৰ হকে এক বৃহৎ বৰঙণি। তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৱেই নিজ নিজ ধৰণেৰে আনন্দ, সন্তুষ্টি বিচাৰি ল'ব পৰা এখন ক্ষেত্ৰ হৈছে ৱিকিজগত য'ত জড়িত হ'বলৈ বয়সৰ নাই কোনো সীমাবদ্ধতা, নাই কোনো বৰ্ণ বৈষম্যবাদ, নাই কোনো সদস্যভৰ্তিৰ সীমাসংখ্যা কিম্বা সময়সীমা। মই নিশ্চিত যে কিহৰ তাড়নাত অত্যন্ত ব্যস্তভৰা, কষ্টভৰা দিনতো ৱিকিপিডিয়া বা ৱিকিউৎসত এবাৰ চকু ফুৰাবলৈ শক্তি আৰু সময় বিচাৰি পোৱা যায় সেইয়া মোৰ লগতে সক্ৰিয় ৱিকিপিডিয়ানসকলেও পদে পদে অনুভৱ কৰে। এনে সময়তে মনটোৱে আওঁৰাই লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ কালজয়ী কবিতা-

"আহি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম
সকলো আছিল সকলো আছে
নুবুজোঁ নলওঁ গম।

... ... ...
বাজক দবা বাজক শংখ
বাজক মৃদংগ খোল
অসম আকৌ উন্নতিৰ পথত
জয় আই অসম বোল।"

এনে অনুভৱেৰে আবৃত হৈ মনে মনে নেদেখাজনলৈ প্ৰাৰ্থনা জনাওঁ যে এনেদৰে সেৱা কৰি যাব পৰা মনটো, স্পৃহাখিনি, উদ্যমখিনিক যেন

আমৃত্যু জীয়াই ৰাখি কৰ্মক্ষেত্ৰত প্ৰয়োগ কৰি যাব পাৰোঁ। সেই কৰ্মোদ্যমৰ লেখ যেন উৰ্দ্ধগামী হওক।

এনে সময়তে নিজকে ঠাণ্ডা দিনত গেৰেজত সোমাই থকা দুচকীয়া বাহন এখনৰ লগত তুলনা কৰিব পাৰি। যিদৰে বহুতদিন নচলোৱাকৈ থকা বাহনখন চলাবৰ বাবে অলপ সময় ৰ'দত ৰাখি ষ্টাৰ্ট দি ল'বলগা হয়, তাৰ পিছতহে গতি লাভ কৰি সি চলি থাকে, তেনেদৰে ইতিমধ্যে একাউণ্টধাৰীসকলেও দৈনিক নোৱাৰিলেও সপ্তাহে, পষেকে দুই এক পৃষ্ঠাৰ কাম কৰিবলৈ দহ মিনিট সময় উলিয়াই ল'লে ৱিকিযাত্ৰাৰ গাড়ীখনক বাৰে বাৰে ষ্টাৰ্ট দিয়াৰ প্ৰয়োজন নাথাকে। প্ৰথমে এক ব্যায়াম হিচাপে ভাবি কৰি গ'লে এই কাম সময়ত অভ্যাসত পৰিণত হৈ যায় আৰু সময়ৰ বাবে দুনাই চিন্তা কৰাৰ প্ৰয়োজন নহয়। তাৰ উদাহৰণ মই নিজে। প্ৰথমে সময়ৰ বাবে চিন্তা কৰা মইজনীয়ে দুটা পিৰিয়ডৰ মাজৰ সময়খিনি, গাড়ীত উঠিবলৈ ৰৈ থকা সময়খিনি, সভা সমিতিৰ বিৰতিৰ সময়খিনি, ডাক্তৰৰ চেম্বাৰ আদিত অপেক্ষা কৰি থকা সময়খিনি ইত্যাদি নানান কামৰ ফাঁকে ফাঁকে ম'বাইলটো উলিয়াই ৱিকিউৎসত লাগি যোৱাটো একপ্ৰকাৰ অভ্যাসেই হৈ পৰিছে আৰু সেয়ে নাপাহৰিলে ম'বাইলৰ চাৰ্জাৰডালো লগত লৈয়ে ফুৰা হয় আজিকালি।

সদৌ শেষত ভাষা সাহিত্য, শিক্ষা সংস্কৃতি, উদ্ভাৱনী ক্ষেত্ৰ আদি বিভিন্ন দিশত অক্লান্ত পৰিশ্ৰমেৰে অৱদান আগঢ়াই থকা মহান ব্যক্তিসকলক বাদ দি অসমীয়া ভাষাটোৰ প্ৰতি অগাধ মৰম কঢ়িয়াই ফুৰা প্ৰতিজন অসম প্ৰেমী, বিশেষকৈ যুৱ প্ৰজন্মলৈ আকুল আহ্বান যে ৰাজনীতিৰ মেৰপাক, সস্তীয়া জনপ্ৰিয়তা, প্ৰতিবাদী সমদল আদিৰ বিপ্লৱৰ সময় উকলি এতিয়া কথাৰে নহৈ কামৰ সময় সমাগত। চিন্তাবোৰ, আৱেগবোৰ, অনুভূতিবোৰক সঠিক দিশত বোৱাই কেৱল সামাজিক প্ৰচাৰ মাধ্যম, বাতৰি কাকত আদিতে সীমাবদ্ধ নাৰাখি হাতে-কামে আগবাঢ়িবৰ হ'ল। বৰ্তমান এই বিশ্বায়নৰ যুগত অসমীয়া ৱিকিউৎস তথা ৱিকিপিডিয়া হৈছে বৰ্তমান অসমীয়া জাতিৰ, পৃথিৱীত স্থিতি, ক্ষমতা তথা শক্তি-সামৰ্থ প্ৰদৰ্শন কৰাৰ অন্যতম মঞ্চ যিখন মঞ্চত যিকোনো লোকেই নিজৰ বলিষ্ঠ অভিনয়েৰে নাম ৰাখি যাব পাৰে একমাত্ৰ "দৃঢ় ইচ্ছা"ৰ বলত। খোজটো দিবলৈ ভৰিটো আগবঢ়োৱা মাত্ৰকে সকলো ৱিকিপিডিয়ান আপোনাক সহায় কৰিবলৈ প্ৰতি নিয়ত সাজু, আগ্ৰহী তথা দায়বদ্ধ। যি মাতৃভূমিৰ বায়ু, পানী গ্ৰহণ কৰি ডাঙৰ দীঘল হৈ যি জাতিৰ

নামেৰে আমি নিজক চিনাকি দিব পাৰিছোঁ, সেই জাতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ নিজ মাতৃভাষাৰ প্ৰতি আমি অলপমানো দায়িত্ব নাই জানো আৰু সেই দায়িত্বক অনুধাৱন কৰিব পৰাকৈ আমি জানো শিক্ষিত নহয়? যদি হয় কি চিন্তা কৰি আছে, বিলম্বৰ প্ৰয়োজন নাই। আহক, অসমীয়া ৱিকিজগতৰ এই অভিনৱ, অৰ্থপূৰ্ণ যাত্ৰাৰ বিশ্বস্ত সংগী হৈ আমি সহযোগিতাৰে চিৰ চেনেহী মাতৃভাষা অসমীয়াৰ গৌৰৱ আৰু সুষমা বৃদ্ধিৰ অংশীদাৰ হোৱাৰ সুখানুভূতিৰে জীৱন ধন্য কৰোঁ।

"আহিনৰ পথাৰৰ গোন্ধ

কেনেবাকে' নাকত আহি লাগিলে

মই হেৰা পাওঁ মোৰ দেউতাক,

দোকানৰ জাপ-ভঙা গামোচাৰ সুৱাসত

হেৰা পাওঁ মোৰ আইক।

মই মোক মোৰ সন্তানৰ কাৰণে

ক'ত থৈ যাম?

ক'ত? "

নিৰ্মলপ্ৰভা বৰদলৈৰ এই তেজোদীপ্ত কবিতাৰ পৰ্ংক্তিৰে সকলোলৈকে পুনৰবাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি "অসমীয়া ৱিকিজগত"ৰ উত্তৰোত্তৰ কামনা কৰি অপৈণত লেখাটি সামৰিলোঁ।

## ভাস্কৰ ভূঞা

## ডিচেম্বৰ, ২০১৯



নিজকে 'ৱিকিপিডিয়ান' বুলি ভাবিবলৈ এতিয়াও বহুদূৰ বাকী। এতিয়া কেৱল ৱিকিপিডিয়াত লিখিবলৈ শিকিহে আছোঁ। নিজৰ জাতিটোৰ প্ৰতি থকা দায়বদ্ধতা নাইবা অসমীয়া ভাষাটোৰ বাবে সাধ্যানুসাৰে আৰু নিৰৱে কিবা এটা কৰি থৈ যোৱাৰ হেঁপাহেই সম্ভৱত ৱিকিপিডিয়াত লিখিবলৈ সকলো ৱিকিপিডিয়ানকে অনুপ্ৰাণিত কৰে। মই ৱিকিপিডিয়াত লিখিবলৈ প্ৰেৰণা পোৱাৰ অন্তৰালতো এনে কিছুমান কথাই জড়িত হৈ আছে। ৱিকিপিডিয়াত লিখিবলৈ যোৱা দুই-তিনিবছৰৰপৰা মোৰ মনত আগ্ৰহ জন্মি আছিল, কিন্তু কেনেকৈ কি কৰিব লাগে, ভালদৰে জনা নাছিলো। শেহতীয়াকৈ গুৱাহাটীত হোৱা ৱিকিউৎসৰ কৰ্মশালাখনত অংশগ্ৰহণ কৰাৰেপৰা পাৰ্যমানে ৱিকিপিডিয়া আৰু ৱিকিউৎসত লিখিবলৈ, সম্পাদনা কৰিবলৈ আৰম্ভ কৰিছোঁ। এতিয়াও বহুবোৰ বিষয় শিকিবলৈ, জানিবলৈ বাকী আছেই। আগন্তুক দিনত সেইখিনিও শিকি বুজি লৈ কাম কৰি যাম বুলি মন স্থিৰ কৰিছোঁ।

ৱিকিপিডিয়ানৰ মনৰ কথা লিখিবলৈ বহি প্ৰথমেই আক্ষেপ আৰু হতাশাৰে অসমীয়া বুলি চিনাকী দি ভাল পোৱা মোৰ জ্যেষ্ঠ, কনিষ্ঠসকলক দুটামান কথা অৱগত কৰিব বিচাৰিছোঁ। 'ভাষা নাথাকিলে জাতি এটাও নাথাকে' বুলি আমি প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি মেলে-মিটিঙে কৈ আহিছোঁ। এইবোৰ কথা কাগজে কলমে লিখাসকলে লিখি আছে। সমালোচনা কৰাই কৰি আছে। কিন্তু কাৰ্যক্ষেত্ৰত হাতে কামেহে কথাবোৰ বাস্তৱায়িত হোৱাগৈ নাই। ভাষা এটা জীৱিত সম্পদ নহয় যে আমাৰ আৱেগ আৰু ঐতিহ্য আছে বুলিয়েই স্বয়ংক্ৰিয়ভাৱে পৰিৱৰ্তিত সময়ৰ সৈতে নিজে নিজে গতি কৰি থাকিব। ভাষা এটাক সক্ষম আৰু সুঠাম কৰি ৰাখিব লাগিব আমি সেই নিৰ্দিষ্ট

ভাষাটো কোৱা মানুহখিনিয়েই। যদিহে নাৰাখে তেন্তে সেই ভাষাটোৱে নিজৰ কফিন নিজেই বিচাৰি ল'বলৈ বাধ্য হ'ব।

যি জাতিয়ে নিজৰ ভাষা আৰু সংস্কৃতিক সবলৰূপত প্ৰতিষ্ঠা কৰি সময়ৰ সৈতে লৈ যাব পৰা নাই; সেই জাতি নিঃশেষ হৈ যাবলৈ এই উত্তৰ-আধুনিক যান্ত্ৰিক যুগত বৰ বেছি পৰ নালাগে। উদাহৰণ বিচাৰিবলৈ বেলেগ ঠাইলৈ যাব নালাগে, আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ অনেক ভাষাগোষ্ঠীয়েই ইয়াৰ প্ৰমাণ। তাৰ পাছতো যদি আমি অসমীয়া জাতিয়ে কেৱল 'আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হ'ম' বুলি হাত সাবটি বহি থাকোঁ; তেন্তে 'নহ'লে অসমীয়া অসমৰ মাতিতে নিজহৈ ভগনীয়া হ'ব' বুলি ভূপেন হাজৰিকাই কৈ যোৱা আপ্তবাক্যশাৰী কাৰ্যক্ষেত্ৰত সঁচা হ'বলৈ বৰ বেছিদিন নালাগিব।

সাম্প্ৰতিক সময়ত ইণ্টাৰনেটৰ প্ৰয়োজন আৰু প্ৰাসংগিকতা ক'ত, সেয়া চৰ্বিতচৰ্বণ কৰাৰ প্ৰযোজন নাই। অন্যান্য জাতি-জনগোষ্ঠীৰ দৰে আমাৰ অসমীয়া জাতিটোৱেও পলমকৈ হ'লেও ইণ্টাৰনেটৰ জগতখনত নিজৰ পদচিহ্ন ৰাখিবলৈ সক্ষম হৈছে। এতিয়া আমাৰ তথ্য-প্ৰযুক্তিৰ সৈতে চিনা-পৰিচয় থকা মানুহখিনিৰ প্ৰধান কাম হ'ল ইণ্টাৰনেটত আমি আমাৰ ভাষাটোক কেনেকৈ সবলৰূপত প্ৰতিষ্ঠা কৰি থৈ যাব পাৰোঁ বা অনাগত দিনত আমাৰ জাতিটোৱে যাতে ডিজিটেল পৃথিৱীখনত মূৰ পোন কৰি থিয় হৈ থাকিব পাৰে তাৰ বাবে সাধ্যানুসাৰে কাম কৰা। আৰু সেই মূৰ থিয় দি থাকিব পৰাৰ বাবে কৰিবলগা সামগ্ৰিক প্ৰক্ৰিয়াটোৰ এটা প্ৰতিনিধিত্বমূলক বিষয় হ'ল- ৱিকিপিডিয়া, ৱিকিউৎসৰ মাধ্যমেৰে আমাৰ ভাষা, সাহিত্য, সংস্কৃতিক ডিজিটেল মাধ্যমত উপলব্ধ কৰোৱা। কিন্তু অতি দুখেৰে জনাওঁ তথ্য, প্ৰযুক্তিৰ মহাবিস্ফোৰণত বিস্ফোৰিত হৈ থকা আমাৰ একাংশ সচেতন অসমীয়া মানুহেই ৱিকিপিডিয়া কি; খায়নে পিন্ধে সেয়া নাজানে। আজিৰ তাৰিখতো ফে'চবুক, হোৱাটছ্আপত ঘণ্টা ঘণ্টা ধৰি সময় কটোৱা অসমীয়া মানুহখিনিয়ে ৱিকিপিডিয়াত যে কিবা এটা হ'লেও তথ্য লিখিব লাগে; সেই কথা চিন্তা নকৰে। কিন্তু একেখিনি মানুহ বা তেওঁলোকৰ সতি-সন্ততিয়ে কিন্তু অসমীয়া ভাষাত কিবা এটা বিষয় ইণ্টাৰনেটত চাৰ্চ কৰি নাপালে হতাশ হৈ 'অসমীয়াত যে একো নাপায়' বুলি হা-হুমুনিয়াহ কাঢ়ি মৰে। আৰু অসমীয়া ভাষাৰ সলনি ইংৰাজী, হিন্দী ভাষা শিকাৰ কাৰণ দৰ্শায়।

আনহাতে ৰাজপথত আন্দোলন কৰিবলৈ ওলাই নোযোৱা ব্যক্তি এজনৰো যে জাতীয়তাবোধ থাকিব পাৰে-সেইটো ধাৰণা আজিৰ তাৰিখলৈকে আমাৰ সমাজত দৃঢ়তাৰে প্ৰতিষ্ঠিত নহ'ল। অসমৰ দৰে ৰাজ্যত ৰাজনৈতিক সদিচ্ছাৰ কথাতো বাদেই; কলেজ, বিশ্ববিদ্যালয়সমূহেও অসমীয়া ভাষাটোক ডিজিটেল ৰূপত উপলব্ধ কৰোৱাটো কিমান যে প্ৰয়োজনীয় কৰ্ম; সেয়া সঠিকভাৱে উপলব্ধি কৰা নাই। ফৰাচী দাৰ্শনিক ভল্টেয়াৰে এসময়ত কৈছিল– "কিতাপেই আধুনিক পৃথিৱীখন শাসন কৰি আছে।" আজি একবিংশ শতিকাৰ দ্বিতীয় দশকত যেন এই কথাষাৰ নতুনকৈ উপলব্ধি কৰাৰ সময় আহি পৰিছে। আজিৰ তাৰিখত আমি সকলোৱে জানো — 'ইণ্টাৰনেটেহে আধুনিক পৃথিৱীখন শাসন কৰি আছে।' কিয় এনেকৈ কৈছোঁ অকণমান গমি পিতি চালেই সকলোৱে বুজি পাব। এনে ক্ষেত্ৰত উচ্চ-শিক্ষাৰ বাবে 'অসমীয়া ভাষা, সাহিত্য শিকি লাভ নাই' বুলি অনুভৱ কৰি নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমত পঢ়িবলৈ পঠিওৱা অসমীয়া মানুহখিনিৰ লগতে অসমীয়া ভাষা শিকি কি কৰিমগৈ বুলি শংকা প্ৰকাশ কৰা মানুহখিনিয়েও এই কথাও সময়, সুবিধা পালে অনুভৱ কৰি চাব লাগে যে তেওঁলোকে 'নাই', 'নহ'ব' বুলি হাত সাবটি বহি নাথাকি জাতি আৰু ভাষাটোৰ বাবে নিজেই আচলতে কৰিছেনো কি? কাৰণ জাতি এটা বা ভাষা এটা কোনো ব্যক্তিৰে পৈত্ৰিক সম্পত্তি নহয়। ইয়াৰ উত্তৰণৰ বাবে সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজন।

অসম সাহিত্য সভাৰ দৰে জাতীয় সংগঠনে আজিৰ তাৰিখলৈকে ৱিকিপিডিয়াৰ দৰে মুক্ত বিশ্বকোষত লিখাৰ বাবে নতুন প্ৰজন্মটোক লৈ একো এটা কাম কৰা চকুত পৰা নাই। অসমৰ বিশ্ববিদ্যালয়কেইখনেও ৱিকিপিডিয়াত অসমীয়া ভাষাটো প্ৰতিষ্ঠা কৰিবলৈ আজি পৰ্যন্ত গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। এখন কৰ্মশালা আয়োজন কৰি যে কিছুসংখ্যক শিক্ষাৰ্থীক হ'লেও ৱিকিপিডিয়াত লিখিবলৈ শিকাব পাৰি, সেই কথা ভাবি চোৱা নাই। ইচ্ছা কৰিলে কলেজ, বিশ্ববিদ্যালয়সমূহৰ অসমীয়া বিভাগবোৰেই ভাষাটোক ডিজিটেল ৰূপত প্ৰতিষ্ঠা কৰাবলৈ বিভিন্ন কাৰ্যপন্থা ল'ব পাৰে। একেবোৰ বিষয়তে বছৰি বছৰি চেমিনাৰ, এচাইণ্টমেণ্ট লিখিবলৈ দিয়াৰ সলনি ৱিকিপিডিয়াত নিৰ্দিষ্ট বিষয়ত লিখিবলৈ কাৰ্যপন্থা ল'ব পাৰে। কিন্তু নাই, ৱিকিপিডিয়াৰ গুৰুত্ব বুজি পোৱা মানুহ যেন ক'তোৱেই পাবলৈ নাই।

যিসকলে ৱিকিপিডিয়াত লিখি আছে, সকলোৱেই ব্যক্তিগত প্ৰচেষ্টা আৰু মনৰ তাগিদাতহে লিখি আছে।

অসমৰ কেইজনমান ব্যক্তিৰ নিৰলস আৰু ব্যক্তিগত প্ৰচেষ্টাত অসমীয়া ৱিকিপিডিয়াই আজিৰ সমৃদ্ধ অৱস্থাত উপনীত হৈছেহি। তেওঁলোকক মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। অসমৰ মানুহে তেওঁলোকক স্বীকৃতি দিয়াটো বাদেই, তেওঁলোকে কৰি থকা মহান কামটোকো গুৰুত্বপূৰ্ণ বুলি ভবা নাই। আচলতে ভাবিব লাগে বুলি অনুভৱো কৰা নাই। ব্যক্তিকেন্দ্ৰিক সমাজ ব্যৱস্থাত লাভ নথকা, গ্লেমাৰ নথকা যিকোনো এটা কাম কৰিবলৈ কাৰনো ইমান সময় আছে! তাতে ৱিকিপিডিয়াত লিখি নিজৰ 'পাৰ্চনেল কেৰিয়াৰ' নিৰ্মাণ কৰিব নোৱাৰি। টকা-পইচা পোৱা নাযায়। সাহিত্যিক হিচাপেও গ্লেমাৰ পাব নোৱাৰি। গতিকে এনেবোৰ কাম কৰিবলৈ সততে কোনো আগবাঢ়ি নাহে। অৱশ্যে আগবাঢ়ি নহাৰ ফলাফল এসময়ত আমাৰ পৰৱৰ্তী প্ৰজন্মই নিশ্চয়কৈ ভোগ কৰিবগৈ। যেনেকৈ একাংশ জাতি-জনগোষ্ঠীয়ে নিজৰ সকলো ঐতিহ্য, গৰিমা শেষ কৰি জনগোষ্ঠীয় লোক বুলি পৰিচয় দিবলৈ লাজ কৰি নিজৰ নামটোও 'ৰবাৰ্ট', 'এলবাৰ্ট' কৰি পেলাইছেগৈ। তেনেকৈ আমাৰ জাতিটোৱেও এদিন নিজস্বতা আৰু স্থিতিহীন হৈ সমকালীন সমাজৰ সৈতে তিষ্ঠিব নেৱাৰি আন আন প্ৰভাৱশালী জাতিৰ তলত যে মূৰ দোৱাই থাকিবগৈ। ইতিমধ্যেই এই প্ৰক্ৰিয়াটো আৰম্ভ হৈ গৈছে।

শুনিবলৈ ভাল লগা কথাবোৰ সকলোৱেই কয়। কিন্তু নিজৰ ভুলবোৰৰ আত্মসমালোচনা কৰা মানুহৰ সংখ্যা তেনেই কম। ৱিকিপিডিয়াৰ ক্ষেত্ৰখনলৈকে চালে মন কৰিব পাৰি আজিৰ তাৰিখত সমগ্ৰ অসমপৰা সক্ৰিয়ভাৱে ৱিকিপিডিয়াত লিখা মানুহৰ সংখ্যা পঞ্চাশজনৰ বেছি নহ'ব। কিন্তু চিৰ চেনেহী মোৰ ভাষা জননী' বুলি চিঞৰি থকা মানুহৰ অভাৱ নাই। ২০১৯ ত থাকি আমি ১৯৬০-৭০ চনৰ কাম কৰি থাকিলে যেনেকৈ বৰ্তমান সময়ে আধুনিক বুলি গণ্য নকৰে, ঠিক তেনেকৈয়ে পৃথিৱীখন গোলকীয় গাঁও হৈ পৰা সময়ছোৱাত বসবাস কৰি কেৱল কাগজে-পত্ৰই লিখা-মেলা, তথ্য-সংগ্ৰহ কৰি থাকিলেই নহ'ব। হাতৰ মুঠিত থকা ম'বাইলটোতে এতিয়া দৈনন্দিন জীৱনৰ সকলোবোৰ বস্তু পাব পৰাকৈ সক্ষম। তেনেস্থলত আমাৰ ভাষা, সাহিত্য, সংস্কৃতি, তথ্য, সমলবোৰো কাগজে-পত্ৰই থকাৰ দৰেই

ইণ্টাৰনেটতো পাব পৰাৰ অৱস্থা এটা সৃষ্টি হ'বই লাগিব। আৰু হ'বলৈকে একাংশ মানুহে নিঃস্বাৰ্থভাৱে কাম কৰিবই লাগিব। (একাংশ বুলি এইবাবেই কোৱা হৈছে– কাৰণ ৱিকিপিডিয়াত সকলোৱে নিলিখে বা কিছু পৰিমাণে ভাষা-সাহিত্য-সমাজৰ প্ৰতি সজাগ নহ'লে নিলিখাটোৱেই ভাল।) ৰাজপথত আন্দোলন কৰিলেই যে দেশ আৰু ৰাজ্যৰ বাবে চিঞৰা বুজায়; সেই চিন্তা মনৰপৰা আঁতৰাবৰ হ'ল। নিজৰ ঘৰত বহিও আজৰি সময়ত দুই এটা প্ৰবন্ধ ৱিকিপিডিয়াত লিখিলে বা ৱিকিউৎসত সম্পাদনা কৰিলেও যে আমাৰ জাতি আৰু ভাষাটোৰেই ৰাজহাড় মজবুত হ'ব, সেই কথা এবাৰ হলেও সচেতন লোকসকলে ভাবি চোৱা দৰকাৰ।

ৱিকিপিডিয়াত লিখি মানসিক প্ৰশান্তি পাওঁ। বহু সময়ত নিজৰ কৰিবলগা কাম নকৰিও ৱিকিপিডিয়াত লিখো বুলি বহোঁ। এইবুলিও ভাবোঁ যে আমাৰ সময়ত আমি যিবোৰ বস্তু নিজৰ ভাষাত ৱিকিপিডিয়াত বিচাৰি হাবাথুৰি খাইছিলোঁ, আমাৰ পাছৰ প্ৰজন্মৰ যাতে একে অৱস্থা নহয়। নহ'লে তেওঁলোকেও যে আমাক প্ৰশ্ন কৰিব– আমি আচলতে ভৱিষ্যত প্ৰজন্মৰ বাবে কৰি গ'লো কি! 'অসমী আই', 'ভাষা-জননী' বুলি সাহিত্যত কৈ থকা ভাষাটোৰ বাবে ব্যৱহাৰিক অৰ্থত কৰিলোঁ কি! তেতিয়া কি উত্তৰ দিম আমি?

শেষত গীতাৰ্থ দা, বিষ্ণু দা, নিতুল দা, দিব্য দা, জলি বা, প্ৰাণজ্যোতি বা, অজয় দা, অনিমেশ দা, অম্লান দা, চানক্য, নয়নজ্যোতি, ঈশান দা, অনামিকাৰ দৰে অনেক নাম জনা কিম্বা নজনা কৰ্মীয়ে নিজৰ ব্যক্তিগত জীৱনৰ পৰা সময় উলিয়াই জাতিটোৰ বাবে নিৰৱে কৰি অহা এই মহান ব্যক্তিগত প্ৰচেষ্টাক শতকোটিবাৰ প্ৰণাম জনাইছোঁ। তেওঁলোকৰ পূৰ্বতেও সময়ে সময়ে বহুকেইজন ৱিকিপিডিয়ানে অসমীয়া ৱিকিপিডিয়া, ৱিকিউৎসক সমৃদ্ধ কৰি থৈ গৈছে। তেওঁলোকলৈয়ো এই লেখাৰ জৰিয়তে কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। আৰু বৃহত্তৰ অসমীয়া সমাজলৈ, নতুন প্ৰজন্মলৈ এই আহ্বান ৰাখিছোঁ যাতে আপোনালোকে কমপৰিমাণে হ'লেও ৱিকিপিডিয়াত লিখিবলৈ আৰম্ভ কৰে। আপোনালোকৰ সঁহাৰিয়ে এটা সামূহিক প্ৰচেষ্টাক নতুন ৰূপ লাৱণ্যৰে সমৃদ্ধ কৰাত সহায় কৰিব। আৰু প্ৰতিজন ৱিকিপিডিয়ানকে কৈছোঁ– অন্যান্য প্ৰভাৱশালী জাতিয়ে ৱিকিপিডিয়াৰ গুৰুত্ব বুজি উঠাৰ দৰে এদিন আপোনালোকৰ এই মহান প্ৰচেষ্টাকো অসমৰ মানুহে বুজি পাবই পাব, কাৰণ ভাল কামবোৰ মানুহৰ মাজলৈ যোৱাত কিছু পলম হয়েই।

## অনিমেষ বৰা

## জানুৱাৰী, ২০২০

২০১৯ চনৰ ১১-১৩ অক্টোবৰত পুনেত CIS-A2K য়ে গোখালে ইনষ্টিটিউট অফ পলিটিক্স এণ্ড ইকন'মিক্সৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে সৈতে সৰ্বভাৰতীয় পৰ্যায়ৰ এখন ৱিকিউৎস কৰ্মশালাৰ আয়োজন কৰিছিল। এই কৰ্মশালাত ভাৰতৰ বিভিন্ন ভাষাৰ ৱিকিউৎসৰ পৰা মুঠ ২১ জন শিকাৰু আৰু ৭জন সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰিছিল। অসমীয়া ৱিকিউৎসৰ হৈ মই এই কৰ্মশালাত যোগ দিছিলোঁ। অভিজ্ঞ ব্যৱহাৰকাৰীসকলক প্ৰশিক্ষণ দি ৱিকিউৎসত উন্নত মানদণ্ডৰ সমল সৃষ্টি কৰাই কৰ্মশালাখনৰ মূল উদ্দেশ্য আছিল। ইয়াৰ লগতে বিশ্বৰ আগশাৰীৰ ৱিকিউৎসৰ প্ৰসংগ উল্লেখ কৰি ভাৰতীয় ভাষাৰ ৱিকিউৎসই ভৱিষ্যতে ল'বলগীয়া পন্থাৰ বিষয়ে এলানি আলোচনা অনুষ্ঠিত হয়।

প্ৰথম দিন

ৱিকিউৎসত উন্নত মানদণ্ডৰ সমল সৃষ্টিৰ বাবে ব্যৱহৃত বিভিন্ন সঁজুলিৰ বিষয়ে CIS-A2K ৰ তৰফৰ পৰা জয়ন্ত দাসে শিকাৰুসকলক সম্যক ধাৰণা দিয়ে। তাৰ পাছত অংশগ্ৰহণকাৰী সকলৰ মাজত সম্পাদনাৰ মাৰাথন চলে। তামিল ৱিকিউৎসত স্বেচ্ছাসেৱকসকলে কেইটামান সঁজুলিৰ সৃষ্টি কৰিছে। তাৰে কেইটামান সঁজুলি অসমীয়া ৱিকিউৎসত যোগ দিয়াৰ বাবে মই পোষকতা কৰোঁ।

দ্বিতীয় দিন

ৱিকিউৎসৰ সমলসমূহ শ্ৰেণীকৰণ কৰাৰ সন্দৰ্ভত বিষদভাৱে আলোচনা কৰা হয়। এই আলোচনাত সমল ব্যক্তি হিচাপে গোখালে ইনষ্টিটিউট অফ পলিটিক্স এণ্ড ইকন'মিক্সৰ লাইব্ৰেৰিয়ান গৰাকীয়ে অংশগ্ৰহণ কৰিছিল। বিশ্বৰ পুথিভঁৰাল সমূহত গ্ৰন্থসমূহৰ শ্ৰেণীকৰণৰ বাবে ব্যৱহৃত হোৱা বিভিন্ন পদ্ধতিসমূহৰ বিষয়ত তেওঁ বক্তব্য দাঙি ধৰে। ভাৰতীয় ভাষাৰ সকলো ৱিকিউৎসত সমল সমূহৰ শ্ৰেণীকৰণৰ বাবে এটা নিৰ্দিষ্ট পদ্ধতি গ্ৰহণ কৰাৰ কথা সিদ্ধান্ত লোৱা হয়। মধ্যান্ত বিৰতিৰ অন্তত ৱিকিউৎস আৰু আন

আন ভগ্নী প্ৰকল্পসমূহৰ লগত ৱিকিডে'টাৰ সম্পৰ্কৰ বিষয়ে CIS-A2K ৰ হৈ টিটো দত্ত আৰু সতদ্বীপ গিলে বক্তব্য আগবঢ়ায়।

তৃতীয় দিন

উক্ত দিনটোত কিতাপ স্কেনিংৰ কৰ্মশালা অনুষ্ঠানত অ'মশিৱপ্ৰকাশে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সহায় কৰে মাৰাঠী ৱিকিউৎসৰ কেইগৰাকীমান স্বেচ্ছাসেৱকে। তেখেতে OCR ৰ বাবে Google OCR ৰ সলনি Tesseract আৰু Viet OCR নামৰ দুটা অপেন চ'ৰ্ছ ছফটৱেৰ'ৰ পোষকতা কৰে। এই ছফটৱেৰৰ যোগেদি অনায়াসে ভাৰতৰ প্ৰায়বিলাক ভাষাৰ OCR কৰিব পাৰি। লগতে CIS-A2K ৰ তৰফৰ পৰা বিভিন্ন ভাষাৰ ৱিকিউৎসক প্ৰয়োজন অনুসৰি একোটাকৈ স্কেনাৰ যোগান দিয়াৰ কথা জানিবলৈ দিয়ে।

ইয়াৰ উপৰিও অনুষ্ঠানত নিম্নোক্ত কিছুমান কথাৰ সিদ্ধান্ত লোৱা হয়–

- স্থানীয় পৰ্যায়ত ৱিকিউৎসৰ এডভান্স ট্ৰেইনিং প্ৰগ্ৰাম
- প্ৰত্যেক ৱিকিউৎসৰ তৰফৰ পৰা এজনকৈ OTRS এজেণ্ট
- স্কেনাৰৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি CIS-A2K ক proposal আগবঢ়োৱা
- Unverified text সমূহৰ বিলোপন কৰা

এটা কথা মোৰ চকুত পৰিছিল যে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এনে অনুষ্ঠানত বাকী ৱিকিৰ তুলনাত খুব কম সংখ্যক অসমীয়া সদস্যইহে অংশগ্ৰহণ কৰে। ভৱিষ্যতে এনে অনুষ্ঠানত অসমীয়া ৱিকিৰ পৰা অধিক সদস্যই যোগদান কৰা উচিত। বিভিন্ন ভাষাৰ ৱিকিৰ সদস্য সকলৰ লগত এনেকুৱা ধৰণৰ কৰ্মশালাত যোগদান কৰি সদস্যসকল নানান অভিজ্ঞতাৰে পৰিপুষ্ট হ'ব বুলি মোৰ দৃঢ় বিশ্বাস।

## দিব্য দত্ত

## ফেব্ৰুৱাৰী, ২০২০

তথ্য সম্ভাৰৰ জগতখনত ৱিকিপিডিয়া এটা অতি চিনাকি নাম। বিশ্বৰ প্ৰায় সকলো ভাষাতেই উপলব্ধ এই অনলাইন তথ্য সম্ভাৰৰ ব্যৱহাৰ জ্ঞাতে—অজ্ঞাতে প্ৰায় সকলোৱেই ব্যৱহাৰ কৰে। ময়ো প্ৰথমতে অজানিতে এই জগতখনত ভৰি দিছিলোঁ। যেতিয়া প্ৰথম ম'বাইলত অসমীয়া লিখিবলৈ শিকিলোঁ, এতিয়াও মনত আছে, প্ৰথমেই গুগলত শংকৰদেৱ লিখি সন্ধান কৰিছিলোঁ আৰু আচৰিত হৈছিলোঁ! শংকৰদেৱৰ বিষয়ে সকলো সমলেই উপলব্ধ। তাতেই কীৰ্ত্তনখনো পালো! সেইবোৰ চাই থাকোতেই কেনেবাকৈ সম্পাদনা বুটামত টিপি দিলোঁ, হয়তো কেইটামান আখৰ মোহাৰ খাই গ'ল। ভয় খাই একেৰাহে বেক বুটাম টিপিলোঁ কেইবাবাৰো! পিছত সম্পাদনা বুটাম নিটিপা হলোঁ। তাৰ বহু দিনৰ পিছতহে ৱিকিপিডিয়াৰ প্ৰকৃত পৰিচয় পালোঁ, একাউণ্ট সৃষ্টি কৰিলোঁ, ফটো আপলোড কৰিলোঁ, সম্পাদনা কৰিলোঁ, আৰু বৰ্তমান নিজেই অসমীয়া ৱিকিপিডিয়াৰ লগত জড়িত হৈ পৰিলোঁ। ৱিকিউৎসৰ সৈতেও জড়িত হলোঁ।

ৱিকিপিডিয়াত সম্পাদনা কৰিবলৈ বৰ সহজ, নিজে জনা কথাটো লিখি গলেই হ'ল। যদি মই লিখা তথ্যৰ কিবা বিসংগতি আছে, আন এজনে তাক শুধৰাই দিব নাইবা নতুন তথ্য যোগ কৰিব, মুঠতে লিখিলেই হ'ল! ময়ো প্ৰথমতে ৱিকিপিডিয়াত লিখিবলৈ সংকোচ কৰিছিলোঁ। লাহে লাহে ৱিকিপিডিয়া সমাজৰ সৈতে জড়িত হোৱাৰ পিছত সাহস বাঢ়িলে। বাংলা নাইবা ইংৰাজীৰ পৰা মই বিভিন্ন প্ৰবন্ধ অনুবাদ কৰিবলৈ ধৰিলোঁ। বহুকেইজন প্ৰবীণ ৱিকিমিডিয়ান, বিশেষকৈ গীতাৰ্থ বৰদলৈৰ সহায়ত কাৰিকৰী কথাবোৰো কিছু শিকিলোঁ। এতিয়াও শিকি আছোঁ! শেহতীয়া সালসলনিত নতুন একাউণ্ট সৃষ্টিৰ জাননী পালে বহুত ভাল লাগে! কিন্তু দেখা যায় প্ৰায়বিলাক একাউণ্ট কেৱল সৃষ্টিহে কৰা হয়, একাউণ্টসমূহৰ পৰা বিশেষ বৰঙণি আগবঢ়োৱা দেখা নাযায়।

পূৰ্বৰ তুলনাত বৰ্তমান অসমীয়া ৱিকিপিডিয়া যথেষ্ট সমৃদ্ধিশালী হৈছে। যদিও এই গতি অতি মন্থৰ, তথাপি আশা কৰিছোঁ অনাগত দিনত এই

গতি ক্ষীপ্ৰতৰ হওক! শেষত অসমীয়া ৱিকিপিডিয়াৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। জয় আই অসম।।

## বাবুল বৈশ্য

## মাৰ্চ, ২০২০



টিটিটি (Train the Trainer Program) হ'ল ইংৰাজীকে ধৰি বিভিন্ন ভাৰতীয় ভাষাৰ ৱিকি প্ৰজেক্টসমূহত কাম কৰি থকা অভিজ্ঞ সম্পাদকসকলক উচ্চস্তৰৰ প্ৰশিক্ষণ দিয়া এক কাৰ্যসূচী। এই কাৰ্যসূচীৰ উদ্দেশ্য হ'ল, টিটিটিত শিকি-বুজি অহা কথাখিনি তেওঁলোকৰ নিজৰ কমিউনিটিৰ অন্যান্য সম্পাদকসকলক আৰু আগ্ৰহী ব্যক্তিসকলক শিকাই-বুজাই বা প্ৰচাৰ-প্ৰশিক্ষণ আদিৰ যোগে নিজা-নিজা ৱিকি প্ৰকল্পসমূহৰ বিকাশ সাধন কৰা; সহজ ভাষাত ৱিকি প্ৰকল্পসমূহ নেতৃত্ব দিব পৰা কিছুমান ব্যক্তিৰ সৃষ্টি কৰা। Centre for Internet and Society- Access to Knowledge বা চমুকৈ CIS-A2K য়ে আয়োজন কৰা এই প্ৰশিক্ষণ কাৰ্যসুচী ২০১৩ চনৰ পৰা, মাজতে ২০১৪ চনটোক বাদ দি প্ৰতি বছৰে অনুষ্ঠিত হৈ আহিছে। এইবেলি ২৮ ফেব্ৰুৱাৰী ২০২০ৰ পৰা ১ মাৰ্চলৈ অনুষ্ঠিত TTT2020 ত (সপ্তম টিটিটি) মোকে ধৰি অজয় দাস আৰু নয়ন জ্যোতি নাথ- অসমীয়া ৱিকি প্ৰকল্পৰ মুঠ তিনিজনে অংশগ্ৰহণ কৰাৰ সুযোগ পালোঁ। অসমীয়া ৱিকি প্ৰকল্পৰ ফালৰ পৰা আমাৰ এই তিনিজনীয়া দলটোৱে প্ৰথম TTT ত অংশগ্ৰহণ কৰিছোঁ। ইয়াৰ আগতে TTT2016 লৈ অম্লান বসুমতাৰী নিৰ্বাচিত হৈছিল যদিও তেওঁ অংশগ্ৰহণ নকৰিলে।

এইবেলি অসমীয়া, ইংৰাজী, হিন্দী, মাৰাঠী, পাঞ্জাৱী, গুজৰাটী, চাওতালী, সংস্কৃত, তামিল, তেলেগু, কানাড়ী আৰু টুলু ভাষাৰ ৱিকি প্ৰকল্পৰ লগতে ৱিকিভয়েজ আৰু ৱিকিডাটাৰ পৰা মুঠ ২৩জন সদস্যই অংশগ্ৰহণ কৰিছিল। TTT লৈ অহাৰ আগতে ৱিকিডাটা কি, তাৰ বিষয়ে মোৰ সামান্যতমো ধাৰণা নাছিল। এটা অতি ভাল লগা কথা হ'ল যে অম্লান বসুমতাৰীয়ে অসমীয়া ৱিকিৰ পৃষ্ঠাসমূহ ৱিকিডাটাৰ সৈতে সংযোগ কৰি উক্ত প্ৰকল্পটোলৈ বৰঙণি আগবঢ়াই আহিছে।

তিনিদিনীয়া এই কাৰ্যসূচীত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা গোট খোৱা ৱিকিমিডিয়ানকলৰ মাজত ভাবৰ আদান-প্ৰদানত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল; যাতে বিভিন্ন কমিউনিটিয়ে নিজানিজা ৱিকি প্ৰকল্পসমূহৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে লোৱা কাৰ্যসূচী, পৰিকল্পনা, আঁচনি আদিৰ বিষয়ে আনসকলেও জানিব পাৰে। কৰ্মশালা, আলোচনা চক্ৰ, সৰু-সৰু পৰিসৰৰ ৱিকিমেল, ৱিকি ক্লাৱ; অনলাইন-অফলাইন প্ৰবন্ধ লিখা প্ৰতিযোগিতা, বাতৰি-কাকত, হোৱাটচএপ, টুইটাৰ, ফেচবুক আদি সামাজিক মাধ্যম; চৰকাৰ, ৰাজ্যিক পুথিভঁৰাল, সংগ্ৰহালয়, উচ্চ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ সৈতে সহযোগিতামূলক (collaboration) আঁচনি আদিৰ যোগেদি ৱিকি প্ৰকল্পসমূহৰ কেনেকৈ প্ৰচাৰ-প্ৰসাৰ কৰিব পাৰি আৰু ভাৰতীয় ভাষাৰ বিভিন্ন কমিউনিটিসমূহে এই সংক্ৰান্তত কি কি কৰি আছে, সেই সম্পৰ্কে বিস্তৰ আলোচনা হৈছিল। অৱশ্যে এই বিষয়সমূহ অসমীয়া ৱিকিমিডিয়ানসকলৰ বাবে নতুন নহয়। ২০১২ চনত প্ৰথম বাৰৰ বাবে ৱিকিমিট পতা হৈছিল। তাৰপিছত শিলচৰ, তেজপুৰতো ৱিকিমিট অনুষ্ঠিত হৈছে। শিলচৰৰ NIT ত প্ৰভাকৰ শৰ্মা নেওগৰ উদ্যোগত ৱিকিক্লাৱ গঠন কৰা হৈছিল। ২০১২ চনত এখন আলোকচিত্ৰ আৰু প্ৰবন্ধ লিখা প্ৰতিযোগিতাও অনুষ্ঠিত হৈছিল। এনে ধৰণৰ কাৰ্যসূচীয়ে যে কমিউনিটিৰ উৎসাহ বঢ়ায়, সি অনস্বীকাৰ্য।২০১৯ত গুৱাহাটীত অনুষ্ঠিত হোৱা অসমীয়া ৱিকিউৎসৱ কৰ্মশালাখনৰ পিছত ৱিকিউৎসৱ গতিবেগ যে বৃদ্ধি হৈছিল, সেইটো সকলোৱে মন কৰিছে।

TTT2020 ত লৈংগিক অসমতা বিষয়ক এক গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰা হৈছিল। সমাজৰ অন্যান্য ক্ষেত্ৰৰ দৰে ৱিকিতো লৈংগিক অসমতা দেখা যায়। অন্যান্য প্ৰকল্পতো বাদেই, ইংৰাজী ৱিকিৰ ক্ষেত্ৰতো এই অসমতাৰ হাৰ ৮ঃ২। যাৰ ফলত ৱিকিত নাৰী বিষয়ক কণ্টেণ্ট তেনেই কম।

তাৰ বিপৰীতে কিন্তু কানাড়া ৱিকিমিডিয়াৰ লৈংগিক অসমতাৰ হাৰ ৭ঃ১। তেওঁলোকে নিজাববীয়াকৈ ৰুমেন এডিটাথন এটা আয়োজন কৰিছে। মাৰাঠা ৱিকিমিডিয়ায়ো কেবল গ্ৰামাঞ্চলৰ মহিলাসকলৰ দ্বাৰা তেওঁলোকৰ পৰম্পৰাগত অলংকাৰসমূহৰ ডকুমেণ্টেচন কৰাইছে, সেইবোৰৰ বিৱৰণ লিখিছে আৰু ৱিকি কমন্স আৰু মাৰাঠা ৱিকিপিডিয়া দুয়ো ঠাইতে আপলোড কৰিছে। ২০২০ৰ ১০ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ চলা ৱিকি লাভছ ৰুমেন দক্ষিণ এছিয়া ২০২০ এডিটাথন নাৰী বিষয়ক প্ৰবন্ধ বঢ়োৱাৰ এক প্ৰয়াস। আমাৰ কমিউনিটিয়েও লৈংগিক অসমতা দূৰ কৰাৰ বাবে নিজাববীয়াকৈ চিন্তা-চৰ্চা কৰা উচিত।

TTT2020ৰ আটাইতকৈ আকৰ্ষণীয় কাৰ্যসূচী আছিল ক্ষেত্ৰ পৰিদৰ্শন আৰু ফটো ৱাক (Photo Walk)। তাৰবাবে আমি থকা ঠাইৰ পৰা মাত্ৰ কেইকিলোমিটাৰমান দূৰৰ উত্তন বিচ্চৰ এখন পৰম্পৰাগত সামুদ্ৰিক মাছুৱৈৰ গাঁৱলৈ লৈ গৈছিল। এই অঞ্চলটো এটা অফবিট টুৰিষ্ট স্পট। গতিকে বাহিৰা মানুহৰ ভীৰ-ভাৰাক্কা নাই। স্থানীয় বাসিন্দাসকলো বাহিৰা মানুহৰ প্ৰতি যথেষ্ট সহযোগী মনোভাবাপন্ন। আমাৰ প্ৰশিক্ষাৰ্থী দলটোৰ গাইড আছিল সেই অঞ্চলৰ এজন প্ৰাক্তন কাউঞ্চিলাৰ। এই মধ্যবয়সীয়া ভদ্ৰলোকগৰাকীয়ে আমাক বিভিন্ন মাছ মৰা সঁজুলি আৰু ইয়াৰ লগত জড়িত কাৰিকৰী কথা তথা সমস্যাসমূহৰ বিষয়ে বিতং বাখ্যা কৰিছিল। শুৱালকুছিৰ পাট-মুগাশিল্প, সৰ্থেবাৰীৰ কাহশিল্প আদিৰ লগতে ভাৰতৰ অন্যান্য পৰম্পৰাগত শিল্প, ব্যৱসায় আৰু জীৱিকা সংকটৰ গৰাহত পৰাৰ দৰে উত্তন গাঁৱৰ এই পৰম্পৰাগত জীৱিকাটোও সংকটৰ গৰাহত পৰিছে। প্ৰত্যাহ্বান আহিছে বৃহৎ মাছমৰীয়া কোম্পানীবোৰৰ পৰা। ডাঙৰ ডাঙৰ কোম্পানীবোৰে অত্যাধুনিক জাহাজ, অত্যাধুনিক মাছ ধৰা সঁজুলি, জিপিআৰএচ, নিজা ডক, নিজা বিপনন ব্যৱস্থাৰে পৰম্পৰাগত মাছুৱৈসকলৰ প্ৰতি প্ৰত্যাহ্বান মাতি আনিছে। এনে প্ৰত্যাহ্বানৰ মাজতো সা-সঁজুলি আদিৰ আধুনিকীকৰণ কৰি পৰম্পৰাগত মাছুৱৈসকলে সময়ৰ সৈতে খাপ খুৱাবলৈ চেষ্টা কৰিছে। চৰকাৰেও তেওঁলোকক কিছুকিছু সমৰ্থন দিছে। জিপিআৰএচৰ ব্যৱস্থা কৰি দিছে, নাওবোৰত পেনিক বাট'ন (Panic button- বিপদত পৰিলে সংকেট দিব পৰা যন্ত্ৰ) সংযোগ কৰি দিছে।

অসমীয়া ৱিকিমিডিয়ান এটা তেনেই সৰু কমিউনিটি। সদস্যৰ সংখ্যা কম কাৰণে অসমীয়া ভাষাত মাত্ৰ দুটা ৱিকি প্ৰকল্পৰ কামহে চলি আছে। অসমৰ বহু মানুহে অসমীয়া ৱিকি প্ৰকল্পৰ বিষয়ে বেছি নাজানেই। জনাসকলৰো বহুতেই আকৌ ৱিকিত সম্পাদনা কৰাটো বা অৱদান আগবঢ়োৱা জটিল বিষয় বুলি ওচৰেই নাচাপে। কিন্তু আমাক বিভিন্ন ক্ষেত্ৰৰ বিভিন্ন দিশত পাৰদৰ্শী মানুহৰ প্ৰয়োজন; সকলো ব্যক্তি সকলো দিশত সমানে পাৰদৰ্শী হ'ব লাগিব বুলি কথা নাই। প্ৰতিজন মানুহে কিবা নহয়, কিবা এটা দিশত অৱদান আগবঢ়াব পাৰে। আমাক প্ৰবন্ধ লিখিব পৰা, অনুবাদ কৰিব পৰা, ভাষাগত ভুলবোৰ শুধৰাব পৰা, অসমীয়া ভাষাত টাইপ কৰিব পৰা, বিশ্বকোষৰ উপযোগী ফটো তুলিব পৰা, বিভিন্ন পুথিভঁৰাল-সংগ্ৰহালয় আদিত সঞ্চিত হৈ থকা অসমৰ আপুৰুগীয়া সমলসমূহৰ ডকুমেণ্টেচন কৰিব পৰা, কাৰিকৰী বা কপিৰাইটৰ কাম-কাজ চোৱা-চিতা কৰিব পৰা আদি বিভিন্ন ব্যক্তিৰ প্ৰয়োজন। সেয়েহে সংকোচ আঁতৰাই থৈ সকলো আগবাঢ়ি আহক।

## নয়ন জ্যোতি নাথ

## এপ্ৰিল, ২০২০

CIS ৰ সহযোগত Wikipedia ৰ হৈ মুম্বাইত অনুষ্ঠিত Train The Trainer 2020 শীৰ্ষক উচ্চস্তৰৰ প্ৰশিক্ষণৰ অনুষ্ঠান এটিত অসমীয়া ৱিকিপিডিয়া আৰু ৱিকিউৎসৰ হৈ আমি তিনিজন প্ৰতিনিধি নিৰ্বাচিত হৈছিলোঁ। ইয়াত এখন ক্ষুদ্ৰ ভাৰত এটা চৌহদতে সৃষ্টি হৈছিল। পঞ্জাৱী, হিন্দী, তেলেগু, তুলু, গুজৰাটী, মাৰাঠী, ইংৰাজী, চাওঁতালি, কানাড়া, তামিল, সংস্কৃত ভাষাৰ প্ৰতিনিধি সকলৰে সেইকেইদিন মন ভৰা পৰিৱেশ এটাত জী উঠিছিলোঁ।

প্ৰথম দিনা আমি নিজৰ ভাষাটোক প্ৰতিনিধিত্ব কৰাৰ বাবে ডিঙিত গামোচা লৈছিলোঁ। গামোচাখনেৰে অপৰিচিত প্ৰতিজনেই গামোচাখন কি

ক'ত কিয় বিখ্যাত ইত্যাদি লৈ ইমান যে প্ৰশ্ন কৰিছিল, কৈ কৈ মন ভৰি গৈছিল! ৱিকিপিডিয়ান অজয় দাস জ্ঞানৰ ভাণ্ডাৰ এটা। অজয়ে তেওঁলোকক গামোচাখনৰ যিমানবোৰ তথ্য জনালে সেয়া যথেষ্টৰ বহু ওপৰত। মই সহযোগ কৰিলোঁ। আমি তেওঁলোকক নিজৰ নিজৰ ভাষাৰ ৱিকিপিডিয়াত গামোচা সম্পৰ্কীয় একোটাকৈ প্ৰবন্ধ লিখিবলৈ অনুৰোধ জনালোঁ, তেওঁলোকে গামোচাৰ ফটো তুলি লৈ গ'ল। সেই সময়ৰ অনুভৱখিনি শব্দৰে প্ৰকাশ কৰিলেও যেন বিকৃত ৰূপ এটা হে পাব! আমাৰ বাবে দৈনন্দিন জীৱনত সৰু সৰু বা তেনেই সাধাৰণ যেন লগা কিছুমান কথা স্থান কাল পাত্ৰ ভেদে অসাধাৰণ হৈ পৰে।

ইয়াত বিশেষ ভাৱে এটা প্ৰশ্ন উঠিছিল লিংগ সমতাক লৈ। প্ৰতিজনেই কেৱল মহিলা পুৰুষতে সীমাবদ্ধ হৈ থকাত মই, অজয়, গুজৰাটৰ হৰ্ষিল, পাঞ্জাৱৰ চিমৰণে ট্ৰান্স আৰু কুইয়াৰ সকলৰ বিষয়েও যে নিজৰ নিজৰ ভাষাত ৱিকিপিডিয়াত তথ্য সংযোগ কৰি আছোঁ সেই কথা উল্লেখ কৰিলোঁ। তেওঁলোকে এই সম্পৰ্কত বিশেষ গুৰুত্ব দি আমাক ধন্যবাদ দিলে আৰু ভৱিষ্যতে সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে। সাংস্কৃতিক অনুষ্ঠানত আমি বৰগীত, ঘোষা, বিয়ানাম,ৰাভা, বিষ্ণু, ভূপেন্দ্ৰ সংগীত গালোঁ আৰু অসম সংগীত পৰিৱেশন কৰি আমাৰ সংস্কৃতিৰ চমু পৰিচয় এটি দিবলৈ চেষ্টা কৰিলোঁ।

## মিডিয়াৱিকি ফাউণ্ডেশ্যনৰ অসমীয়া প্ৰকল্পসমূহ:

অসমীয়া ৱিকিপিডিয়া https://as.wikipedia.org/

অসমীয়া ৱিকিউৎস https://as.wikisource.org/

## সামাজিক মাধ্যমত:

অসমীয়া ৱিকিমিডিয়া সমাজৰ ফেইচবুক পৃষ্ঠা: https://www.facebook.com/aswikipedia/

ফেইচবুক গোট https://www.facebook.com/groups/assamwikigroup/

টুইটাৰত @aswikipedia আৰু @aswikisource

ইন্‌ষ্টাগ্ৰামত @assamesewikimedia

ইউটিউব চেনেল Assamese Wikimedia

মেইলিং লিষ্ট https://lists.wikimedia.org/mailman/listinfo/wikipedia-as